# ঘাইজামেল

কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মাহেকীয়া মুখপত্ৰ, প্ৰথম বছৰ, প্ৰথম সংখ্যা, ২৮ জানুৱাৰী, ২০১০




*ডিব্ৰুগড় জিলাৰ লেজাই কলাখোৱাত উপস্থিত কৃষক পদযাত্ৰী*

OKDISC

## পথৰুঘাটৰ আহ্বান

**ড° হীৰেন গোহাঁই**

পথৰুঘাটৰ ৰণৰ একশতাব্দীতকৈও অধিক কাল অতীত হ'ল। তাহানিৰ অসমৰ কৃষক সমাজে ৰঙিয়া, সৰ্থেবাৰী অঞ্চল, নগাঁও জিলাৰ ফুলগুৰিত ঔপনিবেশিক বৃটিছ চৰকাৰে জাপি দিয়া খাজনা আৰু কৰৰ অন্যায় বোজাৰ বিৰুদ্ধে ক্ষোভত জ্বলিপকি বিদ্ৰোহ কৰিছিল। পথৰুঘাটত দলি চপৰা, বাঁহৰ টোকোন আৰু শিলগুটিৰেই বৃটিছৰ আগ্নেয়াস্ত্ৰৰ সন্মুখীন হৈছিল।

আজি স্বাধীন দেশতো অসমৰ কৃষকৰ অৱস্থাৰ উন্নতি হোৱা নাই। নানা চৰকাৰী আঁচনিৰে কৃষকক সকাহ দিয়াৰ জয়ঢোল যদিও বাজিছে, আঁচনিৰ সৰহখিনি ধন আত্মসাৎ কৰিছে আমোলা আৰু মধ্যভোগীয়ে, আনহাতে সকলো পিনৰ

৩১ পৃষ্ঠাত

### পৰিৱৰ্তনৰ সপোন বুকুত বান্ধি

## সফলতাৰে আগবাঢ়িছে কৃষকৰ ঐতিহাসিক পদযাত্ৰা

**ডিব্ৰুগড়ৰ পদযাত্ৰাস্থলীৰ পৰা এজন পদযাত্ৰী , জানুৱাৰী, ২০১০ ঃ** এক ঐতিহাসিক কাৰ্যসূচী। অসমৰ প্ৰতিখন গাঁও খোজেৰে অতিক্ৰম কৰা, যিমান পাৰি সভা-সমিতিত জনগণৰ লগত মিলিত হোৱা, জনগণৰ লগতে থকা আৰু খোৱা। এক অভিনৱ এক দুঃসাধ্য, ক'বলৈ গ'লে অসম্ভৱ কাৰ্যসূচী। কিন্তু এই অসম্ভৱকো সম্ভৱ কৰি আগবাঢ়িছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ৫০/৫৫ জনীয়া কৃষক পদযাত্ৰীৰ দলটো। অসম্ভৱক সম্ভৱ

২৮ পৃষ্ঠাত

# কৃষক মুক্তি সংগ্ৰাম সমিতিৰ বুনিয়াদী নীতি আৰু কৰ্মসূচী

*২০০২ চনৰ ২০ জুলাইত গঠিত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে সংগ্ৰামী কাৰ্যসূচীৰ মাজেৰে ইয়াৰ মূল কৰ্মসূচীৰ বিকাশ ঘটাইছে। ২০০২ ৰ ২০ জুনত বিষ্ণু ৰাভা দিৱসৰ দিনা আমি দুটা গোটত বিভক্ত হৈ এক ঐতিহাসিক চাইকেল শোভাযাত্ৰাৰ আৰম্ভ কৰিছিলো। 'বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতি' আৰু 'দৈয়াং মুক্তি সংগ্ৰাম সমিতি'ৰ উদ্যোগত দৈয়াঙৰ জয়পুখুৰীৰ পৰা আৰম্ভ কৰা এই শোভাযাত্ৰী দলে উজনি-নামনিৰ বিভিন্ন এলেকা ঘূৰি ১৯ জুলাইত তেজপুৰত সমবেত হৈছিল আৰু সিদিনাৰ ৰাতিয়ে এখন কৰ্মসূচী তৈয়াৰ কৰি লৈছিল। সেই কৰ্মসূচীৰ ভিত্তিত আমি 'কৃষক মুক্তি সংগ্ৰাম সমিতি, অসম' গঠনৰ সিদ্ধান্ত ল'লো। সিদিনা এখন সংবিধান ৰচনাৰ প্ৰস্তাৱো লোৱা হয়। সংগঠনটি গঠনৰ পৰৱৰ্তী কেইবাখনো কাৰ্যনিৰ্বাহকত আলোচনামৰ্মে আমাৰ সংবিধান আৰু কৰ্মসূচীৰ পূৰ্ণ ৰূপ দিয়া হয়। নতুনকৈ গঠিত উদীয়মান সংগঠন হিচাপে সংগ্ৰাম সমিতিয়ে ইয়াৰ অভিজ্ঞতাৰ লগে লগে সংবিধান আৰু কৰ্মসূচী সংশোধন কৰাই নহয়, পৰিবৰ্দ্ধনো কৰি আহিছে। এই প্ৰক্ৰিয়া এতিয়াও চলি আছে। গতিকে সুধী পাঠকসমাজৰ পৰা আমি মূল্যৱান গঠনমূলক পৰামৰ্শ বিচাৰি ইয়াত এই কৰ্মসূচী প্ৰকাশ কৰিলো।*

*২০ জুলাইত ৰাজ্যখনৰ বিভিন্ন এলেকাৰ কৃষক-শ্ৰমিক-মধ্যবিত্ত সংগ্ৰামী লোকে একগোট হৈ আমি বিপ্লৱী বীৰ বিষ্ণু প্ৰসাদ ৰাভাৰ সমাধিস্থল পাইছিলোগৈ। তাতে শপত লৈছিলো এই বুলি ঃ আমি কেতিয়াও চৰকাৰ তথা ৰাষ্ট্ৰৰ লগত আপোচ নকৰিম, ব্যৱসায়ী তথা বিষয়াৰ ওচৰত বিক্ৰী নাযাম আৰু ৰাজহুৱা ধন আত্মসাৎ নকৰিম। স্বাভাৱিকতে আমি বিষ্ণু ৰাভাৰ আদৰ্শত অটল থকাৰ সংকল্প লৈছিলো। বিষ্ণু ৰাভাৰ আদৰ্শ মানে তেওঁৰ বিপ্লৱী আৰু চি পি আইৰ জীৱনৰ সময়ৰ আদৰ্শৰ কথা কৈছো। সেই আদৰ্শ মানেই জনগণৰ মতাদৰ্শ গ্ৰহণ, দৰিদ্ৰ-শোষিত শ্ৰেণীৰ মতাদৰ্শ। দ্বন্দ্বমূলক বস্তুবাদী দৰ্শন— বৈজ্ঞানিক সমাজবাদ। পথৰুঘাটৰ 'কৃষক শ্বহীদ দিৱস'ত প্ৰকাশিত 'ৰাইজ মেল'ত আমি এই বুনিয়াদী নীতি আৰু কৰ্মসূচী প্ৰকাশ কৰিলো এই ভাবি যে মোৱামৰীয়া গণ অভ্যুত্থান, ফুলগুৰিৰ ধেৱা, ৰঙিয়া আদিৰ কৃষক বিদ্ৰোহ, পথৰুঘাটৰ ৰণ, ১৯৪২ ৰ গণ উত্থান, চি পি আই, আৰ চি পি আই, সমাজবাদীৰ কৃষক সংগ্ৰাম, উনৈশশ সত্তৰৰ দশকৰ চি পি আই (এম এল) দলবোৰৰ কৃষক আন্দোলনবোৰৰ পাছত শেহতীয়া আমাৰ কৃষক জাগৰণটোৰ প্ৰকৃত ৰূপ যাতে পাঠসমাজে বুজি উঠে। এই পাঠে বুজাব আমি কেনেকৈ সেই মহান সংগ্ৰাম বিদ্ৰোহ-বিপ্লৱৰে ঐতিহ্য বহন কৰিছো। আমি এইবুলিও ভাবিব পাৰো নেকি যে কৃষক মুক্তি সংগ্ৰাম সমিতি, অসম সেই ঐতিহ্যৰ বিকাশমান ৰূপ।*

২)

(ক) **বুনিয়াদী নীতি ঃ** কৃষক মুক্তি সংগ্ৰাম সমিতিক অসমৰ সকলো খাটিখোৱা কৃষকৰ প্ৰকৃত স্বাৰ্থৰক্ষাকাৰী প্ৰগতিশীল সংগ্ৰামী সংগঠন হিচাপে গঢ়ি তুলিবলৈ প্ৰাথমিকভাৱে প্ৰচেষ্টা কৰা হ'ব। সেইবাবে ইয়াৰ সদস্যসকল ৰাইজৰ সকলো সুখ-দুখৰ প্ৰতি দায়বদ্ধ, ৰাইজৰ প্ৰতি প্ৰকৃত সন্মানবোধ থকা হ'ব লাগিব। সংকটকালতো আনকি ৰাইজৰ প্ৰতি বিৰূপ ভাব আৰু মন্তব্য প্ৰকাশ নকৰিব। ৰাইজ আমাৰ বাবে গণদেৱতা।

০.১) ৰাইজক সেৱা কৰাৰ নিঃস্বাৰ্থ মনোভাব।

০.২) জাতিভেদ আৰু ধৰ্মবিভেদৰ সম্পূৰ্ণ ৬ পৃষ্ঠাত

## ৰাইজমেলৰ সম্পাদনা সমিতি

**মুখ্য সম্পাদক ঃ** অখিল গগৈ

**সম্পাদক ঃ** কমল কুমাৰ মেধি

**সদস্য ঃ** মধুৰাম গগৈ, গীতাশ্ৰী তামুলী, ধৰ্মেশ্বৰ শইকীয়া, ৰাজু বৰা, ভবেন সন্দিকৈ, ডিম্বেশ্বৰ গগৈ।

OKDISCD

# কৃষক মুক্তিৰ ওপৰতেই নিৰ্ভৰ কৰিছে দেশ তথা জাতিৰ সুভৱিষ্যত

উদয়াদিত্য ভৰালী

শ্ৰেণী শোষণৰ পৰা মুক্ত সমাজ ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ লক্ষ্য উদ্দেশ্য আগত ৰাখি জাতি-সমস্যা আৰু কৃষক মুক্তি সম্পৰ্কে এতিয়ালৈকে যিমানবোৰ পুথি-পুস্তিকা ৰচিত হৈছে সেইবোৰৰ ৰচনাৰ ক্ষেত্ৰত বাটকটীয়া বুলিব পৰা এখন পুস্তিকা হ'ল— যোচেফ স্তেলিন ৰচিত 'মাৰ্ক্সবাদ আৰু জাতীয় প্ৰশ্ন'। সেই পুস্তিকাত কৃষক সমস্যা সম্পৰ্কে তেওঁ লিখিছিল ঃ "মূল কথা হ'ল, ৰাছিয়াৰ ৰাজনৈতিক জীৱনৰ হৃদপিণ্ড জাতি সমস্যা নহয়, কৃষি সমস্যাহে। সেয়ে ৰাছিয়াৰ ভৱিষ্যত আৰু লগতে ইয়াৰ জাতি তথা জাতিসত্তাসমূহৰ 'মুক্তি' নিৰ্ভৰ কৰিছে কৃষি সমস্যাৰ সমাধানৰ ওপৰতহে। ৰাছিয়াৰ জাতি সমস্যাবোৰ কি কাৰণে একো একোটা স্বয়ং সম্পূৰ্ণ সমস্যা নহয়, বৰং দেশ তথা জাতিৰ জনসাধাৰণৰ শোষণ মুক্তিৰ সামগ্ৰিক সমস্যাৰ এটা গুৰুত্বপূৰ্ণ অংশহে তাৰ উত্তৰ ইয়েই দিয়ে।"

'কৃষক মুক্তি সংগ্ৰাম সমিতি, অসম'ৰ মুখপত্ৰৰ প্ৰস্তাৱনা সংখ্যাত কিবা এটা লিখিবলৈ গৈ ৰাছিয়াৰ কৃষি সমস্যা সম্পৰ্কে স্তেলিনে দিয়া মতৰ উল্লেখ কৰা হৈছে একাধিক কাৰণত। ৰাছিয়া কাহানিও কোনো সাম্ৰাজ্যবাদী শক্তিৰ উপনিবেশ নাছিল। ৰুছ মহাবিপ্লৱৰ পূৰ্বেও ৰাছিয়া আছিল এখন স্বাধীন পুঁজিবাদী বিকাশেৰে সমৃদ্ধ হ'বলৈ আৰম্ভ কৰা দেশ। তাৰ বিপৰীতে ভাৰত তথা অসম আছিল ইংৰাজ সাম্ৰাজ্যবাদৰ উপনিবেশ। ১৯৪৭ চনত ঘটা ক্ষমতা হস্তান্তৰৰ ফলত দেশে যদিও ৰাজনৈতিক স্বাধীনতা লাভ কৰিছিল, কিন্তু ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ নেতৃত্বদায়ী শক্তিৰ মতাদৰ্শগত দুৰ্বলতাৰ বাবে দেশে অৰ্থনৈতিক স্বাধীনতা লাভ কৰিব নোৱাৰিলে আৰু আজিও পৰা নাই। বৰং সম্প্ৰতি সাম্ৰাজ্যবাদসৃষ্ট গোলকীয় অৰ্থনীতিৰ চেপাত পৰি অৰ্থনৈতিক সাৰ্বভৌমত্ব অধিক বিঘ্নিতহে হ'ব ধৰিছে। স্বাভাৱিকতেই এনে ইতিহাস সম্পন্ন ভাৰত তথা অসমৰ সৰ্বসাধাৰণ কৃষকসকলৰ সমস্যা তেনে ঔপনিবেশিক ইতিহাস নথকা ৰুছ মহাবিপ্লৱৰ পূৰ্বৰ ৰাছিয়াৰ সাধাৰণ কৃষকসকলৰ সমস্যাৰ তুলনাত মাথোন বহু বেছি গভীৰেই নহয় লগতে দেশৰ 'ৰাজনৈতিক হৃদপিণ্ড' হিচাপেও ভাৰত তথা অসমৰ বৰ্তমানৰ কৃষি সমস্যাৰ গুৰুত্ব অধিক।

আনহাতে স্তেলিনে সেই পুস্তিকাখন ৰচনা কৰিছিল ৰুছ বিপ্লৱ সংঘটিত হোৱাৰ প্ৰায় পাঁচ বছৰ পূৰ্বেই। যিবোৰ ত্ৰুটিৰ বাবে স্তালিন পিছলৈ সমালোচনাৰ পাত্ৰ হৈছিল সেইবোৰে তেতিয়াও দেখা দিয়া নাছিল। তদুপৰি স্তেলিনে মত আগবঢ়াইছিল শ্ৰেণী শোষণ বিৰোধী মতাদৰ্শক সাৰোগত কৰি, য'ত পুঁজিবাদী পণ্ডিতৰ দৰে শোষক শ্ৰেণীৰ স্বাৰ্থই স্থান পোৱাৰ অৱকাশ নাছিল। অনভিজ্ঞতা, তত্বৰ ভুল প্ৰয়োগ, গণতান্ত্ৰিকৰণত বিফলতা আৰু প্ৰতিকুল আন্তৰ্জাতিক পৰিস্থিতিৰ হেঁচা ইত্যাদিবোৰ কাৰণত যদিও ছোভিয়েট ব্যৱস্থাৰ পতন ঘটিল, কিন্তু বলচেভিক শক্তিয়ে যে ৰুছ মহাবিপ্লৱ সংঘটিত কৰি কৃষক মুক্তিক এক অভূতপূৰ্ব মাত্ৰা দিবলৈ সক্ষম হৈছিল সেইটো কালে মচিব নোৱাৰা ঐতিহাসিক সত্য। লগতে ইতিহাসে ইয়াকো সকীয়াইছে— বৰ্তমানে আমাৰ সমাজত কৃষক মুক্তি সংগ্ৰামত আগভাগ লোৱাসকলে এই ঐতিহাসিক অভিজ্ঞতাৰ পৰা উপযুক্ত শিক্ষা ল'বই লাগিব। এই দিশৰ মূল শিক্ষাটো হ'ল— বৰ্তমানৰ ভাৰত তথা অসমৰ সৰ্বসাধাৰণ ৰাইজৰ সুভৱিষ্যত প্ৰধানকৈ নিৰ্ভৰ কৰিছে— দেশ তথা অসমৰ কৃষক ৰাইজৰ সমস্যাৰ সমাধানৰ ওপৰত, কাৰণ তেওঁলোকেই দেশ তথা ৰাজ্যৰ নাগৰিক সমাজৰ গৰিষ্ঠ অংশটো আৰু তেওঁলোকৰ অতি বৃহৎ অংশটো শোষিত-বঞ্চিত।

এই বাস্তৱেই কৃষক মুক্তি সংগ্ৰাম সমিতি অসমৰ দৰে সংগঠনৰ গুৰুত্ব দেশ তথা অসমৰ জনগণৰ সুভৱিষ্যতৰ বাবে কিমান গভীৰ তাকো স্পষ্ট কৰি দিছে। নিকা গণতান্ত্ৰিক প্ৰমূল্য, নিৰ্ভেজাল দেশপ্ৰেম, উমাল ভাতৃত্ববোধ, আদৰ্শনিষ্ঠ গণ সংগ্ৰাম, আদৰ্শত অটল কিন্তু কৌশলত নমনীয়— এইবোৰৰ প্ৰতি সম্পূৰ্ণ শ্ৰদ্ধাশীল, আৰু দুৰ্নীতি, হঠকাৰী উগ্ৰতা, বৰ্ণন্ধতা, উগ্ৰ জাতীয়তা, সাম্প্ৰদায়িকতা তথা বৰ্ণবাদ, উগ্ৰ নৃগোষ্ঠীবাদ- ইত্যাদি কুপ্ৰৰণতাৰ আপোচহীন বিৰোধিতাই যে সংগ্ৰামৰ সফলতাৰ চাবি কাঠি তাক দোহাৰাৰ প্ৰয়োজন নাই। নিকা গণতান্ত্ৰিক দেশপ্ৰেমিক ঐক্যই সংগ্ৰামৰ মূল শক্তি। কৃষক মুক্তিৰ সংগ্ৰাম সফল হওক।

*(শ্ৰীযুত ভৰালী কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উপদেষ্টা)*

OKDISCD

# কৃষকৰ কেঁচা তেজেৰে মাটি বোকা হোৱা 'পাথৰিঘাট' অসমৰ জালিয়ানৱালাবাগ

**কেশৱ চন্দ্ৰ বৰুৱা**

অতীজৰে পৰা বৰ্তমানলৈকে দেশখনৰ অৰ্থনৈতিক বুনিয়াদ গঢ়োতা কৃষকসকলৰ অৰ্থনৈতিক মুক্তি সংগ্ৰামৰ এটা দীঘলীয়া ইতিহাস আছে। তেনেদৰেই কৃষক নিৰ্যাতনৰো একো একোটা ডাঙৰ অধ্যায় আছে। কিন্তু দুখৰ বিষয়ে এইবিলাক বিষয়ে পাঠকে জানিবৰ কাৰণে বৰ্তমানত আমাৰ শ্ৰমবিমুখ সমাজখনৰ যেন কাৰো সময় আৰু আগ্ৰহো নাই। লিখক-সাহিত্যিক-সাংবাদিকসকলৰো এই দৰিদ্ৰ কৃষক সকলৰ আত্মহত্যাৰ কাহিনী দৃষ্টি নপৰা দুখৰ কথা। এই কথাটো মৰ্মে মৰ্মে অনুভৱ কৰিছিলো ১৯৮০ চনতেই হাবি-জংঘলেৰে আৱৰা ১৪০ জন হিন্দু-মুছলমান কৃষকৰ এটি গণ কবৰৰ ওচৰত থিয় হৈ পাথৰিঘাটত।

ভাৰতীয় জনতাৰ প্ৰথম বিদ্ৰোহৰূপে চিহ্নিত ১৮৫৭ চনৰ 'চিপাহী বিদ্ৰোহ' দমন কৰোতে বৃটিছ চৰকাৰৰ বিস্তৰ অৰ্থনৈতিক ক্ষতি হৈছিল। এই ক্ষতি পূৰণ কৰিবৰ কাৰণে চৰকাৰে দেশৰ জনসাধাৰণ বিশেষকৈ কৃষকসকলৰ ওপৰত মাটিৰ খাজনা বৃদ্ধি কৰি আৰু বলপূৰ্বক খাজনা আদায় কৰি কৃষক শ্ৰেণীক জুৰুলা কৰি পেলাইছিল। ১৮৪১ চনত দৰঙৰ কৃষকে হালখনে প্ৰতি ৩.০০টকাকৈ নাঙল কৰ দিছিল। ১৮৪২ চনত যেতিয়া নতুনকৈ মাটি পিয়ল কৰি বস্তি, ৰূপীত, ফিৰিঙ্গতি আদি শ্ৰেণী কৰি খাজনা বৃদ্ধি কৰিলে, কৃষকৰ গভীৰ অসন্তুষ্টি হৈছিল। ৰূপীতৰ পুৰাত ১.৫০ টকা, বাকী দুবিধত পুৰাত ১.০০ টকাকৈ খাজনা দিবলৈ কৃষক বাধ্য কৰোৱা হ'ল। ১৮৩২/৩৩ চনত দৰঙৰ খাজনা আদায় হৈছিল ৪১,৫০৬.০০ টকা, তাৰ দহ বছৰৰ পাছত ১৮৪২/৪৩ চনত খাজনা হয়গৈ ১,৩৫,৪৫৪.০০ টকা। তাৰপাছত দহবছৰ বছৰে বাঢ়ি গৈ ১৮৬২/৬৩ চনত হয়গৈ ৭,৪৩,৬৮৯.০০ টকা।

কৃষক ৰাইজ অতিষ্ঠ হৈ ১৮৬৮ চনত পথৰুঘাটত প্ৰথমবাৰ বিদ্ৰোহ আৰম্ভ কৰিছিল। চৰকাৰে কঠোৰ হাতেৰে দমন কৰাত কৃষকসকলৰ বিদ্ৰোহ উমি উমি জ্বলি থাকিল। পুনৰ চৰকাৰে পিয়ল কৰি খাজনা বৃদ্ধিৰ আয়োজন কৰাৰ সময়তে দুখীয়া কৃষকসকলে 'ৰাইজ মেল' পাতি মাটিৰ বৰ্দ্ধিত খাজনা নিদিয়াৰ ঠিৰাং কৰিলে। এইদৰে খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰিছিল লাচিমা, হাদিয়া, বঙ্গিয়া, উপৰ বৰভাগ, বৰক্ষেত্ৰী আৰু সৰুক্ষেত্ৰী আদি আজিও সৰু গাঁও হৈ থকা ঠাইবিলাকত। এইদৰে দৰং জিলাৰ গাঁওবিলাকতো 'ৰাইজ মেল' পাতি কৃষকে মাটিৰ খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰিছিল। পথৰুঘাটৰ তহবিলদাৰ ভবানী চৰণ ভট্টাচাৰ্যৰ পৰা উপায়ুক্ত আৰু মহকুমাধিপতিয়ে খবৰ পাইছিল যে পথৰুঘাটৰ কৃষকে বৰ্দ্ধিত খাজনা নিদিয়ে। এই বিষয়ে চৰকাৰৰ ওচৰত প্ৰতিবাদো কৰা হৈছিল। তাৰ পাছত আহিছিল অসমৰ তথা ভাৰতৰ কৃষক বিপ্লৱৰ বুৰঞ্জীৰ সেই কলংকিত দিনটো— ১৮৯৪ চনৰ ২৮ জানুৱাৰী। সেই দুৰ্ভগীয়া দিনটোত উপায়ুক্ত জে ডি এণ্ডাৰচনে অঞ্চলটোৰ কৃষকক খাজনা বৃদ্ধিৰ যুক্তি-যুক্ততা সম্পৰ্কে বুজাবলৈ লগত মহকুমাধিপতি ৰেচমন্, পুলিচ চাহাব লে বেৰিংটন সহ ১২ জন সশস্ত্ৰ চিপাহী লৈ পাথৰিঘাটলৈ আহিছিল।

পাথৰিঘাটত সমবেত হৈ থকা অঞ্চলটোৰ প্ৰায় ৪/৫ হেজাৰ কৃষকে হৰিধ্বনি আৰু আল্লাহু আকবৰ ধ্বনিৰে চাহাবক সম্বৰ্দ্ধনা জনালে। লগতে উপস্থিত উপায়ুক্ত আৰু মহকুমাধিপতিক বৰ্দ্ধিত হাৰত খাজনা আদায় নিদিয়াৰ কথাও জনাই দিলে।

কিন্তু জিলা উপায়ুক্তই কৃষকৰ প্ৰতিবাদক গণ্য নকৰি বৰ্দ্ধিত হাৰত খাজনা আদায় কৰিবই বুলি ভাবুকি প্ৰদান কৰাত সমবেত ৰাইজ উত্তেজিত হৈ পৰিল। উত্তেজিত জনতাই চাহাবক বেৰি ধৰিবলৈ যত্ন কৰাত উপায়ুক্ত জে ডি এণ্ডাৰচনৰ নিৰ্দেশত পুলিচ-চাহাব লেঃ বেৰিংটনে পুলিচ বাহিনীক গুলী চালনাৰ নিৰ্দেশ দিলে জনতাৰ ওপৰত।

'দলি পুৰাণ'ত এই গুলীচালনাক বৰ্ণনা এনেদৰে

OKDISCD

দিছে—

'প্ৰলয় কালত যেন সৃষ্টিক নাশিলা।
সেইমতে পথৰুঘাটত প্ৰজাক বধিলা।।
প্ৰথমতে শিশু-মৰিল গলত পৰি গুলী।
ৰাইজসকল লৰ মাৰেই ধাওৱা দিলা বুলি।।
প্ৰাণহৰি মৰি গেল বুকুত পৰি গুলী।
ৰাইজসকল লৰ মাৰেই ধাওৱা দিলা বুলি।। ইত্যাদি।

চৰকাৰী ৰিপোৰ্ট মতে মাত্ৰ ১৫ জন মৃত আৰু ৩৫ জনহে আহত হোৱা বুলি কোৱা হৈছিল। কিন্তু এই তথ্য যে সম্পূৰ্ণ অসত্যৰ ওপৰত প্ৰতিষ্ঠিত পৰৱৰ্তী সময়তহে প্ৰমাণ পোৱা যায়। প্ৰকৃততে সেই বৰ্বৰোচিত গুলীচালনাত ১৪০ জন বিভিন্ন জনগোষ্ঠীৰ কৃষকে প্ৰাণ ত্যাগ কৰে আৰু ২০০ জন জখম হৈ মঙ্গলদৈ চৰকাৰী চিকিৎসালয়ত চিকিৎসাধীন হ'ব লগা হয়।

এই মৃত ১৪০ জন কৃষকৰ ভিতৰত বৰ্তমানলৈকে ৬৫ জনৰ নাম উদ্ধাৰ কৰিব পৰা হৈছে। এই মৃত কৃষকসকলক চোঁচৰাই নি পাথৰিঘাটত এখন পথাৰত দ গাঁত এটাত একেলগে সমাধিস্থ কৰা হ'ল। দুখৰ কথা সেই হিন্দু-মুছলমান কৃষকৰ গণ সমাধি আজিও হাবি-জংঘলেৰে ভৰি আছে।

মৃতকসকলৰ ভিতৰত কৃষকসকল হৈছে — দোমহু শৰ্মা, বৰলিকিৰা শেখ, প্ৰাণহৰি শৰ্মা, কাটা শেখ, বকুল কোঁচ, বাগৰু কোঁচ, শিলেই কুচিয়া বুঢ়া, আধিয়া কোঁচ, শিশুৰাম, লয়ণু কোঁচ, ৰঙা শালৈ, জুৰণ কোঁচ, সৰু বাপু বেজ, ৰাতিমল, হলিৰাম, ভাটিৰাই গাঁওবুঢ়া, তপধন ডেকা, বোধৰু কোঁচ, কিনাৰাম, শম্ভু কোঁচ, এজন ভিকহু, বকুল কোঁচ, দিলৌ কোঁচ, ফজিল শেখ, আলিম শেখ, ভেবা শেখ, ধগাব দিয়া, সঞ্জয় কলিতা, সৎৰাম বৰদলৈ, অদিয়া কেওত, ধনঞ্জয় কালিয়া, তৰক চন্দ্ৰ ডেকা, চোলোং বৰুৱা, মিহিৰাম হাইদিয়া, লোটেন খোৱা, ধনীৰাম, ৰঞ্জিৎ শালৈ, সাধিৰাম, ৰংমন মেনা, বৰা মেনা, কালি ৰায়, বিহুৰাম শালৈ, চুৰমণি ডেকা, হৰি ডেকা, জয়ধন মণ্ডল, উমা মণ্ডল, সৎৰাম মণ্ডল, কমলা, বাণেশ্বৰ দলৈ, মানিক ডেকা, ৰঙা সোলং, লয়ন কোঁচ, প্ৰদীপ ৰায়, ধাতুসুৰী, পথৰু হিৰা, ধৰ্ম পাণ্ডা, চন্দন শৰ্মা, পুনু শৰ্মা, বাহু কেওত, তুনি কেওত, অনন মেৰা, সভাৰাম বৰদলৈ আৰু খাহী কিনিবলৈ অহা দুজন বাটৰুৱা। স্থানীয় কমিটিৰ যত্নত এই ৬৫ জনৰ নাম উদ্ধাৰ হৈছে।

সেই অঞ্চলৰ শ্ৰদ্ধাভাজন ব্যক্তি দীনেশ্বৰ শৰ্মাদেৱে 'পথৰুঘাটৰ ৰণ' নামৰ মাত্ৰ ২৬ পৃষ্ঠাৰ এখনি পুস্তিকা ১৯৫৭ চনত প্ৰথম তাঙৰণ প্ৰকাশ কৰে। সৰু অথচ এই ঐতিহাসিক দলিল স্বৰূপ পুথিখন ১৯৪৭ চনতেই সংগ্ৰহ কৰি প্ৰস্তুত কৰিছিল যদিও ১৯৫৭ চনতহে প্ৰথম প্ৰকাশ হয়। স্থানীয় বয়োবৃদ্ধ কৃষক আনন্দ দাসৰ মতে ধ্বজৰাই আলি (ফন্দী) নামৰ লোকজনে এই কলিপুৰাণৰ গীত বিলাক সংগ্ৰহ কৰিছিল আৰু দীনেশ্বৰ শৰ্মাক পুথিখন প্ৰস্তুত কৰোতে কনক চন্দ্ৰ শৰ্মাই গীতখিনি আনি শৰ্মাদেৱক দিয়েহি। কথিত আছে যে নৰোত্তম দাস নামৰ এজন গীতিকাৰে এই ঘটনাটোৰ ওপৰত দুখলগা অথচ হুবহু চিত্ৰ এখন এই গীতসমূহৰ যোগেদি প্ৰকাশ কৰি ৰচনা কৰি অঞ্চলটোৰ বিয়া-সবাহ আদিত সুৰ লগাই গাই ফুৰিছিল। এই গীতসমূহ এনেদৰেই মুখে মুখে চলি আহিছিল। শৰ্মাদেৱৰ অশেষ কষ্টত 'পথৰুঘাটৰ ৰণ' নামৰ ঐতিহাসিক পুথিখনে পাথৰিঘাটৰ স্মৃতিক সজীৱ কৰাত নিশ্চয় সহায় কৰিলে।

১৯৮০ চনলৈকে পাথৰিঘটৰ এই ছহিদ সকলৰ কাৰণে স্থানীয় হাইস্কুল খেলপথাৰৰ এটা ছহিদ স্তম্ভৰ বাদে বিশেষ একো কৰা নহ'ল। ১৯৮১ চনত আকস্মিক ভাবেহে স্থানীয় শিক্ষক আনন্দ দাসৰ উদ্যোগত দ্বীজেন বৰা আৰু আমাৰ সহযোগত এখনি কথাছবি প্ৰদৰ্শনেৰে আনন্দ দাস আৰু আব্দুল গণিয়ে স্তম্ভটোৰ আগত দুগচি চাকি জ্বলাই এই 'কৃষক ছহিদ দিৱস' অনানুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। তাৰ পাছৰ বছৰৰ ১৯৮১ চনতহে মঙলদৈ জিলা কৃষক সভাৰ সৌজন্যত পাথৰি ঘাট হাইস্কুল প্ৰাংগনত আনুষ্ঠানিকভাৱে এই দিৱস পালন কৰা হয়। সভাপতি, আনন্দ দাস সম্পাদক আৰু থানেশ্বৰ ডেকা, ললিত বৰা, যুঃ সঃ সম্পাদক আছিল।

সাংবাদিক গিৰীশ শৰ্মাদেৱ, তৰুণ আজাদ ডেকা আদিয়ে পাথৰিঘাটৰ ৰণৰ বিষয়ে অসমৰ ৰাইজক অৱগত কৰাত অগ্ৰণী ভূমিকা লৈছিল। নাট্যকাৰ দেৱেশ শৰ্মাৰ 'পথৰুঘাটে বিঙিয়াই' নামৰ দূৰদৰ্শনৰ ধাৰাবাহিকখনেও অৱশ্যে অসমৰ ৰাইজক পাথৰিঘাটৰ ৰণৰ বিষয়ে, এই

ঐতিহাসিক অসমৰ কৃষক ছহিদ সকলৰ আত্মত্যাগৰ কাহিনীটো অৱগত কৰোৱাত অগ্ৰণী ভূমিকা পালন কৰিছিল। তেখেতৰ '১৮৯৪' নামৰ ঐতিহাসিক নাটকখনে অসমৰ বাহিৰতো সুনাম অৰ্জন কৰি পুৰস্কাৰ পাই সমগ্ৰ দেশতো প্ৰচাৰৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল।

এই কৃষক নিৰ্যাতন বৰ্তমানো অব্যাহত আছে। শ্ৰী মোলান লস্কৰ আৰু শ্ৰী অখিল গগৈৰ নেতৃত্বত 'কৃষক মুক্তি সংগ্ৰাম সমিতি'য়ে এই কথা অসমৰ ৰাইজক উদঙাই দেখুৱাই দিছে। কৃষকৰ সমস্যাক লৈ বিধানসভা আৰু লোকসভাতো বিশদভাৱে আলোচনা কৰি সমস্যা সমাধানৰ ধাৰাবাহিক প্ৰক্ৰিয়া এটাৰ বাবে সদায়েই সময়ৰ অভাৱ হৈ আহিছে। বৃহৎ বৃহৎ নদী বান্ধেৰে অসমৰ দুৰ্যোগ অনাৰ কাৰণে ধনৰ অভাৱ নাই কিন্তু কৃষকৰ কাৰণে অৰ্থনৈতিক লাভৰ উৎস আটাইকেইটা বন্ধ চেনীকল, সুতাকল খুলি দি শীতল ভৰাল নিৰ্মাণ, খেতি পথাৰত পানী যোগানৰ কাৰণে চৰকাৰৰ ধনৰ অভাৱ। এই দিশত মন্ত্ৰী, বিধায়কৰ চৰকাৰী আৰু বিৰোধীৰো সন্তাৱ আৰু কাণষাৰ নাই। কৃষক উন্নয়নৰ কাৰণে গঠিত উন্নয়নমুখী বিভাগবিলাকো স্থবিৰ হৈ পৰিছে। ইয়াৰ পৰিৱৰ্তনৰ কাৰণে কৃষকেই সংগ্ৰাম কৰিব লাগিব।

এই কৃষক ছহিদ দিৱসত অসমৰ প্ৰতিজন কৃষকেই এই ছহিদ কৃষকসকলৰ পাথৰি ঘাট বোকা কৰা তেজৰ প্ৰতি সন্মান জনোৱাৰ উপৰিও অংগীকাৰবদ্ধ হ'ব লাগিব। আমি সকলো একত্ৰিত হৈ 'বিভেদ পৰি হৰি নিজ হাতে শ্ৰম কৰি' কৃষক শক্তিক সদা জাগ্ৰত কৰি ৰাখিম। আমাৰ আদৰ্শ গাঁও নিৰ্মাণ কৰোতা আৰু কৰ্ম সংস্কৃতিৰে অসমক জাগৃত কৰা মোমাই তামুলী বৰবৰুৱাৰ যুগটোক পুনৰ ঘূৰাই আনিম। আমি সকলো এক নতুন কৃষক বিদ্ৰোহৰ বাবে সাজু হ'ম।

*(লেখক শ্ৰীযুত বৰুৱা প্ৰাক্তন কৃষি উপসঞ্চালক আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ এজন উপদেষ্টা)*

*২ পৃষ্ঠাৰ পৰা*

## বুনিয়াদী নীতি আৰু কৰ্মসূচী

বিৰোধী, প্ৰকৃত ধৰ্মনিৰপেক্ষ। কোনো সদস্যই কোনো-জাতি ধৰ্মক অস্পৃশ্য জ্ঞান নকৰিব।

০.৩) নাৰী মৰ্যাদাক উৰ্দ্ধত তুলি ধৰিব।

০.৪) সাম্ৰাজ্যবাদ, সামন্তবাদ, পুঁজিবাদ বিৰোধী প্ৰকৃত গণতান্ত্ৰিক, নতুন ধৰণৰ ৰাইজৰ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ প্ৰচেষ্টা।

০.৫) খাটিখোৱাসকলৰ লগত সমিতিৰ সদস্যসকলৰ সহযোগিতাৰ মনোভাব (প্ৰতিযোগিতামূলক নহয়)।

০.৬) সকলো শোষণ, বঞ্চনা, অন্যায়ৰ বিৰুদ্ধে সদা সংগ্ৰামী মানসিকতা।

০.৭) কোনো সংসদীয় দলৰ লেমটৌৰ ভূমিকা পালন কৰিব নোৱাৰিব।

০.৮) সংসদীয় ৰাজনীতিয়ে ৰাইজৰ সকলো সমস্যা (বিশেষকৈ মৌলিক সমস্যাসমূহ) সমাধান কৰিব নোৱাৰে, সংগ্ৰামী ৰাজনীতিক শোষণমুক্তিৰ প্ৰকৃত পথ বুলি মানি ল'ব লাগিব।

০.৯) ক্ৰমে ক্ৰমে ৰাষ্ট্ৰ শক্তিৰ বিৰুদ্ধে ৰাইজৰ শক্তি বৃদ্ধি কৰি নিপীড়িত ৰাইজৰ শাসনৰ ফালে আগুৱাই নিয়াৰ প্ৰতি দায়বদ্ধ হ'ব। এককথাত, ঐতিহাসিক বস্তুবাদী দৰ্শনেৰে নতুন গণতান্ত্ৰিক সমাজৰ মাজেদি এখনি সমাজতান্ত্ৰিক সমাজ গঠনৰ লক্ষ্য আগত ৰাখি আগবাঢ়িব।

শত্ৰু শক্তিৰ বিৰুদ্ধে সংগ্ৰাম গঢ়ি তোলাৰ লগতে নিজৰ সংগঠনৰ ভিতৰত প্ৰকৃত সংগ্ৰামী মানসিকতাৰ বিৰুদ্ধে দেখা দিয়া সকলো উপসৰ্গক বিনাশ কৰিবলৈ আন্তঃসংগ্ৰাম গঢ়ি তুলিব। বিশেষকৈ সংশোধনবাদ, উদাৰতাবাদ, আমোলাতান্ত্ৰিক, সংগ্ৰামবিমুখ মানসিকতাৰ বিৰুদ্ধে কাম কৰিব। সংগঠনৰ ভিতৰত প্ৰকৃত সংগ্ৰামী ৰাইজৰ দৰ্শন প্ৰতিফলিত হোৱাৰ বিৰুদ্ধে কোনো শক্তি বা মানসিকতাৰ জন্ম হোৱা দেখিলেই জাগ্ৰত প্ৰহৰীৰ দৰে তাক মষিমূৰ কৰিব লাগিব।

(খ) **লক্ষ্য ঃ** সকলো মানুহৰ সমমৰ্যাদা, সমঅধিকাৰ আৰু সমবিকাশেই আমাৰ লক্ষ্য। সকলো মানুহৰ সৰ্বতোমুখী বিকাশ য'ত সম্ভৱ, তেনে এখন সমাজ প্ৰতিষ্ঠাৰ বাবেই আমাৰএই সংগ্ৰাম। সকলো মানুহ পূৰ্ণ মানৱ (Total Man) ৰূপে বিকশিত হোৱাৰ সুযোগ থকা সমাজ এখনৰ চৰম লক্ষ্য আগত ৰাখি আমি আগবাঢ়ি যাম।

*৭ পৃষ্ঠাত*

OKDISCD

(গ) উদ্দেশ্য আৰু কৰ্মসূচী ঃ

অসমৰ জাতীয় সমস্যা মানে খেতিয়কৰ সমস্যা। অসমৰ খেতিয়কৰ সমস্যা মানে ভূমি আৰু সম্পদৰ অধিকাৰৰ সমস্যা। সেয়ে কৃষক আন্দোলন মানে কৃষকৰ ভূমি অধিকাৰ সাব্যস্তকৰণৰ সংগ্ৰাম। প্ৰকৃত কৃষকৰ হাতলৈ ভূমিস্বত্ব কাঢ়ি অনাটোৱে হ'ল আমাৰ সংগ্ৰামৰ প্ৰধান উদ্দেশ্য।

**(অ) এক আধুনিক ভূমিসংস্কাৰ আন্দোলন গঢ়ি তোলাটোৱেই আমাৰ সংগ্ৰামৰ প্ৰধান উদ্দেশ্য ঃ**

০.১) অসমৰ ভূমিহীন, দৰিদ্ৰ কৃষক আৰু বান-খহনীয়া উদ্বাস্তু প্ৰতিটো পৰিয়ালক অন্ততঃ ১২ বিঘাকৈ মাটি দিয়া। এইক্ষেত্ৰত পতিত মাটি, চৰ-চাপৰি উদ্ধাৰ কৰা; অনুপস্থিত মাটি গিৰিৰ মাটি আৰু চাহ বাগানৰ বেদখলী ভূমি বাজেয়াপ্ত কৰা; সত্ৰকে ধৰি ধৰ্মীয় অনুষ্ঠানৰ মাটি শিষ্যৰ মাজত সন্তুলিতভাৱে বিতৰণ কৰিব লাগে।

০.২) অসমৰ থলুৱা লোকক দখলীভূমিৰ স্বত্ব প্ৰদান। বনাঞ্চল, পতিত মাটি, চৰকাৰী মাটি, চিলিং উদ্বৃত্ত, বৃহৎ কোম্পানীৰ দখলীভূমি, গ্ৰেজিং মাটি (পি জি আৰ, ভি জি আৰ আদি)ত দীৰ্ঘদিন ধৰি বসবাস কৰি থকা কৃষকৰ ভূমিৰ পট্টাৰ ব্যৱস্থা কৰা। পট্টাত পুৰুষ-মহিলাৰ সমানাধিকাৰ।

০.৩) বান-খহনীয়া সমস্যাৰ স্থায়ী সমাধান, ক্ষতি ভূমিৰ উন্নয়ন সাধন কৰা। নদীয়ে এৰা মাটি এক বৈজ্ঞানিক সূত্ৰৰে খহনীয়াপীড়িত কৃষকৰ মাজত বিতৰণ।

০.৪) প্ৰতিডৰা পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা।

০.৫) আন্তঃৰাজ্যিক সীমা সমস্যাৰ স্থায়ী সমাধান কৰি সীমান্ত এলেকাৰ জমিদাৰীতন্ত্ৰ নিঃশেষ কৰি, থলুৱা লোকক ভূমিপট্টা প্ৰদান কৰা।

০.৬) কৃষক উচ্ছেদৰ বিৰোধিতা কৰা।

০.৭) ঔপনিবেশিক **'অসম ভূমি আৰু ৰাজহ অধিনিয়ম ১৮৮৬'** বিলোপ ঘটাই এখন জনস্বাৰ্থৰক্ষাকাৰী, গণতান্ত্ৰিক, দেশপ্ৰেমিক, জাতীয়, প্ৰগতিশীল ভূমি আইন তৈয়াৰ কৰাৰ বাবে যুঁজ দিয়া।

০.৮) কৃষি ভূমি অন্যক্ষেত্ৰলৈ হস্তান্তৰ বন্ধ কৰা। ভূ-ভাগৰ ক্ষয়-ক্ষতি ৰোধ কৰা।

**অসমীয়া জাতিৰ বৰ্তমান বিশ্ব ব্যৱস্থাত কিছুদূৰ উন্নতিৰ বাবেও ভূমিসংস্কাৰ আৰু জলসিঞ্চন ব্যৱস্থাৰ কোনো বিকল্প নাই।**

**(আ) ৰাজ্যখনৰ সম্পদৰ ওপৰত অসমবাসী ৰাইজৰ প্ৰকৃত অধিকাৰ প্ৰতিষ্ঠা কৰা ঃ**

০.৯) পানী, বায়ু, পোহৰ আদিৰ ওপৰত ৰাষ্ট্ৰৰ সকলো খবৰদাৰী বন্ধ কৰি এই জীৱনদায়ী সম্পদসমূহক সদায়ে ৰাজহুৱা সম্পদ (Community wealth) ৰূপে সুৰক্ষা দিয়া।

০.১০) খাৰুৱা তেল, কয়লা, চাহপাত, চূণশিল, বনাঞ্চল আদি সম্পদৰ ওপৰত অসমবাসীৰ প্ৰকৃত অধিকাৰ কায়েম কৰা। বৰ্তমানৰ ৰাজহ ব্যৱস্থা ৰাজ্যবাসীৰ স্বাৰ্থত পৰিবৰ্তন কৰা।

০.১১) ব্ৰহ্মপুত্ৰত ভূকম্পন জৰীপ তথা তেল খনন বন্ধ কৰা।

০.১২) নদী সংযোগৰ বিৰোধিতা কৰা। নদীক প্ৰাকৃতিকভাৱে বৈ যোৱাত বাধা নিদিয়া।

০.১৩) বৃহৎ নদী বান্ধ প্ৰকল্পৰ বিৰোধিতা কৰা আৰু ক্ষুদ্ৰ প্ৰকল্পৰ নিয়ন্ত্ৰণ ৰাজ্য চৰকাৰলৈ অনা।

০.১৪) পাহাৰ কটা বন্ধ কৰা আৰু নদীগৰ্ভৰ পৰা ব'ল্ডাৰ উঠোৱা নিষিদ্ধ কৰা।

০.১৫) খাল, বিল, নদী আদিৰ মহল ব্যৱস্থা উঠাই লৈ জনগণৰ বাবে মুকলি কৰি দিয়া। প্ৰাকৃতিক পৰিবেশৰ প্ৰতি নজৰ ৰাখি থলুৱা মাছ উৎপাদন বৃদ্ধিৰ আঁচনি।

**(ই) থলুৱা প্ৰকৃত কৃষকৰ হাতত মাটিৰ স্বত্ব কায়েম কৰা ঃ**

০.১৬) অসমৰ সমুদায় মাটিৰ এক বিজ্ঞানসন্মত জৰীপ কৰি থলুৱা প্ৰকৃত কৃষকৰ হাতত সন্তুলিতভাৱে মাটিৰ স্বত্ব প্ৰদান।

০.১৭) বিদেশী শক্তি তথা দেশী-বিদেশী কোম্পানীৰ হাতৰ পৰা থলুৱা কৃষকৰ ভূমি ৰক্ষা কৰা।

০.১৮) ক্ষুদ্ৰ চাহ খেতিয়কক ত্ৰিশ বিঘা পৰ্যন্ত মাটি পট্টা দিয়া। তেওঁলোকৰ কেঁচা পাতৰ এক ন্যূনতম সমৰ্থন মূল্য চৰকাৰীভাৱে ঘোষণা কৰা।

০.১৯) চৰ অঞ্চলৰ থলুৱা কৃষকক মাটিৰ পট্টা দিয়া।

০.২০) নগৰৰ কাষৰ কৃষিভূমি ৰিয়েল ইষ্টেট ব্যৱসায়ত পৰিৱৰ্ত্তনত প্ৰতিৰোধ।

০.২১) বিশেষ অৰ্থনৈতিক মণ্ডল (SEZ)ৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম।

০.২২) বান-গৰাখহনীয়া, খৰাঙৰ স্থায়ী সমাধান নোহোৱা

OKDISCD

পৰ্যন্ত খাদ্যশস্য তথা সা-সম্পত্তিৰ বীমাকৰণ। খাদ্য নিৰাপত্তাৰ বাবে নিৰ্দিষ্ট উন্নয়ন-জীৱননিৰ্বাহৰ আৰ্হি গঠন কৰি কাৰ্যকৰী কৰা।

০.২৩) প্ৰাক্তন চাহ শ্ৰমিকক বাগিছা কৰ্তৃপক্ষই নিজে মাটি দি সংস্থাপিত কৰাৰ বাবে বাধ্য কৰোৱা।

**(ঈ) ব্যক্তিগতকৰণ, উদাৰীকৰণ আৰু সাম্ৰাজ্যবাদী গোলকীকৰণৰ বিৰোধিতা কৰা ঃ**

০.২৩) বিশ্ব বেংককে ধৰি অন্যান্য বিদেশী পুঁজিৰ ঋণ গ্ৰহণৰ ক্ষেত্ৰত ৰাজহুৱা অভিমত গ্ৰহণৰ ব্যৱস্থা কৰা। বৃহৎ কোম্পানীক মাটি দিয়াৰ পূৰ্বে ৰাজহুৱা শুনানীৰ ব্যৱস্থা কৰা।

০.২৪) বিদেশী বহুজাতিক কোম্পানী সমূহে থলুৱা সম্পদৰ ওপৰত লগাব বিচৰা পেটেন্টৰ বিৰোধ কৰা। এই ক্ষেত্ৰত সকলো বনৌষধিৰ ওপৰত অসমবাসীৰ অধিকাৰ সুৰক্ষিত কৰা।

০.২৫) কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ মাজত হোৱা গণবিৰোধী অৰ্থনৈতিক বুজাবুজিৰ চুক্তি (MoU) বাতিল কৰি নিযুক্তি মুকলি কৰা।

**(উ) পৰিৱেশ আন্দোলন ঃ**

০.২৬) কৃষি সমবায়ৰ আদৰ্শক ব্যাপকতৰ কৰি কৃষকৰ মাজত পৰিৱেশ অনুকূল কৃষি কাৰ্যক উৎসাহিত কৰা।

০.২৭) প্ৰকৃতি, পৰিৱেশ আৰু পৰিস্থিতিতন্ত্ৰ সুৰক্ষাৰ প্ৰতি সদা সজাগ মনোভাব। গছ-গছনি, জীৱ-জন্তুৰ সুৰক্ষাত মনোযোগ দিয়া।

০.২৮) গোলকীয় জলবায়ু পৰিৱৰ্তনৰ প্ৰতি সচেতন হোৱা। যি পুঁজিবাদী উৎপাদনী ব্যৱস্থাই বিশ্বৰ জলবায়ু পৰিৱৰ্তনত অৰিহণা যোগায় তাৰ বিৰুদ্ধে আৰু এক পৰিৱেশ সন্তুলিত সমাজবাদী উৎপাদন ব্যৱস্থাৰ সপক্ষে সংগ্ৰাম গঢ়ি তোলা।

০.২৯) থলুৱা বীজ, থলুৱা প্ৰযুক্তি আৰু থলুৱা সাৰ ব্যৱহাৰক নিশ্চিত কৰা। হাইব্ৰীড আৰু ৰাসায়নিক সাৰ, কীটনাশক ঔষধ আদিৰ পাৰ্শ্বক্ৰিয়াৰ বিৰুদ্ধে সচেতনতা গঢ়ি তোলা। থলুৱা সম্প্ৰদায়ৰ সম্পদ, জ্ঞানৰ পেটেন্ট সুৰক্ষিত কৰা।

০.৩০) থলুৱা বীজৰ এক আদৰ্শ কৃষিপাম গঢ়ি ভৱিষ্যতৰ বাবে সুৰক্ষিত কৰা। প্ৰতিখন গাঁৱতে এনে পাম তথা ভঁৰাল নিৰ্মাণত উৎসাহিত কৰা।

০.৩১) মোমাই তামুলী বৰবৰুৱাই স্থাপন কৰা বাৰীৰ আৰ্হিত অসমৰ কৃষক পৰিয়ালৰ আদৰ্শ বাৰী প্ৰতিষ্ঠা কৰা।

০.৩২) বন্যপ্ৰাণী আৰু মানুহৰ মাজৰ সংঘাত প্ৰশমনৰ বাবে বাস্তৱসন্মত ব্যৱস্থা লোৱা। হাতী, বান্দৰ আদিৰ পৰা কৃষকৰ শস্য ৰক্ষা কৰা।

**প্ৰকৃত অৰ্থত প্ৰতিজন আধুনিক কৃষক আন্দোলনৰ কৰ্মীয়েই পৰিৱেশ কৰ্মীও। পৰিৱেশ চেতনা সামাজিক চেতনাৰ অংশ কৰি লোৱাটো প্ৰয়োজনীয় হৈ পৰিছে।**

**(ঊ) দুৰ্নীতি বিৰোধী অভিযান ঃ**

০.৩৩) 'তথ্যৰ অধিকাৰ আইন'ক ব্যৱহাৰিকভাৱে স্বীকৃতি দি সকলো তথ্য জ্ঞাত কৰাৰ ব্যৱস্থা কৰা। **ইয়াৰ বাবে এখন শাখা সমিতি থাকিব।**

০.৩৪) ৰাজহুৱা বিতৰণ ব্যৱস্থা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, কৃষি, স্বাস্থ্য, জলসিঞ্চন আদি বিভাগৰ দুৰ্নীতিৰ বিৰুদ্ধে সৰ্বাত্মক প্ৰতিৰোধ গঢ়ি তোলা। ৰাজহুৱা বিতৰণ ব্যৱস্থাক সাৰ্বজনীন কৰি, সকলো দৰিদ্ৰ পৰিয়াললৈ অন্তোদয়া, বি পি এল কাৰ্ডৰ ব্যৱস্থা কৰি মূল্যবৃদ্ধি ৰোধ কৰা।

০.৩৫) কৃষি শ্ৰমিকৰ বাবে উপযুক্ত মজুৰী আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰা। পুৰুষ-মহিলা শ্ৰমিকৰ মজুৰী সমান কৰা। মহিলা কৃষি শ্ৰমিকক গৰ্ভাৱস্থাত পুষ্টি চিকিৎসা আৰু মজুৰী প্ৰাপ্তিৰ ব্যৱস্থা কৰা। বৃদ্ধ পেঞ্চন, আই চি ডি এছ, অংগনবাদী আদিত দেখা দিয়া দুৰ্নীতি ৰোধ কৰা।

০.৩৬) এনৰেগাৰ অধীনত প্ৰতিটো পৰিয়ালক জবকাৰ্ড দিয়া, কমেও ১০০ দিনৰ কাম নিশ্চিত কৰা আৰু কামসমূহ দুৰ্নীতিমুক্ত কৰা। এই কামত ঠিকাদাৰিত্ব নিৰ্মূল কৰা। গাঁওসভা সমূহক কাৰ্যক্ষম কৰা। অৰ্থাৎ এন্‌ৰেগাৰ পূৰ্ণ ৰূপায়ণ কৰা।

**(ঋ) উত্তৰ-পূৰ্বাঞ্চলক, বিশেষকৈ অসমক, আত্মনিৰ্ভৰশীল জৈৱিক ৰাজ্য ৰূপে গঢ়ি তোলা ঃ**

০.৩৭) খৰাং অঞ্চলক বিশেষ অঞ্চল ৰূপে ঘোষণা কৰি ভূমি উন্নয়নৰ ব্যৱস্থা কৰা।

০.৩৮) কৃষকৰ উৎপাদিত ফচলৰ মূল্যমান নিৰূপণ কৰি উপযুক্ত মূল্য পোৱাটো নিশ্চিত কৰা। উত্তৰ-পূৰ্বাঞ্চলৰ খাদ্য-শস্য, বিশেষকৈ ধান চৰকাৰীভাৱে কিনাটো নিশ্চিত কৰা আৰু ইয়াৰ নূন্যতম সমৰ্থন মূল্য ঘোষণাৰ বাবে যুঁজ দিয়া।

০.৩৯) সাঁচি (অগৰু) ক নগদ শস্যৰূপে ঘোষণা কৰি তাৰ ন্যূনতম সমৰ্থন মূল্য ঘোষণা কৰা। এৰি-মুগা টকৌ পাত, কমলা, মাটি কঠাল, বাঁহ-বেত, ফুল (অৰ্কিডসহ), কঠাল, জালুক, ইল্যাচি, আদা আদি খেতিৰ উন্নতিৰ বাবে বিশেষ আঁচনি গ্ৰহণ।

০.৪০) মূল্যবৃদ্ধিৰ বিৰোধিতা কৰা। ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS)ক আৰু ব্যাপক কৰি, সাৰ্বজনীন কৰি, প্ৰকৃত দুখীয়া প্ৰত্যেকটো পৰিয়ালৰ বাবে ৰেহাই মূল্যত খাদ্যদ্ৰব্য যোগান ধৰি মূল্যবৃদ্ধি প্ৰতিৰোধৰ বাবে যুঁজ দিয়া। মানুহৰ পুষ্টিৰ প্ৰয়োজনীয় সকলো বস্তুকে এই ব্যৱস্থাৰ অন্তৰ্ভূক্ত কৰি বিতৰণৰ ব্যৱস্থা কৰা।

০.৪১) আদাৰ বাবে ডিহাইড্ৰেচন কেন্দ্ৰ গঠন, ফলমূল সংৰক্ষণ আৰু প্ৰচেছিং কেন্দ্ৰ স্থাপন আৰু কৃষিভিত্তিক অন্যান্য উদ্যোগ স্থাপন।

০.৪২) মেলেৰীয়া, ডায়েৰীয়া, গ্ৰহণী আদিৰ প্ৰতিৰোধৰ বাবে সংগ্ৰাম গঢ়ি তোলা। বিশুদ্ধ খোৱাপানী, বিজুলী যোগান নিশ্চিত কৰা।

**(এ) অসমৰ বিদেশী সমস্যাৰ স্থায়ী সমাধান কৰা।**

**কৃষক-শ্ৰমিক মুক্তি সংগ্ৰাম সমিতিৰ কৰ্মসূচী ঃ**

০.৪৩) চাহবাগানৰ বস্তি/লাইনৰ মাটিৰ পট্টা তাত বসবাস কৰি থকা চাহ শ্ৰমিকৰ পৰিয়ালক দিয়া।

০.৪৪) দ মাটি, হোলা মাটিত খেতি কৰি থকা শ্ৰমিক পৰিয়ালকে মাটিৰ পট্টা দিয়া।

০.৪৫) শ্ৰমিকৰ দৈনিক হাজিৰা কমেও ২০০ টকা কৰা।

০.৪৬) দেওবৰীয়া মজুৰী দিয়া।

০.৪৭) অৱসৰৰ এমাহৰ ভিতৰতে প্ৰভিডেণ্ট ফাণ্ড আৰু পেঞ্চনৰ টকা দিয়াৰ ব্যৱস্থা কৰা। পি. এফৰ টকা মালিক পক্ষৰ পৰাও আদায় কৰা।

০.৪৮) শ্ৰমিক পৰিয়ালৰ চিকিৎসাৰ সম্পূৰ্ণ খৰচ বাগান কৰ্তৃপক্ষই বহন কৰা।

০.৪৯) প্ৰাক্তন চাহ শ্ৰমিকৰ ভোগ-দখলী মাটিৰ পট্টা দিয়া

০.৫০) মালিকক বাগানৰ মাটি বিক্ৰী বা অন্য উদ্দেশ্যত মাটি ব্যৱহাৰ কৰা বন্ধ কৰোৱা। বাগানৰ মাটিৰ প্ৰকৃত মালিক শ্ৰমিক ৰূপে প্ৰতিষ্ঠা কৰা।

০.৫১) অসমৰ চাহ শ্ৰমিকক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা।

**(৩) সাংগঠনিক নীতি আৰু গঠনতন্ত্ৰ ঃ** সংগ্ৰাম সমিতিৰ প্ৰকৃত সদস্যসকল ৰাইজৰ সেৱক। ৰাইজৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ আৰু ৰাইজৰ লগত নিজক একাত্ম কৰিবলৈ অনবৰতে যত্নবান হ'ব। ৰাইজৰ পৰা শিকা কথাখিনি, নিজৰ দ্বন্দ্বাত্মক বস্তুবাদী দৰ্শন, অভিজ্ঞতা আৰু পঢ়া-শুনাৰ মাজেদি আয়ত্ব কৰি পুনৰ ৰাইজক শিক্ষিত কৰাৰ প্ৰবল আগ্ৰহেৰে আগবাঢ়িব। ক'বলৈ গ'লে, সংগ্ৰামীসকল একেসময়তে ছাত্ৰও শিক্ষকো; শিকিবও শিকাবও। সংগ্ৰামীসকলে নিজৰ মাজত সতীৰ্থমূলক সম্বন্ধ গঢ়ি তুলিব, মহিলা সতীৰ্থৰ প্ৰতি সন্মানপূৰ্বক দৃষ্টিভংগী ৰাখিব আৰু নিজৰ আপোন ভাই - ককাই, বাই-ভনীৰ দৰে ব্যৱহাৰ কৰিব। এই ক্ষেত্ৰত অনবৰতে সমালোচনা-আত্মসমালোচনাৰ জীৱিত পৰম্পৰা এটা ৰক্ষা কৰি চলিব।

(এই বুনিয়াদী নীতি আৰু কৰ্মসূচীৰ বিষয়ে সমালোচনাত্মক লেখা 'ৰাইজ মেল'ত আগ্ৰহেৰে প্ৰকাশ কৰা হ'ব— সম্পাদক, ৰাইজমেল)

OKDISCD

# পথৰুঘাটৰ ৰণ ঃ ইতিহাস চৰ্চা আৰু ঔপনিবেশিক সমল

ড° অৰূপজ্যোতি শইকীয়া

১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখে মঙ্গলদৈ চহৰৰ পৰা প্ৰায় বাৰ কিলোমিটাৰ নিলগৰ পথৰুঘাটত বৃটিছ ঔপনিবেশিক প্ৰশাসন আৰু স্থানীয় (?) ৰায়তৰ মাজত সংঘটিত হোৱা সংঘৰ্ষত কেইবাগৰাকী লোক নিহত হয় আৰু বহুলোক আহত হয়। সংগঠিত ৰায়তৰ আপত্তিৰ মূল কাৰণ আছিল নতুনকৈ নিৰ্দ্ধাৰিত হোৱা ভূমি বন্দবস্তি আৰু বৰ্দ্ধিত ৰাজহ। ২৮ জানুৱাৰীৰ ঘটনাই তাৎক্ষণিকভাৱে বৃটিছ ঔপনিবেশিক প্ৰশাসনিক মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। গোটেই ঘটনাটোক 'প্ৰশাসনিক বিফলতা' ৰূপে স্বীকাৰ কৰি ইয়াৰ প্ৰতিক্ৰিয়াৰূপে ভূমি বন্দৱস্তিকৰণ বিভাগৰ সঞ্চালক হেনৰী দাৱাৰ স্থলাভিষিক্ত কৰা হ'ল অসম প্ৰশাসনৰ এজন সুদক্ষ বিষয়া এডৱাৰ্ড গেইটক। সেইদৰে দৰঙৰ তেতিয়াৰ জিলাধিপতি এণ্ডাৰচনক বংগলৈ বদলি কৰা হ'ল। পথৰুঘাটত নতুনকৈ আৰক্ষী চকী স্থাপন কৰা হ'ল। পথৰুঘাটৰ তহচিলদাৰ ভবানীচৰণ ভট্টাচাৰ্যক চৰকাৰে অকামিলা বুলি দায়ী কৰিলে আৰু স্থানীয় ৰায়ত কেইজনমানক দোষী সাব্যস্ত কৰি দণ্ড বিহিলে। ঘটনা সিমানতে শাম নাকাটিল। নতুন শতিকাৰ প্ৰথম দশকতে আকৌ যেতিয়া ভূমি বন্দৱস্তিৰ সময় আহিল তেতিয়া প্ৰশাসনীয় বিষয়াসকলে পথৰুঘাটৰ ঘটনাৰ পুনৰাবৃত্তি যাতে নহয় তাৰ বাবে সতৰ্ক হৈ থাকিবলৈ বাধ্য হৈছিল। ইতিমধ্যে বি. চি. এলেনৰ ঔপনিবেশিক ভাৰতৰ সুবৃহৎ ঐতিহাসিক-নৃতাত্বিক বৃত্তান্তৰ অন্তৰ্গত এটা খণ্ড Assam District Gazettere, Darrang (১৯০৫) ত পথৰুঘাটৰ কাহিনীয়ে অতীত ৰোমন্থন ৰূপে স্থান পাইছিল।

পথৰুঘাটৰ ৰাইজেও ঘটনাটো পাহৰি নগ'ল। 'পাথৌঘাটৰ ধেৰা' বা 'পথৰুঘাটৰ ৰণ'ৰ কাহিনীক অৱলম্বন কৰি এক জটিল সামাজিক-সাংস্কৃতিক প্ৰক্ৰিয়াৰ জৰিয়তে জন্ম হ'ল এক মৌলিক কাহিনীৰ। এই কাহিনীক পৰৱৰ্তী কালত 'দলি পুৰাণ' বুলি সকলোৰে জনা হ'ল। লাহে-ধীৰে এই কাহিনী ভাৰতীয় স্বাধীনতা আন্দোলনৰ ছত্ৰছায়াত মঙ্গলদৈৰ ৰাজনৈতিক-সাংস্কৃতিক পৰিমণ্ডলৰ ভিতৰুৱা হৈ পৰিল। তেতিয়াৰ এক প্ৰভাৱশালী সামাজিক-সাংস্কৃতিক অনুষ্ঠান অসম সাহিত্য সভাৰ ১৯৩৪ চনৰ মঙ্গলদৈ অধিবেশনত স্থানীয় বিদ্বান ব্যক্তি দীনেশ্বৰ শৰ্মাই (১৮৯৪-১৯৭৫) প্ৰকাশ কৰিলে 'মঙলদৈ' নামৰ সৰু গ্ৰন্থখন। ইয়া তে কিছু তথ্য লিখিত আকাৰত প্ৰকাশ কৰি শৰ্মাই পথৰুঘাটৰ ইতিহাস চৰ্চাৰ পাতনি মেলে। ইয়াৰো কিছুবছৰ পিছত ১৯৪৮ চনত পঢ়াশলীয়া ছাত্ৰ প্ৰসন্ন কুমাৰ শৰ্মাই 'দলি পুৰাণ' পাঠ ছপা আকাৰে প্ৰকাশ কৰি উলিওৱাৰ লগে লগে 'পথৰুঘাট' চৰ্চাই নতুন ৰূপ পালে।

স্বাধীনোত্তৰ কালত পেছাগত আৰু অপেছাদাৰী এই দুয়োধৰণৰ ইতিহাস চৰ্চাই এক বিশেষ 'পথৰুঘাটৰ চৰ্চা'ৰ জন্ম দিলে। পেছাগত অনুসন্ধানৰ পাতনি মেলিছিল কেশৱ নাৰায়ণ দত্তই তেওঁৰ 'Landmarks of the Freedom Struggle in Assam' (১৯৫৮) নামৰ গ্ৰন্থখনত। দত্ত ডাঙৰীয়াৰ অধ্যয়নৰ মূল বিষয় আছিল অসমৰ স্বাধীনতা সংগ্ৰামত ১৮৯৩-৯৪ চনৰ ৰাইজমেলৰ অৰিহণা। পৰৱৰ্তী কালত হেৰম্ব কুমাৰ বৰপূজাৰী, অমলেন্দু গুহ, হীৰেন গোঁহাই, ৰমেশ চন্দ্ৰ কলিতা, মনোৰমা শৰ্মা আৰু ৰাজেন শইকীয়াৰ গুৰুত্বপূৰ্ণ আলোচনাত ১৮৯৩-৯৪ চনৰ কৃষক বিক্ষোভে সুকীয়া মাত্ৰা লাভ কৰিলে। স্থানীয় স্মৰণিকা আৰু পত্ৰিকা আদিতো এই বিষয়ে চৰ্চা হ'ল যদিও 'পথৰুঘাট' সম্পৰ্কীয় নতুন তথ্যপাতি কাচিৎহে পোহৰলৈ আহিল। সাংস্কৃতিক মাধ্যমৰ জৰিয়তেও পথৰুঘাটৰ কাহিনীয়ে জনমানসত গভীৰ প্ৰভাৱ পেলালে। লক্ষ্মীনাৰায়ণ কোঁৱৰৰ 'পথৰুঘাটৰ ৰণ' (১৯৭৩), নাট্যকাৰ দেৰেশ শৰ্মাৰ '১৮৯৪' (১৯৮৪), পৰমানন্দ ৰাজবংশীৰ 'নাঙল, মাটি আৰু মানুহ' (১৯৮৭); ৰাজেন ৰাজখোৱা পৰিচালিত 'পথৰুঘাটে ৰিঙিয়াই' (১৯৯৩) আৰু

OKDISCD

পৰমানন্দ ৰাজবংশী পৰিচালিত 'অনল' (২০০১) নামৰ কথাছবি ইত্যাদিয়ে এই সময়ছোৱাত পথৰুঘাটক এক সফল ৰাষ্ট্ৰ নিৰ্মাণৰ কাহিনীলৈ ৰূপান্তৰ কৰাৰ লগতে অসমৰ ইতিহাস চেতনাতো ইয়াৰ স্থান নিগাজী কৰি তুলিলে। ১৯৯৪ চনত শতবৰ্ষ গৰকাৰ সময়ৰ পৰা পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ কাহিনী নাটকীয়ভাৱে ৰাষ্ট্ৰ নিৰ্মাণৰ এক মূল উপাদানো হৈ পৰিল। নক'লেও হ'ব যে বিভিন্ন ৰাজনৈতিক দল আৰু অনুষ্ঠানে সেই সময়ৰ পৰাই বছৰি পথৰুঘাটৰ শ্বহীদ দিৱস জাকজমকতাৰে পালন কৰাটো এক অপৰিহাৰ্য ঘটনালৈ পৰিবৰ্তন হ'ল।

এই সুদীৰ্ঘ পৰিক্ৰমাই পথৰুঘাটৰ ৰণৰ কাহিনীক এক অতি কথালৈ ৰূপান্তৰিত কৰিলে। কৃষকৰ সংঘবদ্ধ বিক্ষোভৰ কাহিনী এসময়ত অসমীয়া জাতিৰ শৌৰ্য-বীৰ্যৰ কাহিনীৰূপে স্বীকৃতি পালে। ইতিহাস চৰ্চা আৰু অতি কথা দুয়োটা মিলি পথৰুঘাট চৰ্চাৰ ভাৰখন মেটমৰা বুলি ক'লে ভুল হয়তো নহয়। ইতিহাসৰ সকলো ছাত্ৰকে তিনিটা বিশেষ কথাই পথৰুঘাট সম্পৰ্কে কৌতুহল সদায় সজীৱ কৰি ৰখা সম্ভৱ। প্ৰথম হ'ল, পথৰুঘাট সম্পৰ্কে ইমান ব্যাপক হাৰত লিখিত সমল মজুত আছিল যে ই যিকোনো ইতিহাসৰ গৱেষকৰ কাৰণে অপ্ৰত্যাশিত বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। যাৰ ফলত পথৰুঘাট ৰণৰ যি আৰ্থ-সামাজিক ইতিহাস তাৰ পুংখাণুপুংখ অনুসন্ধান এতিয়াও হোৱা নাই। উদাহৰণ স্বৰূপে পথৰুঘাট চৰ্চাই সেই অঞ্চলটোৰ ৰায়ত অথবা মাটিগিৰিসকলনো কোন আছিল ইত্যাদি প্ৰশ্নৰ উত্তৰ আমাক দিব পৰা নাই। সেইদৰে নতুন ভূমি আৰু ৰাজহ বন্দৱস্তিয়ে মঙ্গলদৈ অঞ্চলৰ কোনবোৰ পৰিয়ালক বিশেষকৈ ক্ষতি কৰিছিল সেই প্ৰশ্নৰ উত্তৰো এতিয়াৰ আলোচনাত একেবাৰে চালুকীয়া হৈ আছে। 'পথৰুঘাটৰ ৰণ' চৰ্চাত বিশেষ আলোকপাত কৰিব পৰা সমলক আমি দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰো ঃ এহাতেদি ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ ঘটনাৰ দিনাৰ লগত প্ৰত্যক্ষভাৱে জড়িত থকা লিখিত আহিলাপাতিবোৰ, আৰু আনহাতেদি বিংশ শতাব্দীত এই ঘটনাক ৰোমন্থন কৰিবলৈ গৈ প্ৰস্তুত কৰা বিভিন্ন ঐতিহাসিক প্ৰবন্ধ, বিভিন্ন সাংস্কৃতিক মাধ্যম ইত্যাদি। প্ৰথমবিধ সমলৰ মূল নায়ক ঔপনিবেশিক প্ৰশাসক হ'লেও তাৰ গুৰুত্ব উলাই কৰিব নোৱাৰো। দ্বিতীয় দিশটো হ'ল, কোনো অস্বাভাৱিক বঢ়া-টুটা নোহোৱাকৈ পথৰুঘাটৰ কাহিনীয়ে অসমৰ আধুনিক ইতিহাস কল্পনাৰ জগতখনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। স্বাধীনোত্তৰ অসমৰ ইতিহাস চেতনা আৰু ৰাজনৈতিক পৰম্পৰাত পথৰুঘাটৰ কাহিনীয়ে যি প্ৰভাৱ বিস্তাৰ কৰিছে, এতিয়াও পথৰুঘাটৰ আলোচনাত তাৰ গুৰুত্ব কমা নাই। যিদৰে লাচিত বৰফুকনৰ কাহিনীয়ে অসমীয়া জাতীয়তাবাদৰ ইতিহাসক প্ৰেৰণা যোগাবলৈ সক্ষম ঠিক তাৰ সমান্তৰালভাৱেই 'পথৰুঘাট'ৰ কাহিনীৰো গুৰুত্ব। সেইদৰে পথৰুঘাটৰ ৰণৰ ইতিহাস চৰ্চাৰ আহিলাপাতিয়ে মৌখিক আৰু সাংস্কৃতিক ইতিহাস চৰ্চাৰ যি মৌলিক সম্ভাৱনা উপস্থাপন কৰিছে তাকো এতিয়ালৈকে উলাই কৰি থকা হৈছে। পৰৱৰ্তী ইতিহাসবিদসকলে ঔপনিবেশিক প্ৰশাসন আৰু ৰায়তৰ মাজৰ চিন্তা আৰু কল্পনাৰ দ্বন্দ্বক যথোপযুক্ত গুৰুত্ব নিদিলে। তলৰ লিখাখিনিত প্ৰথম কাৰণটোৰ পৰিচয়সূচক কিছু গুৰুত্বপূৰ্ণ আহিলাপাতিৰ লগত পাঠকক পৰিচয় কৰি দিব বিচাৰিছো, যিবোৰৰ সাৱধানী অধ্যয়নে অন্ততঃ পথৰুঘাটৰ কাহিনীৰ এক নিৰ্মোহ ব্যাখ্যা প্ৰস্তুত কৰাত সহায় কৰিব।

২৮ জানুৱাৰীৰ ঘটনাৰ প্ৰথম প্ৰত্যক্ষদৰ্শী বৰ্ণনা পোৱা যায় সেইদিনাৰ ঘটনাৰ এজন গুৰুত্বপূৰ্ণ সাক্ষী আৰু দৰঙৰ পুলিচ অধীক্ষক বেৰিংটনে ঘটনাৰ দিনা সন্ধিয়ালৈ প্ৰস্তুত কৰা নিজস্ব ডায়েৰীৰ পৰা। 'কেচ্ ডায়েৰী' বুলি অভিহিত কৰিব পৰা বেৰিংটনৰ বৰ্ণনাই ঔপনিবেশিক প্ৰশাসনীয় দৃষ্টিভংগী প্ৰকাশ কৰিছে যদিও ঘটনাৰ সিদিনাৰ সামগ্ৰিক তাৎপৰ্য্য বুজাত ইয়াৰ গুৰুত্ব অপৰিসীম। বৰ বেছি গুণাগথা নকৰাকৈ প্ৰস্তুত কৰা বেৰিংটনৰ বক্তব্য আছিল ঃ

the crowd being in overwhelming numbers, I asked and obtained permission from the Deputy Commissioner to open fire. This didnot deter the crowd for an instant, who continued to press my men so closely that I call[ed] them to gether and retired, firing

OKDISCD

to the *bund* to the Mangaldai road... unless we had fired when we did, the detachment would have been swept away.

ঘটনাৰ আন এজন প্ৰধান প্ৰত্যক্ষদৰ্শী আছিল জে. ডি. এণ্ডাৰচন। পৰৱৰ্তী কালত বৌদ্ধিক ব্যুৎপত্তিৰ বাবে সুখ্যাতি লাভ কৰা এণ্ডাৰচনে ঘটনাৰ বৰ্ণনা প্ৰস্তুত কৰিছিল ৩০ জানুৱাৰী তাৰিখে। অৰ্থাৎ ঘটনা ঘটি যোৱাৰ এদিনৰ পিছত। নি:সন্দেহে বহু ভাবি-চিন্তি ঔপনিবেশিক প্ৰশাসনক সকলো দিশৰ পৰা সুৰক্ষা দিব পৰাকৈ এণ্ডাৰচন তেতিয়াৈলে মানসিকভাৱে প্ৰস্তুত হৈছিল। সিদিনাৰ ঘটনাৰ সমৰ্থনত তেওঁ বক্তব্য ৰাখিলে এনেদৰে ঃ

...It was now apparent, however, that the crowd was too large and too strong for this mode of procedure...

এণ্ডৰচনৰ বক্তব্যই সামগ্ৰিকভাৱে বেৰিংটনৰ বৰ্ণনাকে পুনৰ প্ৰতিষ্ঠিত কৰিলে যদিও এই বৰ্ণনাই ঘটনাক আৰু বিস্তৃত মাত্ৰা প্ৰদান কৰিলে। বেৰিংটন আৰু এণ্ডাৰচনৰ সুৰতে বক্তব্য ৰাখিলে অসম উপত্যকাৰ আয়ুক্ত গড়্‌ফে নামৰ বিষয়াজনে। অসমৰ মুখ্য সচিবলৈ প্ৰেৰণ কৰা এক বৰ্ণনাত গড়্‌ফেই ২৮ জানুৱাৰীৰ 'ৰণ'ত কিমানজন ৰায়ত নিহত হ'ল সেই বিষয়েও এক সুচিন্তিত 'সিদ্ধান্ত' ল'লে, যি 'সংখ্যা'ই ইতিমধ্যে নিহত লোকৰ সংখ্যাক লৈ সৃষ্টি হোৱা বিতৰ্কৰ ওৰ পেলাই পৰৱৰ্তী কালত পথৰুঘাটৰ ৰণত পৰা লোকৰ সংখ্যাৰ এক সুস্থিৰ ৰূপ দিলে।

এই সু-বিস্তৃত বৰ্ণনাৰ লগতে আছে নথিপত্ৰৰ টোকাসমূহ যিবোৰে পথৰুঘাটৰ ৰণে অসম প্ৰশাসনত সৃষ্টি কৰা নানা আহুকলীয়া সমস্যা স্পষ্টভাৱে দাঙি ধৰাই নহয় সিদিনাৰ ঘটনাৰ সঠিক বৰ্ণনা দিব পাৰে। সেইদৰে পথৰুঘাটৰ ঘটনাৰ সামগ্ৰিক তাৎপৰ্য্য বুজিবৰ বাবে কামৰূপ জিলাৰ তদানীন্তন উপায়ুক্ত মেকাবে নামৰ বিষয়াজনে প্ৰস্তুত কৰা কেইবাটাও টোকা অতি গুৰুত্বপূৰ্ণ। একেদৰে, পথৰুঘাটৰ আগুণা শ্বেইখ নামৰ আধিয়াৰ এজনক ঘটনাৰ মূল দোষী সাব্যস্ত কৰি ছমাহৰ কাৰাদণ্ড বিহা হৈছিল অন্য পাঁচজন ব্যক্তিৰ লগত। এই মোকৰ্দমাৰ মূল নথিপত্ৰ এতিয়াও পাব পৰা নাই যদিও মোকৰ্দমাৰ সাৰাংশখিনি সঠিকভাৱে সংৰক্ষিত হৈ থকাত আদালতী বক্তব্য অনুধাৱন কৰিবলৈ অসুবিধা নহয়। সেইদৰে বৃটিছ ঔপনিবেশিক প্ৰশাসনৰ সৰ্বোচ্চ মহলত পথৰুঘাট ৰণৰ কাহিনীয়ে ফেব্ৰুৱাৰী মাহৰ পৰাই প্ৰতিক্ৰিয়া কৰিবলৈ ধৰে। এই বিষয়ৰ সকলোধৰণৰ নথিপত্ৰ বৃটিছ পুথিভঁৰালৰ অন্তৰ্গত এছিয়া আৰু আফ্ৰিকা সংগ্ৰহত সংৰক্ষিত হৈ আছে। উদাহৰণ স্বৰূপে আমি ভাৰতৰ তেতিয়াৰ ভাইচৰয় আৰু লণ্ডন সচিবৰ মাজৰ টেলিগ্ৰাম আৰু চিঠিপত্ৰখিনিৰ কথা ক'ব পাৰো।

অন্যান্য ভাৰতীয় বাতৰি কাকতৰ দৰে লণ্ডনৰ পৰা প্ৰকাশিত বাতৰি কাকত 'দ্যা টাইমচ্'তো পথৰুঘাটৰ ৰণৰ খবৰে স্থান পালে। এই বাতৰি প্ৰকাশ পালে ৩ ফেব্ৰুৱাৰী তাৰিখে। দুদিন পাছত প্ৰকাশ পোৱা কলিকতাৰ সংবাদদাতাই পঠোৱা আন এক বাতৰিত পথৰুঘাটৰ ঘটনাৰ মূল গুৰুত্ব বুজিবলৈ প্ৰয়াস কৰা হ'ল। মন কৰিবলগীয়া যে এই দুয়োটা বাতৰিত নিহত লোকৰ সংখ্যাৰ কোনো সামঞ্জস্য নাছিল। মাহচেৰেক পিছত দ্যা টাইমচে হাউচ অৱ কমন্সত সাংসদ এইচ. ফাউলাৰে এই সংক্ৰান্তত দিয়া বক্তব্যও প্ৰকাশ কৰিলে।

১৮৯৩-৯৪ চনৰ কৃষক বিক্ষোভৰ মূল কাৰক আছিল নতুন ভূমি ৰাজহ আৰু বন্দৱস্তি প্ৰক্ৰিয়া। এই বন্দৱস্তিৰ দ্বাৰা চহৰ আৰু গাঁৱৰ দুয়োধৰণৰ ভূমি সাঙুৰি লোৱা হৈছিল। যাৰ ফলত ইয়াৰ প্ৰতিবাদ কৰাত সাধাৰণ ৰায়তৰ উপৰিও অসমৰ মধ্যশ্ৰেণীৰ ভূমিকাও আছিল গুৰুত্বপূৰ্ণ, যিয়ে ৰাজহৰ নতুন হাৰ নিৰূপণ কৰাত নিৰ্ণায়ক ভূমিকা লৈছিল। এনেধৰণৰ আপত্তি সম্বলিত স্মাৰক পত্ৰবোৰক আমি তিনি ভাগত বিভক্ত কৰিব পাৰো ঃ ৰায়ত-কৃষকক প্ৰতিনিধিত্ব কৰি অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ লোকে দিয়া দৰখাস্তবোৰ, চাহবাগানৰ মালিকসকলক প্ৰতিনিধিত্ব কৰি দিয়া স্মাৰকপত্ৰ আৰু নামনি অসমৰ লিপিখেৰাজ মাটিৰ মালিকসকলে দিয়া আবেদনবোৰ। ইয়াৰ উপৰিও ৰায়তসকলেও নিজাকৈ আপত্তি জনাই আবেদন দিছিল যিবোৰে এতিয়ালৈকে মোৰ দৃষ্টিগোচৰ হোৱা নাই যদিও সিবিলাকৰ মূল সাৰাংশ

প্ৰশাসনৰ মূল নথিত সন্নিবিষ্ট হৈছে। অতি গুৰুত্বসহকাৰে প্ৰশাসনীয় স্তৰত ব্যাপকভাৱে আলোচিত হোৱা এখন স্মাৰকপত্ৰ আহিছিল ভাৰতীয় চাহ সন্থাৰ অসম শাখাৰ সভাপতিৰ পৰা। ১৮৯২ চনৰ ৫ নৱেম্বৰ তাৰিখে দিয়া এই স্মাৰকপত্ৰখনৰ প্ৰতিটো দিশ অসম প্ৰশাসনে তন্ন তন্নকৈ আলোচনা কৰিছিল। ভূমি বন্দৱস্তি সম্পৰ্কীয় দাৱাৰ মূল প্ৰতিবেদনখনৰ কেতবোৰ সিদ্ধান্ত এই স্মাৰকপত্ৰৰ দ্বাৰা যে বাৰুকৈয়ে প্ৰভাৱিত হৈছিল তাত কোনো সন্দেহ নাই। চাহ মালিকসকলৰ মূল বক্তব্য তলৰ পৰাই বুজিব পৰা যায় ঃ

The Committee wish to record that they ask for no exclusive privileges. They are willing to throw in their lot with the raiyats, who are even less able themselves to bear any further taxation, and on whom the Bengal coolie is in a great measure dependent for support.

সেইদৰে উল্লেখিত প্ৰথম ভাগৰ আবেদনৰ ভিতৰত ১৮৯২ চনৰ ডিচেম্বৰ মাহত যোৰহাট সাৰ্বজনিক সভাই দিয়া সুদীৰ্ঘ স্মাৰকপত্ৰখন নি:সন্দেহে গুৰুত্বপূৰ্ণ। এই আবেদনখনত ভাৰতীয় চাহ সন্থাৰ অসম শাখাৰ লগত একমত পোষণ কৰি সভাই মুখ্য সচিবক ৰাজহ বৃদ্ধি নকৰিবলৈ আবেদন জনাইছিল। তেজপুৰ আৰু নগাঁৱৰ 'ৰায়ত এচোচিয়েচন'ৰ স্মাৰক পত্ৰও এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ।

অসম প্ৰশাসনৰ পৰা সদ্য অৱসৰপ্ৰাপ্ত সুদক্ষ বিষয়া গুণাভিৰাম বৰুৱাৰ মন্তব্য প্ৰশাসনৰ কাৰণে খুবেই গুৰুত্বপূৰ্ণ আছিল। গুণাভিৰামে কলিকতাৰ পুৰণি বৈঠকখানাৰ পৰা ১৮৯২ চনৰ ৫ নৱেম্বৰ তাৰিখে এখন স্মাৰক পত্ৰ পঠিয়াইছিল। আবেদন পত্ৰৰ সুৰ আৰু যুক্তি যিকোনো গৱেষকৰ কাৰণেই বিচাৰ্য। নতুন ভূমি বন্দৱস্তি প্ৰক্ৰিয়া আৰু ৰায়তৰ অৱস্থা সম্পৰ্কে নিজৰ অভিমত দি গুণাভিৰামে এইদৰে লিখিছিল ঃ

The notification about the re-settlement allows only a short time people to understand the objects and reasons of Government for sub-classifying the lands and enhancing the revenue accordingly. There is no periodical organ in the province that might discuss this all important subject, and help Government, by communicating the object and reasons to re-assess the lands to the raiyats and also to the Government to know the views of the raiyats. It the raiyats are barred by time on the expiry of the date fixed, I think the time is too short for people to approach the Government with their objections or suggestions.

প্ৰশাসনৰ ভূমি বন্দৱস্তি সম্পৰ্কীয় ব্যৱস্থাপনাৰ লগত সাঙোৰ খাই পৰিছিল মূলত: নামনি অসমৰ নিস্পিখেৰাজদাৰসকলৰ বিভিন্ন সা-সুবিধাবোৰ। ১৮৯৩-৯৪ চনৰ কৃষক বিক্ষোভৰ ইতিহাস চৰ্চাত এই দিশটো প্ৰায় উপেক্ষিত হৈ আছে বুলি ক'লে অত্যুক্তি কৰা নহ'ব। নিস্পিখেৰাজদাৰসকলে ভোগ কৰি অহা সা-সুবিধা কৰ্তন কৰা প্ৰক্ৰিয়া আৰম্ভ হৈছিল ১৮৭০-অৰ দশকতে আৰু ই গুৰুতৰ ৰূপ ধাৰণ কৰিছিল '৮০-ৰ দশকৰ শেষলৈ। বিভিন্ন সময়ত নিস্পিখেৰাজদাৰসকলে অসম প্ৰশাসনৰ ওচৰত ইয়াৰ বিৰুদ্ধে প্ৰতিবাদো সাব্যস্ত কৰিছিল। ১৮৯২ চনৰ ভূমি ৰাজহ বন্দৱস্তিৰ সময়তে কামৰূপ জিলাৰ নিস্পিখেৰাজদাৰসকলৰ আপত্তি সম্বলিত - সম্ভৱত: দৰঙৰ নিস্পিখেৰাজদাৰসকলো ইয়াৰ অন্তৰ্ভুক্ত আছিল- এখন নথি বৃটিছ পুথিভঁৰালৰ এছিয়া আৰু আফ্ৰিকা সংগ্ৰহত সংৰক্ষিত হৈ আছে। এই স্মাৰক পত্ৰখনত কামৰূপ জিলাৰ নিস্পিখেৰাজদাৰসকলৰ হৈ গুৱাহাটী নিবাসী বাবু বেণুধৰ বৰুৱাই স্বাক্ষৰ কৰিছিল। ১৮৯৩ চনৰ ১৫ আগষ্ট তাৰিখে স্বাক্ষৰিত এই আবেদনখনত বিভিন্ন সা-সুবিধাৰ পৰা তেওঁলোকক বঞ্চিত কৰাৰ বিৰুদ্ধে চৰকাৰৰ ওচৰত আপত্তি জনোৱা হৈছিল। পতিত মাটিত ৰাজহ আৰোপ কৰাৰ প্ৰতিবাদ জনাই স্মাৰক পত্ৰখনত উল্লেখ কৰা হৈছিল—

That the imposition of the local rates at the rate of three annas in the rupee

has been already a heavy burden on the nisf-khirajdars, it cannot therefore be questioned that the intended assessment of wasteland will operate as a great hardship to the nisf-khirajdars, as they will have to pay this amount of revenue and the local rates thereon from which they get. Infact, as they already pay two-thirds of local rates from their own pocket, this fresh imposition will further curtail their profit, and in many cases the nisf-khirajdars will get very small, if any, profit from their estate and their estates will be nisf-khiraj only in name.

এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে তেতিয়াৰ প্ৰভাৱশালী দুখন অসমীয়া সাহিত্য পত্ৰিকা 'বিজুলী' আৰু 'জোনাকী'তো ১৮৯২ চনৰ ভূমি বন্দৰস্তি প্ৰক্ৰিয়াৰ প্ৰতিবাদত প্ৰবন্ধ প্ৰকাশ পাইছিল। উদাহৰণস্বৰূপে, বিজুলী পত্ৰিকাৰ সম্পাদক পদ্মনাথ গোঁহাঞি বৰুৱাই 'অসমত ৰাজহৰ নতুন নিয়ম' নামেৰে এটি সুদীৰ্ঘ আলোচনা আগবঢ়াইছিল। 'আসাম গেজেট'ত ১৮৯২ চনৰ ২ অক্টোবৰত নতুন খাজনা নিৰ্ধাৰণৰ বিষয়ে চৰকাৰী বিজ্ঞাপন প্ৰকাশ হোৱাৰ পিছতে এই লিখা প্ৰকাশ পাইছিল। বৰুৱাই লিখিছিল ঃ

"নিতান্ত আৰু নি:সহায়, নিৰুপায়, দুখীয়া অসমীয়া প্ৰজাই খবৰটি পাই কিছুপৰ তপত তেলত জিয়া মাছৰ দৰে ধৰফৰাই নিৰ্জীৱ হ'ব, আজি বাজে কাইলৈ ৰজাৰ নিয়ম কাৰ্য্যত লগোৱা হ'ব। তেতিয়া নো হোজা, নিচলা অসমীয়া প্ৰজাবিলাকৰ কি বিলাই হ'ব তালৈ কিন্তু আমাৰ গৱৰ্ণমেণ্টে বিশেষ চকু দিয়া নাই। নহ'লে তলতীয়া জনচাৰেক দেশী বা বিদেশী বিষয়াৰ দুটা কথা শুনিয়েই বা গৱৰ্ণমেণ্টৰ ৰিপোৰ্ট আদি চায়েই নিচেই দুখীয়া ৰায়তৰ ওপৰত এনে অসম্ভৱী বজ্ৰপাত নেপেলালেহেঁতেন। ...অসমীয়া প্ৰজা এতিয়াও এনে হোৱা বা দুৰ্বল হৈ আছে যে গৱৰ্ণমেণ্টে ৰাজহৰ এই কঠোৰ নিয়ম কৰাৰ পাছতে প্ৰজাই যি অলপ মাটিবাৰী আছে তাকো বেচি বা ইস্তফা দি কুলিখটা বা বাটৰ মগনীয়া হোৱাৰ বাহিৰে আন উপায় অৱলম্বন কৰিবলৈ সক্ষম নহ'ব।"

১৮৯২ চনৰ ভূমি বন্দৰস্তি প্ৰক্ৰিয়াৰ প্ৰশাসনীয় আৰম্ভণি হৈছিল ১৮৮৯ চনতে। ইয়াৰ পৰৱৰ্তী কালত ১৮৯৩ চনলৈকে অসম প্ৰশাসনৰ বহু বিষয়া আৰু ভাৰত প্ৰশাসনৰ ৰাজহ আৰু ভূমি বিভাগৰ বৰমূৰীয়াসকলৰ মাজত বহু নথিপত্ৰৰ আদান-প্ৰদান হৈছিল। প্ৰায় হাজাৰ পৃষ্ঠাৰো অধিক সুবৃহৎ ছপাবন্ধা এই প্ৰতিবেদন অসম তথা দৰং জিলাৰ মাটিবাৰী সম্পৰ্কীয় বহু তথ্যৰে সমৃদ্ধ হৈ আছে। এই গোটেই প্ৰশাসনিক প্ৰক্ৰিয়াটোৰ দুজন মূল কাণ্ডাৰী আছিল হেনৰী দাৰা আৰু উইলিয়াম ৱাৰ্ড। তেতিয়া মুখ্য সচিবৰ পদত অধিষ্ঠিত উইলিয়াম ৱাৰ্ডে অসমৰ মাটিবাৰী সংক্ৰান্তীয় নীতি-নিৰ্দেশনা আৰু নিয়ম-প্ৰণালীবোৰ ভালদৰে আয়ত্ব কৰিছিল আৰু সেয়ে প্ৰতিটো পদক্ষেপতে ভূমি বন্দৰস্তি বিভাগৰ সঞ্চালক দাৰাক সকীয়াই দিব পাৰিছিল। এই প্ৰতিবেদনৰ বিশেষ গুৰুত্ব নক'লেও হ'ব। সেইদৰে মূল প্ৰতিবেদনৰ লগত ৰাজহ বিভাগৰ কৰ্মচাৰীসকলৰ চমু এক-দুই শাৰীৰ টোকাবোৰো ঐতিহাসিক গৱেষণাৰ কাৰণে বহু মূল্যবান।

ঘটনাটো ঘটি যোৱাৰ পিছৰ এণ্ডাৰচন আৰু তেওঁৰ ওপৰৱালাসকলৰ মাজৰ ব্যক্তিগত পৰ্যায়ৰ চিঠিপত্ৰবোৰো বিশেষ দৰকাৰী। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰো পথৰুঘাটৰ 'প্ৰশাসনিক বিফলতা'ৰ পিছত এণ্ডাৰচনে অসম উপত্যকাৰ আয়ুক্ত গড়্‌ফেলৈ ৮ এপ্ৰিলত লিখা এখন ব্যক্তিগত চিঠিৰ বিষয়ে য'ত এণ্ডাৰচনে নিজৰ মনোভাব ব্যক্ত কৰিছিল এনেদৰে—

It is rather disquieting to read the orders of the government on my case for the first time in a newspaper. Please don't think I am grumbling far from it.... I have already thanked you for sticking up for me. But, looking back at it now in an even more impartial mood than I



OKDISCD

could assume in Assam, I don't see what else 'could have done than' did or how I can be need wanting.

১৮৯৩-৯৪ চনৰ ৰাইজমেলৰ লগত পৰোক্ষভাৱে জড়িত আছিল শিৱসাগৰীয়া মাটিৰ মালিক শ্বেইখ বৰদোম। মোৰ হাতত বৰদোমৰ বিষয়ে ব্যক্তিগত কোনো তথ্য নাই যদিও এইজন ব্যক্তিয়ে যে ১৮৯৩-৯৪ চনৰ ৰাজহ বৃদ্ধিৰ প্ৰতিবাদত সক্ৰিয় অংশগ্ৰহণ কৰিছিল তাত কোনো সন্দেহ নাই। বৰদোমৰ কাহিনী জানিবলৈ আমি ১৮৮৫ চনলৈ উভতি যাব লাগিব। সেই বছৰৰ নতুন নীতিৰ দ্বাৰা অসমৰ ৰায়তোৱাৰী শাসিত জিলাকেইখনত দহবছৰীয়া ভূমি বন্দৰস্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। বৰদোমেও ১৯ বিঘা ১১ লোচা মাটিৰ এখন পট্টা লাভ কৰিছিল, যি পট্টাৰ ম্যাদ উকলি যোৱাৰ তাৰিখ পৰিছিল ১৮৯৩ চনৰ মাৰ্চ মাহত। বিপদ আহিল দশকটোৰ শেষৰ ফাললৈ। নতুনকৈ প্ৰযোজ্য হোৱা কেডেষ্টাৰেল জৰীপে বৰদোমৰ মাটিও নতুনকৈ জৰীপ কৰিলে য'ত বৰদোমে ভোগ কৰি থকা মাটিৰ পৰিমাণ বেছি বুলি ঠাৱৰ কৰা হ'ল। ইয়াৰ ফলত বৰদোমে বেছি খাজনা ভৰিব লগা হ'ল। ইয়াৰ প্ৰতিবাদত তেওঁ স্থানীয় আদালতত গোচৰ তৰিলে। প্ৰথম আদালতৰ ৰায় তেওঁৰ বিপক্ষে গ'ল যদিও আপীল আদালতত বৰদোমে তেওঁৰ সপক্ষে ৰায় পাবলৈ সমৰ্থ হ'ল। বৰদোমৰ মোকৰ্দমা কেৱল নিতান্তই ব্যক্তিগত স্বাৰ্থতেই যে দাখিল কৰা হোৱা নাছিল সেয়া অন্য নহ'লেও অসম প্ৰশাসনৰ এজন বিচক্ষণীয় বিষয়া আৰু তেতিয়াৰ মুখ্য আয়ুক্ত উইলিয়াম ৱাৰ্ডৰ অগোচৰ নাছিল। ৱাৰ্ডে সঠিকভাৱে সন্দেহ কৰিছিল যে বৰদোমৰ মোকৰ্দমাৰ পিছত শিৱসাগৰীয়া মুষ্টিমেয় মাটিৰ মালিকসকল আছে আৰু একমাত্ৰ পৰীক্ষামূলকভাৱে এই গোচৰ তৰা হৈছিল। গোচৰৰ ৰায় মাটিগিৰি আৰু ঔপনিবেশিক প্ৰশাসনৰ মাজৰ সম্পৰ্ক নিৰ্ধাৰণ কৰাত যে এক নিৰ্ণায়ক ভূমিকা ল'ব সেই বিষয়ে ৱাৰ্ড নিঃসন্দেহ আছিল। সেয়ে ৱাৰ্ডে টঙালি বান্ধিছিল কলিকতাৰ উচ্চ ন্যায়ালয়ত যিকোনো উপায়েৰে এই গোচৰত জয়ী হ'বলৈ।

পাঠকসকলে অনুমান কৰিছে যে এতিয়াৰ 'পথৰুঘাট' চৰ্চা'ত ইতিমধ্যে কৈ অহা আৰু ইয়াত উল্লেখ নকৰা বহুবোৰ তথ্য আৰু আহিলাপাতিৰ ব্যৱহাৰ নিতান্তই দুৰ্বল এই সকলোবোৰৰ উপযুক্ত অধ্যয়নৰ জৰিয়তে পথৰুঘাটৰ কাহিনীৰ এক সঠিক মূল্যায়ন সম্ভৱ নহয় জানো?

## ১৮৯৩-৯৪ চনৰ কৃষক বিক্ষোভ আৰু নিস্পিখেৰাজদাৰসকল

বহু চৰ্চিত ১৮৯৩-৯৪ চনৰ কৃষক বিক্ষোভৰ নেতৃস্থানীয় ব্যক্তিসকল যে কামৰূপ আৰু দৰং অঞ্চলৰ নিস্পিখেৰাজদাৰসকলৰ মাজৰ পৰাই আহিছিল এই বিষয়ে ইতিহাসবিদসকলে কোনো দ্বিমত প্ৰকাশ কৰা নাই। ১৮৯৩-৯৪ চনৰ শীতকালত কামৰূপৰ বিভিন্ন ঠাইত নতুন খাজনাৰ প্ৰতিবাদত কৃষকসকলৰ সংগঠিত হোৱাৰ কাহিনী সকলোৰে পৰিচিত। আৰু এই কৃষক বিক্ষোভক নেতৃত্ব দিবলৈ গৈ এক প্ৰতিক্ৰিয়াশীল উদ্দেশ্যেৰেইযে এই ভূ-স্বামীসকলে ৰায়তৰ সংগঠিত ক্ষোভক নিজ স্বাৰ্থ পূৰণৰ বাবে ব্যৱহাৰ কৰিছিল সেয়া এই আলোচনাত কিছু আলোকপাত কৰিব বিচৰা হৈছে।

১৮৯৩ চনত অসমৰ ৰায়তৱাৰী মাটিৰ নতুন বন্দবস্তিৰ লগতে কামৰূপৰ নিস্পিখেৰাজ মাটিৰো বন্দবস্তি আৰম্ভ হৈছিল আৰু ই নিস্পিখেৰাজদাৰসকলে সন্মুখীন হ'ব পৰা আটাইতকৈ সৰ্বনাশী ভৱিষ্যতৰ আগজাননী আছিল। এই নতুন বন্দবস্তিত বহুবোৰ নতুন চৰ্ত আৰোপ কৰা হৈছিল যাক প্ৰতিহত কৰিবলৈ কামৰূপৰ ভূ-স্বামীসকল বদ্ধপৰিকৰ হৈছিল। কামৰূপৰ বাহিৰে অন্য জিলাৰ নিস্পিভূমি নতুন বন্দবস্তিৰ এক্তিয়াৰলৈ অহাৰ সময় হোৱা নাছিল হেতুকে এই দিশত কামৰূপৰ এই ভূ-স্বামীসকল প্ৰায় অকলশৰীয়া আছিল বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। উদাহৰণ স্বৰূপে মঙ্গলদৈ এলেকাৰ নিস্পিভূমিৰ অন্তৰ্গত খেৰাজ মাটিবোৰৰ ১৮৮৮ চনত দহবছৰীয়া বন্দবস্তি কৰা হৈছিল। সেয়ে ১৮৯৮ চনৰ আগতে পুনৰ বন্দবস্তিৰ প্ৰশ্নই অহা নাছিল।

অসমৰ নিস্পিখেৰাজদাৰসকলে ১৮৯৩ চনত সন্মুখীন হোৱা আপদৰ কেনা লাগিছিল ইয়াৰে এক

দশকৰ আগেয়ে। ১৮৮০-ৰ দশকত অসমৰ ভূমি ব্যৱস্থা ব্যাপক আইনগত আন্তঃগাঁঠনি সাল-সলনি হ'বলৈ ধৰাৰ সময়তে নিস্পিখেৰাজদাৰসকলে ভোগ কৰি থকা সা-সুবিধাবোৰৰ ন্যায্যতা সম্পৰ্কেও প্ৰশ্ন উত্থাপন হ'ব ধৰিলে। সেই সময়ত নিজৰ মাটি কোনো চৰকাৰী হস্তক্ষেপ নোহোৱাকৈ নিজে জৰীপ কৰিব পৰাৰ অধিকাৰ নিস্পিখেৰাজদাৰসকলে লাভ কৰা সা-সুবিধাবোৰৰ অন্যতম আছিল। ইয়াৰ ফলত ১৮৭০ চনৰ ভূমি জৰীপত খিৰাজ মাটিৰ সমান্তৰালকৈ এই ভূ-স্বামীসকলে তেওঁলোকে ভোগ কৰি থকা ভূমিৰ জৰীপ নিজেই কৰাৰ সুবিধা পাইছিল। জিলাধিপতিৰ কাৰ্যালয়ত এনে জোখ-মাখৰ সত্যতা পৰীক্ষা কৰা হৈছিল যদিও কাহানিও শুদ্ধ তথ্যৰ ওপৰত জোৰ দিয়া নহৈছিল। নিস্পিখেৰাজদাৰসকলে এক বিশাল ভূমি সম্পত্তি অন্যায়ভাৱে ভোগ কৰি থকাৰ বিষয়ে অসম প্ৰশাসনে ১৮৭৫ চনতে এক অনুসন্ধান আৰম্ভ কৰিছিল। ফটিক চন্দ্ৰ বৰুৱাৰ তত্বাৱধানত হোৱা এই অনুসন্ধানে সঠিকভাৱে মাটি জোখ-মাখ কৰি এনে মাটিৰ বিষয়ে নিৰ্ভৰযোগ্য তথ্য দাঙি ধৰিছিল। অকল এয়াই নহয়, বৰুৱাৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি চৰকাৰে অন্য কেতবোৰ গুৰুত্বপূৰ্ণ আইনগত পদক্ষেপো হাতত ল'লে। নতুন পদক্ষেপৰ ভিতৰত বিশেষকৈ নিজৰ ভূমিত থকা গছ-গছনিৰ ওপৰত দিব লগা খাজনাৰ দিশটোৱে ভূ-স্বামীসকলক বাৰুকৈয়ে ক্ৰোধান্বিত কৰিছিল।

সেই সময়তে অসমৰ বিভিন্ন ঠাইত সিচঁৰতি হৈ থকা নিস্পিমাটিৰ পথাৰবোৰ চৰকাৰী মাটিৰ লগত সালসলনি কৰি একেলগ কৰাৰ প্ৰক্ৰিয়াও আৰম্ভ হৈছিল। ইয়াৰ দ্বাৰা নিস্পিখেৰাজদাৰসকল দুইধৰণৰে প্ৰভাৱিত হৈছিল ঃ প্ৰথম, বহু সময়ত অনিচ্ছাসত্বেও ভাল খেতি হোৱা নিজৰ মাটি আন বেয়া পথাৰৰ লগত সলনি কৰিব লগা হৈছিল। দ্বিতীয়তে, সলনি কৰি পোৱা পথাৰবোৰ দখল কৰি থকা স্বাধীন ৰায়তসকলৰ লগত তেওঁলোকৰ সম্পৰ্ক কেনে হ'ব সেই বিষয়ে তেতিয়াও কোনো ফয়চলা হোৱা নাছিল। এই মেৰপেচৰ জট ভাঙিলে দৰঙৰ মোহনপুৰ হাউলীৰ মধু কোঁচ নামৰ স্বাধীন ৰায়ত এজনে দৰঙী ৰজাৰ বিৰুদ্ধে তৰা আইনী মোকৰ্দমাইহে। ১৮৮০-ৰ দশকত আদালতে এক গুৰুত্বপূৰ্ণ ৰায়ৰ জৰিয়তে এনেদৰে অদল-বদল হোৱা চৰকাৰী ৰায়তসকল নিস্পিখেৰাজদাৰসকলৰ খেয়াল-খুচি মতে চলিবলৈ বাধ্য নহয় বুলি ৰায় দিলে। কিন্তু বাস্তৱতে ১৮৯৩ চনৰ পুনৰ বন্দবস্তিলৈকে চৰকাৰে নিস্পিখেৰাজদাৰসকলক এই কথা মানিবলৈ জোৰকৈ বাধ্য কৰাব পৰা নাছিল।

প্ৰায় এটা দশক ধৰি চলা টনা-আঁজোৰাৰ পিছত ১৮৯৩ চনৰ ভূমি বন্দবস্তিৰ সময়ত নিস্পিখেৰাজদাৰৰ অধিকাৰবোৰ লোপ পালে। চৰকাৰে এইবাৰ এক নতুন বন্দবস্তি পট্টাত ভূ-স্বামীসকলে কিছুমান নতুন চৰ্ত পূৰণ কৰাত গুৰুত্ব আৰোপ কৰিলে। সেই অনুসৰি ১৮৯২ চনৰ ২৩ ডিচেম্বৰ তাৰিখে অসম প্ৰশাসনে জাৰী কৰা নতুন ভূমি বন্দবস্তিৰ পট্টাত কামৰূপৰ নিস্পিখেৰাজদাৰসকলে পূৰণ কৰিবলগীয়া চৰ্তসমূহ স্পষ্ট কৰি দিলে। প্ৰথম চৰ্ত অনুসৰি নিস্পিমাটিৰ কাষেদি যোৱা সকলো নদ-নদী আৰু জলাশয়ত ৰাজহুৱা অধিকাৰ সাব্যস্ত থাকিব। দ্বিতীয়তে, নিস্পিমাটিত পুনৰ জৰীপ হ'লে তেনে মাটিত অতিৰিক্তকৈ পোৱা মাটিকালিৰ ওপৰত খাজনা দাবী কৰাৰ অধিকাৰ চৰকাৰৰ থাকিব। তৃতীয়, নিস্পিমাটিত থকা কোনোধৰণৰ সংৰক্ষিত গছ চৰকাৰী খাজনা আদায় নিদিয়াকৈ মাটিৰ মালিকে কাটিব আৰু আঁতৰাই নিব নোৱাৰিব। আন এক দফা অনুসৰি মাটি সাল-সলনি কৰাৰ পিছত ইতিমধ্যে খিৰাজমাটি ভোগ কৰি থকা কোনো চৰকাৰী ৰায়তক যদিহে নিস্পিমাটিৰ মালিকৰ অধীনলৈ সলনি কৰা হৈছে তেন্তে তেনে ৰায়তক আদালতৰ ডিক্ৰী অবিহনে মাটিৰ পৰা উচ্ছেদ কৰিব নোৱাৰিব। এই গোটেইকেইটা চৰ্তই নিস্পিখেৰাজদাৰসকলে কেইবাদশক জুৰি ভোগ কৰি থকা সুবিধাবোৰ একেকোবতে বিলোপ কৰিলে। ইয়াৰ দ্বাৰা নিস্পিখেৰাজদাৰসকলে ৰায়তৰ ওপৰত চলোৱা অন্যায়জনক আধিপত্যৰো মুদা মৰিল। কামৰূপৰ নিস্পিখেৰাজদাৰসকলে তেওঁলোকৰ ৰায়তৰ ওপৰত চলোৱা আধিপত্যৰ বিৱৰণ দি বি. চি. এলেন নামৰ ঔপনিবেশিক প্ৰশাসকজনে এনেদৰে বৰ্ণনা দিছিল ঃ

They exercise more or less authority over the rayats, inquiring into petty disputes, punishing tenants....., and in some instances restraining the properties of refractory tenants. Within certain limits, the cultivators submit to their extortion,

OKDISCD

but the oppression occassionally becomes intolerable.

এনেধৰণৰ আতিশয্যৰ বৰ্ণনা অকল কামৰূপৰ ভূ-স্বামীসকলৰ ক্ষেত্ৰতে প্ৰযোজ্য নাছিল। চুবুৰীয়া দৰঙী ভূ-স্বামীসকলো ইয়াৰ উৰ্দ্ধত নাছিল। মঙ্গলদৈৰ অন্য নিস্পিখেৰাজদাৰসকলৰ তুলনাত দৰঙী ৰাজপৰিয়ালৰ মাটি-সম্পত্তি বহুগুণে বেছি আছিল। ১৯২৭-৩৩ চনৰ বন্দবস্তিৰ সময়ত মঙ্গলদৈত প্ৰায় ৯১,০০০ বিঘা নিস্পিমাটি পোৱা গৈছিল আৰু ইয়াৰে সৰহসংখ্যক অকল দৰঙী ৰাজপৰিয়ালেই ভোগ কৰি আহিছিল।

এই ভূ-স্বামীসকলে তেওঁলোকৰ তলতীয়া ৰায়তৰ পৰা অকল কৰ-কাটলৈহে যে আদায় কৰিছিল তেনে নহয়। ওপৰঞ্চিভাৱে অন্যান্য সেৱাও আদায় কৰিছিল। নিয়মীয়া চৰকাৰী কৰৰ উপৰিও ৰায়তসকলে নিজৰ সাধ্য অনুসৰি চাউল, ছাগলী অথবা পাৰৰে পূজা-ভাৰ দি থকাৰ প্ৰথা বিংশ শতাব্দীতো প্ৰচলিত আছিল। কোনোবা ৰায়তে সম্পূৰ্ণ পূজা-ভাৰ দিব নোৱাৰিলে সপ্তাহটোৰ বাবে দৰঙী ৰজাৰ পৰিয়ালৰ বাবে গা-খাটি দিব লাগিছিল। ১৯২০-ৰ দশকৰ ভূমি বন্দবস্তিৰ সময়ত দৰঙী ৰাজপৰিয়ালে চৰকাৰী খাজনাৰ উপৰিও ব্যাপক হাৰত পূজা-ভাৰ সংগ্ৰহ কৰাৰ কথা জিলাখনৰ ভূমি বন্দবস্তি বিষয়া দেবেন্দ্ৰ নাথ মুখপাধ্যায়ে লক্ষ্য কৰিছিল। ইয়াৰ ফলত বহু ৰায়তে এওঁলোকৰ মাটিত খেতি-খোলা কৰিব নিবিচাৰিছিল। ১৮৮৬ চনৰ অসম ভূমি ব্যৱস্থাপনা আইনেও নিস্পিখেৰাজদাৰসকলৰ বাবে কেইবাটাও ভয়ানক খবৰ কঢ়িয়াই আনিছিল। ইয়াৰ ভিতৰত তেওঁলোক অন্য সাধাৰণ খিৰাজী ৰায়তৰ সমপৰ্যায়লৈ অৱনমিত হোৱাৰ দিশটো প্ৰধান আছিল। এই ভূমি ব্যৱস্থাই ইয়াৰ আগলৈকে নিস্পিমাটি হস্তান্তৰ আৰু পৈত্ৰিকভাৱে আহৰণ কৰাৰ যি বিশেষ সুবিধা ভূ-স্বামীসকলে লাভ কৰিছিল সেইয়াও বিলোপ কৰিলে।

কটা ঘাঁত খাৰণি দি ১৮৯৩ চনৰ বন্দবস্তিয়ে কামৰূপৰ নিস্পিখেৰাজদাৰসকলক আকৌ সন্ত্ৰাসিত কৰিছিল। জিলাখনৰ সম্ভাব্য বৰ্দ্ধিত খাজনাৰ এক গুৰুত্বপূৰ্ণ অংশ আহিবলগা আছিল অকল নিস্পিমাটিৰ পৰাই। এই মাটিৰ বৰ্দ্ধিত খাজনাৰ দ্বাৰা প্ৰায় পঞ্চানব্বৈ শতাংশ বৃদ্ধিৰে অতিৰিক্ত মুঠ ৮৬,৭৮৬ টকা চৰকাৰী ৰাজকোষলৈ আহিব বুলি প্ৰদেশখনৰ ভূমি বন্দবস্তি বিষয়া হেনৰী দাৰাই মত পোষণ কৰিছিল। সেইদৰে নতুনকৈ হোৱা মাটিৰ শ্ৰেণীকৰণত নিস্পিমাটিৰ পথাৰবিলাক প্ৰথম শ্ৰেণীৰ অন্তৰ্গত হৈছিল। তদুপৰি এই নতুন বন্দবস্তিত তেওঁলোকৰ পতিত মাটিবোৰৰ কাৰণেও নতুনকৈ খাজনা ভৰিবলগা হৈছিল। খাজনাৰ হাৰ নিৰ্দ্ধাৰণ কৰা হৈছিল বিঘাই প্ৰতি এক অনা তিনি পইচা। নতুন নীতিয়ে পূৰ্বৰ সকলো পৰম্পৰা ভংগ কৰিছে বুলি কামৰূপৰ নিস্পিখেৰাজদাৰসকলে এই সকলো চৰ্তৰ বিৰুদ্ধে অসমৰ মুখ্য আয়ুক্ত উইলিয়াম ৱাৰ্ডৰ ওপৰত তীব্ৰ প্ৰতিবাদ জনাইছিল যদিও প্ৰশাসনে সেয়া মানি লোৱা নাছিল। আনহাতেদি কামৰূপৰ বাহিৰে অন্য জিলাবোৰত নিস্পিমাটিৰ পুনৰ বন্দবস্তিৰ সময় হোৱা নাছিল যদিও তেনে গাওঁবোৰো জৰীপ কৰি সেইবোৰক মূলতঃ প্ৰথম শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হ'ল। এই কথাই আন এক জটিলতাৰো সৃষ্টি কৰিলে। এই জিলাকেইখনত নতুন বন্দবস্তি নোহোৱালৈকে নিস্পিমাটিৰ বাবে পুৰণা হাৰতে খাজনা আদায় দি থাকিব লাগিব বুলি স্পষ্টকৈ কোৱা হ'লেও এই ভূ-স্বামীসকলে বাস্তৱিকতে যে তেওঁলোকৰ তলতীয়া ৰায়তৰ পৰা উচ্চ হাৰত কৰ আদায় কৰিব সেই বিষয়ে প্ৰশাসন চিন্তিত হ'ল। কিছু সংখ্যক নিস্পিখেৰাজদাৰে ইতিমধ্যে ৰায়তৰ পৰা বৰ্দ্ধিত হাৰত কৰ সংগ্ৰহৰ আয়োজন কৰাৰ খবৰো চৰকাৰৰ অগোচৰ নাছিল।

*(লেখক ড° শইকীয়া গুৱাহাটীস্থ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ সহযোগী অধ্যাপক)*


ৰাইজমেললৈ লেখা আৰু মতামত পঠিওৱাৰ ঠিকনা—

মাৰফৎ— অখিল গগৈ
আৱৰ্ত ভৱনৰ কাষত
দেৱৰাজ ৰয় মহাবিদ্যালয় পথ
গোলাঘাট, ৭৮৫৬২১
ফোন ঃ ৯৪৩৫০-৫৪১৪০


OKDISCD

# বিশ্বায়ন ঃ বিভ্ৰান্তি আৰু বাস্তৱতা

ড° অখিলৰঞ্জন দত্ত

বিশ্বায়ন সম্পৰ্কে বিভ্ৰান্তিৰ অন্ত নাই। বিশ্বায়নক 'বিশ্বজনীনতা'ৰ স'তে একাকাৰ কৰি দিয়াৰো প্ৰচেষ্টা চলিছে। কিন্তু বিশ্বায়ন যে 'বিশ্বজনীনতা'ৰ পৰা বহু যোজন দূৰত সেই কথাটো আমি মনত ৰাখিহে বিশ্বায়নৰ বিষয়ে আলোচনা কৰাটো সমীচিন হ'ব। বিশ্বায়ন সম্পৰ্কে জানিবলগীয়া সৰ্ব প্ৰথম কথাটো হ'ল— আন্তৰ্জাতিক পুঁজিবাদৰ দ্বাৰা নিয়ন্ত্ৰিত এক সৰ্বাত্মক প্ৰক্ৰিয়া। অৰ্থাৎ এই প্ৰক্ৰিয়া কোনো অৰ্থতেই এক স্বতঃস্ফূৰ্ত আৰু শ্ৰেণী নিৰপেক্ষ প্ৰক্ৰিয়া নহয়। বিশ্বায়নে কোনো সাৰ্বজনীন প্ৰমূল্যৰ বিকাশ আৰু প্ৰসাৰণত অৰিহণা নোযোগায়। ইয়াৰ মূল লক্ষ্য হ'ল বিশ্ব পুঁজিৰ বাবে পৃথিৱীৰ প্ৰতিটো প্ৰান্তত সম্পদ আৰু বজাৰৰ সন্ধান তথা শোষণ। ই মানুহৰ মুক্তি নিবিচাৰে। বৰঞ্চ মুক্তিকামী মানুহক বহুবোৰ শৃংখলেৰে বন্দী কৰি ৰাখিব খোজে। বিশ্বায়ন একমাত্ৰ অৰ্থনৈতিক প্ৰক্ৰিয়া নহয়— ই একে সময়তে অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু আদৰ্শগত প্ৰক্ৰিয়া। অৰ্থাৎ বিশ্বায়নে মানুহৰ সৰ্বাত্মক মুক্তিৰ হকে চলা ৰাজনৈতিক, সাংস্কৃতিক অথবা আদৰ্শগত— সকলোবোৰ কছৰৎ ধ্বংস কৰিব খোজে।

বিশ্বায়নে বিয়পোৱা আটাইতকৈ ডাঙৰ বিভ্ৰান্তি হ'ল জাতি-ৰাষ্ট্ৰৰ ভূমিকা সম্পৰ্কে চলোৱা প্ৰচাৰ। বিশ্বায়নৰ প্ৰবক্তাসকলে ক'ব খোজে যে মানুহৰ মুক্তি আৰু স্বাধীনতাৰ আটাইতকৈ ডাঙৰ শত্ৰু হ'ল জাতি-ৰাষ্ট্ৰ আৰু সাৰ্বভৌম চৰকাৰ। ৰাষ্ট্ৰ বা চৰকাৰৰ ক্ষমতা হ্ৰাস কৰি বজাৰ, প্ৰতিযোগিতাৰ হাতত মানুহৰ ভাগ্য এৰি দিলেই পৃথিৱীৰ যত যি গণ্ডগোল আছে সেই সকলোবোৰ শেষ হৈ যাব। এই প্ৰচাৰ গোকাট মিছা কথাৰ বাহিৰে অন্য একো নহয়। তাৰ বিপৰীতে বিশ্বায়নে আচলতে জাতি-ৰাষ্ট্ৰই জনসাধাৰণৰ কল্যাণৰ হকে অতদিনে পালন কৰি অহা ইতিবাচক ভূমিকাহে শেষ কৰিব খুজিছে। অৰ্থাৎ জাতি ৰাষ্ট্ৰই সৰ্বসাধাৰণ লোকৰ খাদ্য, স্বাস্থ্য, শিক্ষা, খোৱাপানী ইত্যাদি ক্ষেত্ৰবোৰত ৰাজকোষৰ ধন ব্যয় কৰি জনসাধাৰণৰ কল্যাণৰ বাবে যি যোগাত্মক ভূমিকা পালন কৰি আহিছিল সেইটো নাইকিয়া কৰি এই ক্ষেত্ৰবোৰক ব্যক্তিগত পুঁজিৰ সুবিধাত অহাঁকে লাভ উপাৰ্জনৰ বাবে মুকলি কৰি দিছে। বিশ্বায়নে জাতি-ৰাষ্ট্ৰৰ সীমা শিথিল কৰি আন্তৰ্জাতিকভাৱে পণ্যৰ আদান-প্ৰদান প্ৰক্ৰিয়া সবল কৰি দিয়াৰ হকে ওকালতি কৰি আহিছে। তাৰ বাবে আমদানি শুল্কৰ দৰে বিভিন্ন ব্যৱস্থা শিথিল কৰি তুলিছে। কিন্তু ভৌগোলিক অখণ্ডতাৰ প্ৰশ্নত জাতি-ৰাষ্ট্ৰ অধিকভাৱে শক্তিশালী হৈ উঠিছে। জাতি-ৰাষ্ট্ৰৰ এই দ্বৈত চৰিত্ৰ ভাৰতবৰ্ষৰ বছেৰেকীয়া বাজেট প্ৰত্যক্ষ কৰিলেই বুজি পোৱা যাব। ভাৰতবৰ্ষৰ বাজেটত অতি বেছি ধনৰ আবণ্টন দিয়া দপ্তৰবোৰৰ ভিতৰত অন্যতম হ'ল প্ৰতিৰক্ষা দপ্তৰ। প্ৰতিৰক্ষা দপ্তৰৰ মুখ্য দায়িত্ব হ'ল বহিঃ শত্ৰুৰ আক্ৰমণৰ পৰা দেশক ৰক্ষা কৰা। বছৰি প্ৰতিৰক্ষা দপ্তৰৰ বাবে অধিক ধনৰ আবণ্টন দিহা কথাবোৰে এটা কথাই প্ৰমাণ কৰে যে বিশ্বায়নৰ অধীনত জাতি-ৰাষ্ট্ৰৰ সীমাৰ প্ৰতি ৰাষ্ট্ৰৰ শংকা অধিকভাৱে বৃদ্ধিহে পাব ধৰিছে। সেয়েহে প্ৰতিৰক্ষা দপ্তৰত অধিক ধনৰ অবণ্টন দি জাতি-ৰাষ্ট্ৰই অধিক হাৰত মৰণাস্ত্ৰ তৈয়াৰ কৰিছে অথবা অধিক অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰিছে। কিন্তু এতিয়া প্ৰতিৰক্ষা দপ্তৰত কেৱল বহিঃ শত্ৰুৰ আক্ৰমণৰ পৰা দেশৰ সীমা ৰক্ষা কৰাটো সীমাবদ্ধ হৈ ৰোৱা নাই। আভ্যন্তৰীণ নিৰাপত্তা আৰু শান্তি-শৃংখলা ৰক্ষাৰ বাবে প্ৰতিৰক্ষা দপ্তৰৰ অধীনস্থ সৈন্য বাহিনী অথবা অৰ্থ-সামৰিক বাহিনীক ব্যৱহাৰ কৰা হৈছে। উত্তৰ-পূব ভাৰতৰ পটভূমি লক্ষ্য কৰিলেই এই কথা স্পষ্টকৈ ধৰিব পৰা যাব। উত্তৰ-পূব ভাৰতত নৃ-গোষ্ঠীয় সংঘাত গণতান্ত্ৰিক উপায়েৰে নিয়ন্ত্ৰণ কৰিবলৈ ব্যৰ্থ হোৱা ভাৰত ৰাষ্ট্ৰই তাক সশস্ত্ৰ উপায়েৰে মোকাবিলা কৰিব খুজিছে। তাৰ বাবে সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন, ১৯৫৮ ৰ আধাৰত ব্যাপক হাৰত সৈন্য বাহিনী মোতায়েন কৰি অবাধভাৱে মানৱ অধিকাৰ উলংঘন কৰিছে। এই কথাটোৱে প্ৰমাণ কৰে যে বিশ্বায়নৰ অধীনত জাতীয় চৰকাৰে জন-নিৰাপত্তাৰ স'তে জড়িত প্ৰশ্নবোৰৰ পৰাহে নিজৰ দা-দায়িত্ব উঠাই লৈছে। সামৰিক নিৰাপত্তাৰ ক্ষেত্ৰত জাতি-ৰাষ্ট্ৰ অধিকভাৱে পাশৱিক হৈ উঠিছে।

বিশ্বায়ন যে গণতন্ত্ৰ, শান্তি আৰু নিৰাপত্তাৰ বাবে মুঠেও গ্ৰহণযোগ্য সমাধানসূত্ৰ নহয় সেই কথা অন্য বহুবোৰ অভিজ্ঞতাৰ পৰা ক'ব পাৰি। যোচেফ ষ্টি'গ্লিট্জ্ৰ দুখন গ্ৰন্থৰ কথা এইখিনিতে

OKDISCD

উনুকিয়াব বিচাৰিছো। তেওঁৰ কথা এইবাবেই ক'ব খুজিছো কাৰণ তেওঁ কোনো বামপন্থী আৰু বিশ্বায়ন বিৰোধী ব্যক্তি নহয়। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কম্বোদিয়া বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ষ্টি'গ্লিট্জ্ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বিল্ ক্লিণ্টনৰ অৰ্থনৈতিক উপদেষ্টা মণ্ডলীৰ সভাপতি আছিল আৰু পৰৱৰ্তী সময়ত তেওঁ বিশ্ব বেংকৰ এগৰাকী জ্যেষ্ঠ উপসভাপতি তথা মুখ্য অৰ্থনৈতিক উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ বিশ্বায়নৰ নামত চলা প্ৰহসনমূলক কামকাজ ভিতৰৰ পৰা প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰিছিল। তাৰেই আধাৰত তেওঁ দুখন গ্ৰন্থ প্ৰণয়ন কৰিছে— **Globalization and its Discontents** আৰু **Making Globalization Work.** দুয়োখন গ্ৰন্থতে তেওঁ পৃথিৱীৰ বহুবোৰ দেশৰ বাবে বিশ্বায়নে কঢ়িয়াই অনা ভয়াৱহতা আৰু ধ্বংসৰ কাহিনী বৰ্ণনা কৰিছে। তথ্যভিত্তিক আলোচনাৰ জৰিয়তে কৈছে যে বিশ্বায়নে কোনো এখন দেশৰ অৰ্থনৈতিক ব্যৱস্থাটোক ধৰি ৰখা সামাজিক-সাংস্কৃতিক অথবা ৰাজনৈতিক পটভূমি বিবেচনা নকৰাকৈ আন্তৰ্জাতিক মুদ্ৰানিধি আৰু বিশ্ব বেংকৰ দ্বাৰা প্ৰণিত কিছুমান নীতি যান্ত্ৰিকভাৱে সেইবোৰ দেশৰ ওপৰত জাপি দিছে। এই গোটেই প্ৰক্ৰিয়াটো নিতান্তই অগণতান্ত্ৰিক। কাৰণ হিচাপে তেওঁ কৈছে যে যিবোৰ দেশৰ কাৰণে বিশ্ব বেংক অথবা আন্তৰ্জাতিক মুদ্ৰানিধিয়ে নীতি প্ৰণয়ন কৰিছে সেইবোৰ দেশৰ প্ৰতিনিধি সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াটোত অনুপস্থিত। অন্য এটা তাৎপৰ্যপূৰ্ণ কথাও তেওঁ উল্লেখ কৰিছে তেওঁ কৈছে যে বিশ্বায়নৰ কবলত তৃতীয়বিশ্বৰ বহুবোৰ দেশৰ প্ৰাকৃতিক সম্পদ সেই দেশসমূহৰ বাবে অভিশাপ ৰূপে দেখা দিছে। কাৰণ এনে সম্পদৰ ওপৰত পৃথিৱীৰ বৃহৎ পুঁজিপতিৰ চকু পৰিছে আৰু জাতীয় চৰকাৰ সমূহে আন্তৰ্জাতিক পুঁজিৰ হেঁচাত পৰি সেই সম্পদসমূহৰ ওপৰত দেশীয় তথা বিদেশী কোম্পানীক ব্যৱহাৰ আৰু শোষণ কৰাৰ অধিকাৰ প্ৰদান কৰিছে। ফলত থলুৱা লোকসকল তাৰ বিৰুদ্ধে সংঘবদ্ধ হৈছে। খিলঞ্জীয়া লোকৰ প্ৰতিৰোধ দমনৰ বাবে ৰাষ্ট্ৰই সামৰিক পন্থা গ্ৰহণ কৰিছে। এনে পৰিস্থিতিত সম্পদৰ ওপৰত কাৰ নিয়ন্ত্ৰণ থাকিব সেই লৈ প্ৰবল সংঘাতৰ সূচনা হৈছে। ষ্টিগ্লিট্জে এই পৰিস্থিতিটোক সেয়েহে 'RESOURCE CURSE' বা 'সম্পদৰ অভিশাপ' আখ্যা দিছে।

উত্তৰ-পূব ভাৰতত সম্পদে অভিশাপ ৰূপ ল'ব ধৰা আটাইতকৈ জলন্ত উদাহৰণ হ'ল নদীবান্ধসমূহ। জলবিদ্যুৎ উৎপাদনৰ বাবে নিৰ্মিত হ'ব ধৰা ডেৰশৰো অধিক নদীবান্ধ এই অঞ্চলত নিৰ্মিত হ'ব ধৰিছে উত্তৰ-পূব ভাৰতৰ ব্যাপক জলাৰাশিৰ আধাৰত। এনে বান্ধে ব্যাপক সংখ্যক লোকক বিতাড়িত কৰাৰ উপৰিও অঞ্চলটোৰ প্ৰাকৃতিক ভাৰসাম্য নষ্ট কৰিব। কৃত্ৰিম বান সৃষ্টি কৰাৰ উপৰিও হাজাৰ হাজাৰ একৰ উৰ্বৰ ভূমি বালিয়ে পুতি পেলাব। ভূকম্পনৰ দুৰ্ভাৱনা থকা অঞ্চলটোক প্ৰতি ক্ষণতে জৰুৰীকালিন অৱস্থা এটালৈ ঠেলি দিব। এয়া বিশ্বায়নে আমাৰ বাবে জাপি দিয়া ব্যাপক অভিশাপ।

বিশ্বায়নৰ চৰিত্ৰ উন্মোচনৰ বাবে আৰু হাজাৰটা উদাহৰণ দাঙি ধৰিব পাৰি। অসমত ৰাজ্য চৰকাৰে প্ৰস্তুত কৰি উলিওৱা খচৰা জলনীতিও বিশ্বায়নৰে 'উপহাৰ'। এই জলনীতিয়ে আমাৰ জলসম্পদৰ ওপৰত, আনকি বিল-খালৰ ওপৰত থকা স্থানীয় লোকৰ অধিকাৰো খৰ্ব কৰিব বিচাৰিছে।

ৰাজনীতি আৰু প্ৰশাসনৰ ক্ষেত্ৰত বিশ্বায়নে সৃষ্টি কৰিছে ব্যাপক দুৰ্নীতি আৰু অপশাসন। বিশ্বায়নে মানুহৰ মাজত অলেখ ৰঙীন সপোনৰ মায়াজাল গাঁঠি দিছে। মুক্ত বজাৰ পণ্যৰ সম্ভাৰে ঢৌৱাই দিছে। ক'ৰ পৰা মানুহে এইবোৰ ক্ৰয় কৰিব? প্ৰশাসনত থকা লোকসকলে সেয়েহে অবাধ পণ্য ক্ৰয়ৰ বাবে বাচি লৈছে দুৰ্নীতিৰ পথ। আনহাতে স্বাস্থ্য, শিক্ষা আদি ক্ষেত্ৰবোৰত বৃদ্ধি পোৱা খৰচৰ জোৰা মাৰিবলৈকো নিম্নস্তৰৰ কৰ্মচাৰীও দুৰ্নীতিকে পথ বুলি গ্ৰহণ কৰিছে।

এনে এক ব্যৱস্থাৰ বুকুত জনগণৰ দৈনন্দিন নিৰাপত্তা মুঠেও সুৰক্ষিত নহয়। তাৰ বিৰুদ্ধে বিভিন্ন স্তৰত প্ৰতিবাদ গঢ়ি উঠিছে। অৱশ্যে এনে প্ৰতিবাদ যে বিশ্বায়নৰ বিৰুদ্ধে সেই কথা প্ৰতিবাদকাৰীসকলেও বহু সময়ত গম পোৱা নাই। সেয়েহে বিভিন্ন প্ৰশ্নত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা লোকৰ মাজত সমন্বয়ৰ অভাৱ ঘটিছে। বিশ্বায়নৰ বিৰুদ্ধে সচেতনভাৱে আৰু ৰাজনৈতিক দৃষ্টিভংগীৰে আন্দোলন গঢ়ি তোলাসকলৰ বাবে ডাঙৰ প্ৰত্যাহ্বান হ'ল জনগণতান্ত্ৰিক প্ৰতিবাদী শক্তিসমূহক সংগঠিত কৰি তেওঁলোকৰ মাজত সমন্বয় স্থাপন কৰা আৰু বিশ্বায়নৰ বিৰুদ্ধে সৰ্বাত্মক প্ৰতিৰোধ গঢ়ি তোলা।

*(ড° দত্ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উপদেষ্টা)*

# নাৰী মানে কি ঃ প্ৰস্তাৱনা

গীতাশ্ৰী তামুলী

নাৰী মানে কি? প্ৰশ্নটোৰ এটা উত্তৰ হ'ল— মানুহ প্ৰজাতিৰ স্ত্ৰীলিংগ হ'ল নাৰী। যেনেকৈ মতা বাঘ আৰু মাইকী বাঘ; তেনেকৈ মতা মানুহ আৰু মাইকী মানুহ, পুৰুষ আৰু নাৰী। সন্তানৰ গৰ্ভধাৰণ, জন্মদান আৰু স্তনপানৰ প্ৰয়োজনত নাৰীৰ শৰীৰ পৃথকভাৱে নিৰ্মিত। সন্তান উৎপাদনৰ প্ৰয়োজনতেই পুৰুষৰ শৰীৰো বিশেষভাৱে নিৰ্মাণ হৈছে। মানৱ প্ৰজাতি বৰ্তি থকাৰ বাবে পুৰুষ-নাৰীৰ এই শাৰীৰিক পাৰ্থক্যখিনি অতিশয় আৱশ্যকীয়। পুৰুষ আৰু নাৰী শাৰীৰিকভাৱে কিছু বেলেগ হ'লেও মূলতঃ একেই মানুহ। কিন্তু সমস্যাটো হ'ল— মানৱ সমাজত নাৰী-পুৰুষৰ এই শাৰীৰিক পাৰ্থক্যৰ আধাৰত বহুতো পাৰ্থক্য সামাজিক-সাংস্কৃতিকভাৱে সৃষ্টি কৰা হৈছে। শিশু-প্ৰতিপালনৰ সময়তেই এই পাৰ্থক্যৰ বীজ ৰুই দিয়া হয়। আমাৰ সমাজত ল'ৰা এটাক 'মতা ল'ৰা' বুলি কৈ সাহসী, নিৰ্ভীক, স্পষ্টবাদী হ'বলৈ উৎসাহিত কৰা হয়। তাক গছত উঠিবলৈ, সাঁতুৰিবলৈ, হাবিয়ে-বননিয়ে মুক্তভাৱে বিচৰণ কৰিবলৈ, খেলনাৰ ৰূপত হাতত এটা পুতলা বন্দুক ল'বলৈ প্ৰৰোচিত কৰা হয়। একে সময়তে ছোৱালী এজনীক 'মাইকী ছোৱালী' বুলি কৈ বিনীত, লাজকুৰীয়া, নিমাতী কইনা হ'বলৈ উপদেশ দিয়া হয়। মাকে ছোৱালীক শিক্ষা দিয়ে— ছোৱালী মানুহ গছত উঠিব নাপায়, মুখে মুখে কথাৰ উত্তৰ দিব নাপায়, ডাঙৰকৈ হাঁহিব নাপায়, লৰা-ঢপৰা কৰিব নাপায়, সহনশীলা বসুমতী হোৱা নাৰীৰ ধৰ্ম। বুকু ফুটিলেও মুখ ফুটিবলৈ নিদিবা। মাকে শিকায়— ককায়েক বা ভায়েকক লগা পানী গিলাছ আনি দিব লাগিব ছোৱালীয়েজনীয়ে। এইদৰে ছোৱালীজনীক শিকোৱা হয় পুৰুষৰ সেৱাই তিৰোতাৰ ধৰ্ম বুলি। লগে লগে ল'ৰাটোকো নিজৰ অত্যন্ত প্ৰয়োজনীয় কামখিনি কৰি ল'ব নোৱাৰাকৈ নিষ্কৰ্মা আৰু পৰনিৰ্ভৰশীল কৰি গঢ় দিয়া হয়।

এনেকৈয়ে পুৰুষ আৰু নাৰীৰ মাজত বৈষম্য থকা, লিংগ অসমতাভিত্তিক এখন সমাজৰ পুনৰুৎপাদন হৈ থাকে। একেই মানুহ হ'লেও নাৰী তল খাপৰ প্ৰাণী বুলি বিবেচিত হ'বলৈ ধৰে। সমাজে নিৰ্ধাৰণ কৰি দিয়া নিয়ম-অনুশাসন মানি নচলা নাৰীক কুলক্ষণী, মতাকাছী, ডাংকাটী, ডাইনী আদি বিশেষণ দিয়া হয়। নাৰীক পুৰি মৰা হয়, প্ৰহাৰ কৰা হয়, গালৈ শিল দলিয়াই আঘাত কৰা হয়। আমাৰ ভগৱান ৰামচন্দ্ৰই লোক অপবাদৰ পৰা ৰক্ষা পাবলৈ পত্নী সীতাক অগ্নিপৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বাধ্য কৰোৱা কথা আমি আটায়ে জানো। এই বৈষম্য সমাজৰ সৰ্বস্তৰত, ঘৰে-বাহিৰে দেখিবলৈ পোৱা যায়। ঘৰৰ ভিতৰত পিতৃজনৰ কথাই আইন হৈ পৰে। মদ্যপ স্বামীৰ ওচৰত পত্নী অত্যাচাৰিত হয়। ঘৰৰ বাহিৰখন নাৰীৰ বাবে ভয়ংকৰ ঠাই হৈ পৰে। নাৰী পুৰুষৰ যৌনকামনা উদ্ৰেক কৰা সামগ্ৰীত পৰিণত হয়— লাগে নাৰীৰ নামত কণমানি শিশুৱেই নহওক কিয়! প্ৰচাৰ মাধ্যমে বিপণন কৰে উলংগ অৰ্ধ-উলংগ নাৰী দেহা। বহুজাতিক কোম্পানীয়ে নাৰীদেহক কেন্দ্ৰ কৰি পণ্যৰ বিজ্ঞাপন দিয়ে। এচাম নাৰীয়ে আকৌ খাবলৈ নোপোৱা শীৰ্ণ দেহাৰে, অস্বাস্থ্যকৰ পৰিবেশত কাম কৰিব লগা হয়। নাৰী পুৰুষৰ বাবে মজুৰিৰ পৰিমাণ বেলেগ। ইয়াৰ বাহিৰেও নাৰীয়ে এনে বহু কাম কৰিবলৈ বাধ্য হয়, যিবোৰ কামৰ বাবে কোনো মজুৰি নাথাকে। গতিকে যিবোৰক কাম বুলিয়ে গণ্য কৰা নহয়। সেইবোৰ হ'ল নাৰীৰ অদৃশ্য শ্ৰম। সভ্যতাই সৃষ্টি কৰা বহু সুফলৰ পৰা নাৰীক বঞ্চিত কৰি ৰখাৰ চেষ্টা চলে। এটা সময়লৈ ধাৰণা আছিল— ছোৱালীক শিক্ষাৰ কোনো প্ৰয়োজন নাই, ঘৰুৱা কামখিনি শিকাই নাৰীৰ বাবে যথেষ্ট। পাচলৈ ধাৰণা সৃষ্টি কৰা হ'ল— পুৰুষৰ দৰে অংক-বিজ্ঞান শিক্ষাৰ দৰ্কাৰ নাই, গাৰ্হস্থ্য বিজ্ঞান বা গৃহ পৰিচালনাৰ কথাবোৰ শিকিলেই হ'ল। পশ্চিমৰ গণতান্ত্ৰিক দেশবোৰত নাৰীক ভোটদানৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ল। নাৰী দ্বিতীয় শ্ৰেণীৰ নাগৰিক— ৰাজনৈতিক বিষয়ত মত দিব পৰাকৈ নাৰীৰ চিন্তা কৰিব পৰা শক্তি নাই। নাৰীৰ এই কাম ঘৰৰ ভিতৰত। সন্তান প্ৰতিপালনেই নাৰীৰ দায়িত্ব। বিধাতাই এই কামৰ বাবেই নাৰীক বিশেষভাৱে নিৰ্মাণ কৰিছে। পিছলৈ যেতিয়া চাকৰি-বাকৰি কৰা বৃত্তিজীৱী নাৰীসকল ওলাল, তেতিয়াও কোৱা হ'ল— শিক্ষকতা, নাৰ্ছ আদি বৃত্তিবোৰহে নাৰীৰ বাবে। নাৰী বৈজ্ঞানিক হ'ব নোৱাৰে, নাৰীয়ে ৰাষ্ট্ৰ পৰিচালনা কৰিব নোৱাৰে। কাৰণ নাৰীৰ স্বভাৱেই হ'ল পেনপেনীয়া, আৱেগিক— নাৰী

যুক্তিপূৰ্ণ কাম-কাজৰ বাবে অসমৰ্থ।

নাৰী-পুৰুষৰ এই অসমতা মানৱসমাজৰ সৃষ্টি কিন্তু এই অসমতাক সদায় প্ৰকৃতি বা ভগৱান প্ৰদত্ত আৰু সেয়ে স্বাভাৱিক বুলি দেখুওৱা হয়। সমাজে সৃষ্টি কৰা নানা আচাৰ-অনুষ্ঠান, মূল্যবোধ, সংস্কাৰ, শিক্ষা, সাহিত্য আদিৰ মাজেদি অসমতাবোৰ নাৰী আৰু পুৰুষৰ মনৰ ভিতৰলৈ সুমুৱাই দিয়া হয়। কিন্তু এই অসমতা সদায় নাছিল। পুৰুষ আৰু নাৰীৰ শ্ৰম বেলেগ হ'লেও অন্ততঃ এটা সময়লৈকে এই শ্ৰমবিভাজনত কোনো অসমতা দেখা নগৈছিল। ১৮৮৪ খ্ৰীঃত প্ৰকাশিত ফ্ৰেড্ৰিক এংগেলছৰ 'পৰিয়াল, ব্যক্তিগত সম্পত্তি আৰু ৰাষ্ট্ৰৰ উৎপত্তি' নামৰ গ্ৰন্থত এই কথাটোকে দেখুৱাই দিয়া হৈছে। দেখুৱাই দিয়া হৈছে— নাৰী-পুৰুষৰ অসমতাৰ এক ইতিহাস আছে। গতিকে এই অসমতাৰ অন্তও আছে। দৰাচলতে, এংগেলছৰ আগৰ পৰাই বহুতো নাৰীয়ে নাৰী-পুৰুষৰ বাবে সমান অধিকাৰ দাবী তুলিব ধৰিছিল। একেই দাবীক লৈ এক বিশ্বজোৰা নাৰী আন্দোলন আজিও চলি আছে। বহু বাট অতিক্ৰম কৰা হৈছে আৰু বহু বাট যাবলৈ আছে। যুগ যুগ ধৰি মানুহৰ মনত শিপাই থকা এই কুসংস্কাৰ ইমান সহজে নোহোৱা হৈ নাযায়। এই অসমতা মূললৈকে খান্দি পেলোৱাৰ বাবে আমিও নিজকে সক্ষম কৰিব লাগিব।

*(শ্ৰীযুতা তামুলী গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰবক্তা)*




*নাম হেমপ্ৰভা কছাৰী, বয়স ৭৫ৰ ওপৰ। ডিব্ৰুগড় জিলাৰ কোটোহাৰ পৰা কলাখোৱা চাৰিআলিলৈ প্ৰায় বিশ কিলোমিটাৰ খোজকাঢ়ি উৎসাহ দিলে পদযাত্ৰীসকলক। ২০ জানুৱাৰী ২০১০ত।*

## শেহতীয়া সাংগঠনিক খবৰ

***বৃহৎ নদীবান্ধে অসম ধ্বংসস্তুপত পৰিণত কৰিব***

# বিধানসভা সমিতিক জনালে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে

**ধেমাজিৰ প্ৰতিবেদক ঃ** অসমৰ সংগ্ৰামী সংগঠনসমূহৰ ধাৰাবাহিক আন্দোলন, অসমৰ বৌদ্ধিক মহলৰ সৰৱ আলোচনা আৰু বিধানসভাৰ ভিতৰত একাংশ প্ৰতিনিধিৰ প্ৰতিবাদত অসম চৰকাৰে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰভাগৰ অৰুণাচল প্ৰদেশত তৈয়াৰ কৰিব খোজা বৃহৎ নদীবান্ধ তথা জলবিদ্যুৎ প্ৰকল্পই অসমত সৃষ্টি কৰিব লগা ভয়ংকৰ প্ৰভাৱৰ বিষয়ে অধ্যয়ন কৰি চৰকাৰক এক প্ৰতিবেদন দাখিলৰ বাবে গঠিত বিধন সভা সমিতি(The House Committee on the study of Big Dams)য়ে যোৱা ৬, ৭ আৰু ৮ জানুৱাৰী, ২০১০ত লখিমপুৰ আৰু ধেমাজি জিলা পৰিভ্ৰমণ কৰে। ৬ তাৰিখে গেৰুকামুখৰ নামনি সোৱণশিৰি নিৰ্মিয়মান জলবিদ্যুৎ প্ৰকল্প, ৭ তাৰিখে ৪০৫ মেগাৱাট ৰঙানদী নিপ্‌কো প্ৰকল্পস্থলী পৰিদৰ্শন কৰাৰ পাছত ৮ জানুৱাৰী তাৰিখে সদন সমিতিয়ে লখিমপুৰ আৱৰ্তভৱনত তেওঁলোকৰ টাৰ্মচ অব ৰেফাৰেন্সৰ ২নং ধাৰা অনুসৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিক সাক্ষাৎ কৰে। সিদিনা সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ, টি এম পিকে, সোৱণশিৰি ব্ৰহ্মপুত্ৰ উপত্যকা গণ সংগ্ৰাম সমিতি, নামনি সোৱণশিৰি প্ৰকল্পবিৰোধী ঐক্যমঞ্চ, সোৱণশিৰিপৰীয়া নাৰী সংৰক্ষক সমিতিকে ধৰি ৩০ টকাতকৈও অধিক দল-সংগঠনে সমিতিক লিখিতভাৱে প্ৰতিবাদ সাব্যস্ত কৰে আৰু বৃহৎ নদীবান্ধ বন্ধৰ দাবী জনায়। কিন্তু সিদিনা সদন সমিতিৰ ওচৰত অতি সবলভাৱে নিজৰ দাবীসমূহ উত্থাপন কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। দুই শতাধিক কৃষক কৰ্মীয়ে সিদিনা লখিমপুৰ আৱৰ্তভৱন চৌহদত উত্তাল পৰিবেশৰ সৃষ্টি কৰে। লখিমপুৰ জিলাৰ ঢকুৱাখনা আঞ্চলিক আৰু ধেমাজি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত অহা কৃষক কৰ্মীসকলে বান্ধ বিৰোধী বেনাৰ লৈ আৱৰ্তভৱন চৌহদত শ্লোগান দিবলৈ আৰম্ভ কৰে আৰু বিধান সভা সমিতিক ৰাইজৰ সন্মুখলৈ ওলাই আহিবলৈ আহ্বান জনায়। বিভিন্ন সংগঠনৰ কৰ্মীসকলে ইতস্ততঃ কৰি থকাৰ সময়তে কৃষক কৰ্মীসকলৰ এনে সবল স্থিতিয়ে অন্যসকলৰো মনোবল বৃদ্ধি কৰে আৰু এজন অতিৰিক্ত উপাযুক্ত আৰু বিধায়ক গিৰীণ বৰুৱাই সদন সমিতি দল-সংগঠনৰ স্মাৰক পত্ৰখিনি গ্ৰহণ কৰিয়ে ৰাইজৰ সন্মুখলৈ ওলাই আহিব বুলি প্ৰতিশ্ৰুতি দিয়ে। আনহাতে আৱৰ্তভৱনৰ ৰুদ্ধদ্বাৰ বৈঠকত নিষ্প্ৰাণভাৱে স্মাৰকপত্ৰ প্ৰদান হোৱা অনুষ্ঠানটোত সাংবাদিকসকলৰ প্ৰৱেশো নিষিদ্ধ কৰা হৈছিল যদিও কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক অখিল গগৈ আৰু সাংগঠনিক সম্পাদক ভবেন সুন্দিকৈয়ে সমবেত সকলো সংবাদকৰ্মীক লগত লৈ সদন সমিতিক সাক্ষাৎ কৰে। লগে লগে বিধায়কসকলৰ একাংশই ইয়াৰ প্ৰতিবাদ কৰে যদিও গগৈৰ সবল যুক্তিত সকলো সাংবাদিককে তাত থাকিবলৈ দিয়া হয়। অখিল গগৈৰ লগত সোৱণশিৰি ব্ৰহ্মপুত্ৰ উপত্যকা গণসংগ্ৰাম সমিতি আৰু নাৰী সংৰক্ষক সমিতিৰ প্ৰতিনিধিও ঐক্যবদ্ধভাৱে সভাস্থলীত প্ৰৱেশ কৰে। অখিল গগৈয়ে প্ৰথমেই যোৱা ৬ তাৰিখে সমিতিৰ অধ্যক্ষ মেম্বৰ গগৈয়ে এন এইচ পি চি কৰ্তৃপক্ষক লগ ধৰি অহাৰ পাছতে তেওঁলোকে বান্ধ বন্ধ কৰিবলৈ অহা নাই, নামনি অংশৰ প্ৰভাৱ অধ্যয়নহে কৰিবলৈ অহা বুলি কৰা ৰাজহুৱা মন্তব্যৰ তীব্ৰ প্ৰতিবাদ কৰে আৰু এনে মন্তব্যই সদন সমিতিৰ বিশ্বাসযোগ্যতাক নাইকিয়া কৰিব বুলি উল্লেখ কৰে। ইয়াৰ পাছতে তেওঁ ছয়দফীয়া ৯ পৃষ্ঠাৰ এক সুলিখিত তথ্যসমৃদ্ধ স্মাৰকপত্ৰ অধ্যক্ষৰ হাতত অৰ্পণ কৰে। দফাবোৰ হ'ল ঃ নামনিৰ প্ৰভাৱ অস্বীকাৰ, পাৰিবেশিক বিপদ, নদীবান্ধ আৰু বান নিয়ন্ত্ৰণ, পৰিবেশ প্ৰভাৱ মূল্যায়ন প্ৰতিবেদনৰ প্ৰহসন, বহু বান্ধৰ সমূহীয়া ভয়ংকৰ প্ৰভাৱ, বিশ্ব বান্ধ আয়োগৰ অনুমোদন। ইয়াৰ পাছতে অৰুণাচলৰ পাহাৰত প্ৰস্তাৱিত ১৬৮ টা প্ৰকল্পৰ প্ৰস্তাৱ বাতিল কৰিবলৈ নিৰ্মিয়মাণ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাম বন্ধ কৰিবলৈ, ৰঙানদী প্ৰকল্প বন্ধ কৰি দিবলৈ আৰু প্ৰকল্পটোৱে ক্ষতি কৰা লোকসকলক উপযুক্ত ক্ষতিপূৰণ দিবলৈ দাবী জনায়। আনহাতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সম্পদৰ অধিকাৰক দোহাই দি অঞ্চলটোৰ প্ৰয়োজন পূৰণৰ বাবে ৰাজ্য চৰকাৰসমূহৰ দ্বাৰা বিদ্যুৎ প্ৰকল্প স্থাপনৰ প্ৰস্তাৱো দিয়ে।



OKDISCD

সম্পাদক অখিল গগৈয়ে স্মাৰকপত্ৰ প্ৰদান অনুষ্ঠানত বক্তব্য ৰাখি কয় যে বৰ্তমানৰ কেন্দ্ৰীয় পৰিবেশ আৰু বন মন্ত্ৰালয়ে তৈয়াৰ কৰা পৰিৱেশ প্ৰভাৱ মূল্যায়ন প্ৰতিবেদনৰ যি টাৰ্মচ অব ৰেফাৰেন্স তাত কেৱল বান্ধৰ পৰা পাৱাৰ হাউচলৈ পৰিব পৰা প্ৰভাৱৰ বিষয়েহে অধ্যয়নৰ ব্যৱস্থা আছে। অৰ্থাৎ, বৰ্তমানৰ ব্যৱস্থাত অৰুণাচলৰ নামনিৰ অসমত পৰিব পৰা প্ৰভাৱৰ অধ্যয়নৰ ব্যৱস্থাই নাই। আনকি ই আই এ জাননী (EIA Notification 2006) অত বান্ধৰ পৰা ১০ কিঃ মিঃ ৰেডিয়াছত প্ৰভাৱ পেলোৱা অধ্যয়নৰহে দিহা আছে। অথচ আমি আটায়ে জানো নদী তললৈ বৈ আহে আৰু সেয়ে ওপৰত নদী ভেটি দিয়া কথাটোৱে নামনিৰ নদীপৰীয়া জীয়নৰ ওপৰত ব্যাপক প্ৰভাৱ পেলাব। গতিকে কেন্দ্ৰৰ এই অধ্যয়ন পদ্ধতিৰ মূলগত পৰিৱৰ্তন নোহোৱালৈকে অসমৰ দৰে নামনিৰ ৰাজ্যই নদীবান্ধ বন্ধাবলৈ দিব নালাগে। সদন সমিতিক এই বিষয়টো লক্ষ্য কৰি প্ৰকল্পসমূহৰ চলাই থকা সমগ্ৰ কাম-কাজ বন্ধ কৰিবলৈ অনুমোদন কৰি প্ৰতিবেদন দিবলৈ আহ্বান জনায়। তেওঁ এই আপাহতে জলসম্পদ ভাৰতীয় সংবিধান অনুসৰি এতিয়াও ৰাজ্য চৰকাৰৰ কৰ্তৃত্বৰ অন্তৰ্ভুক্ত বুলি উল্লেখ কৰে। তেওঁ কয়, বান্ধে নদীবোৰৰ স্বাভাৱিক অৱস্থাৰ মৃত্যু ঘটাব; খৰালি পানী শুকাই যাব, বাৰিষা বানপানী-খহনীয়াৰ প্ৰকোপ বৃদ্ধি কৰাই নহয়, বানপানীৰ চৰিত্ৰও সলনি হৈ ভয়ংকৰ ৰূপ ল'ব। ইয়াৰ সম্পৰ্কত তেওঁ সোৱণশিৰি বান্ধৰ বাবে নদীখনৰ কি ৰূপ হ'ব তাৰ এক তথ্যসমৃদ্ধ ব্যাখ্যা আগবঢ়ায়। বৃহৎ নদীবান্ধৰ আটাইতকৈ ডাঙৰ বিপদটোৱে হ'ল কৃষিভূমি ধ্বংস কৰা— দুটা পদ্ধতিৰে এই ঘটনা ঘটিব ঃ

(ক) বান্ধ নিৰ্মাণৰ বাবে পাহাৰৰ নদী বুকুৰ পৰা ব'ল্ডাৰ উঠোৱাৰ বাবে তললৈ বালি নামি আহিব আৰু নদীবোৰ বালিৰে পুতাৰ পাছত পথাৰত ব্যাপক বালি পৰিব। ডিবাং প্ৰকল্পৰ বাবে ৩২ লাখ ট্ৰাক ব'ল্ডাৰ উঠালে উজনি অসমৰ বহু কৃষিভূমি ধ্বংস হ'ব, যেনেকৈ বগীবিল দলঙৰ বাবে ধেমাজিৰ একাংশ কৃষিভূমি ধ্বংস হৈছে। (খ) কাৰ্বি লাংপি (১০০ মেগাৱাট), কপিলী (২০০ মেগাৱাট) প্ৰকল্পৰ বাবে নগাঁও, মৰিগাঁও জিলাৰ বিভিন্ন এলেকাৰ প্ৰায় ২ লাখ বিঘা মাটি ১৯৮০ ৰ দশকৰ পৰা কেনেকৈ বছৰত হোৱা ৭ বাৰকৈ বানে ধ্বংস কৰিলে তাৰ উদাহৰণেৰে ৫৭,০০০ মেগাৱাটৰ প্ৰকল্পবোৰে অসমখনকে ধ্বংসস্তূপত পৰিণত কৰিব। দ্বিতীয় ডাঙৰ বিপদটো হ'ল নদীৰ থলুৱা মাছবোৰ সমূলঞ্চে নাইকিয়া হ'ব আৰু ৩৯ লাখ মাছমৰীয়াৰ জীৱন-জীৱিকা নষ্ট হ'ব; এই সম্পৰ্কত গগৈয়ে ৰঙানদী, কপিলী প্ৰকল্পই কেনেকৈ মাছ বিলোপ কৰিছে তাৰ অভিজ্ঞতা আৰু তথ্য প্ৰদান কৰে। আনহাতে অৰুণাচলৰ ওপৰত মুঠ ১৬৮ টা বান্ধৰ সমূহীয়া প্ৰভাৱ কেনে হ'ব পাৰে তাৰ উল্লেখ কৰি কয় যে নেচনেল এন্ভাৰমেণ্ট এপিলেট অথৰিটী (NEAA) এ ২০০৭ চনৰ এপ্ৰিল মাহত দিয়া এক নিৰ্দেশত একোটা প্ৰকল্পৰ অনুমোদনৰ বাবে অঞ্চলটোৰ সমূহ প্ৰকল্পৰ 'আগতীয়া' সমূহীয়া প্ৰভাৱ মূল্যায়ন প্ৰয়োজন বুলি উল্লেখ কৰি থৈছে। আনহাতে একাদশ পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ প্লেনিংকমিছন টাস্ক ফৰ্চেও ২০০৬ চনৰ ডিচেম্বৰত একেই নিৰ্দেশ দি থৈছে। এই দুটা নিৰ্দেশনা কাৰ্যকৰী কৰাৰ পাছতহে অসমবাসী ৰাইজৰ মতামত সাপেক্ষে বান্ধ নিৰ্মাণ কৰা নকৰাৰ অনুমোদন জনাবলৈ সম্পাদক গগৈয়ে সদন সমিতিক আহ্বান জনায়। তেওঁ অসমৰ সম্পদৰ অধিকাৰ বৃটিছৰ দিনৰ পৰা কেনেকৈ কাঢ়ি নিয়া হৈছে তাৰ ব্যাখ্যা দাঙি ধৰাৰ লগতে বৰ্তমানৰ নদীবান্ধ প্ৰকল্পসমূহৰ দ্বাৰা জলসম্পদৰ অধিকাৰ কাঢ়ি নিব খোজা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে আৰু সদন সমিতিক ৰাজ্যবাসীৰ স্বাৰ্থত কাম কৰিবলৈ আহ্বান জনায়। সদন সমিতিয়ে আন সংগঠনসমূহক ১০-১৫ মিনিট সময় দিয়াৰ বিপৰীতে সংগ্ৰাম সমিতিৰ বক্তব্য গুৰুত্বসহকাৰে প্ৰায় ডেৰঘণ্টা শুনে। সদন সমিতিৰ ওচৰত গৱেষক দেৱজিৎ বৰুৱা, লক্ষ্মী হাজৰিকা আদিৰ দলটিয়েও গুৰুত্বপূৰ্ণ তথ্য-পাতি দাঙি ধৰে। শেষত সদন সমিতি ৰাইজৰ সন্মুখলৈ ওলাই আহি অসমৰ স্বাৰ্থ ৰক্ষা হোৱা প্ৰতিবেদন দিব বুলি প্ৰতিশ্ৰুতি দিয়ে। কৃষক কৰ্মীৰ প্ৰতিবাদস্থলীতে বিভিন্ন সংগঠনৰ এখনি সভাও অনুষ্ঠিত হয় আৰু এটি যুটীয়া বিবৃতিও প্ৰকাশ কৰে। উল্লেখযোগ্য যে কৃষক মুক্তিৰ বক্তব্য সদন সমিতি আৰু উপস্থিত সুধীসমাজে ভূয়সী প্ৰশংসা কৰাৰ লগতে ৰাজহুৱা শুনানীৰ অনুষ্ঠানটোকে এটা অন্য মৰ্যাদা দিয়া বুলি সৰ্বত্ৰ আলোচনা হয়।

OKDISCD

# চি পি আইৰ সৰ্বভাৰতীয় নেতাই বৃহৎ নদীবান্ধ বন্ধৰ দাবী জনালে

**গুৱাহাটীৰ প্ৰতিবেদক ঃ** যোৰা ২৩, ২৪ জানুৱাৰী ২০১০ তাৰিখে গুৱাহাটীৰ তাৰকাগৃহ সভাকক্ষত অনুষ্ঠিত বৃহৎ নদীবান্ধ সম্পৰ্কীয় এক আলোচনাচক্ৰত চি পি আই দলৰ কেন্দ্ৰীয় সমিতিৰ সদস্য অধ্যাপক ৰোহন ডি' ছুজাই বৃহৎ নদীবান্ধ বন্ধৰ স্পষ্ট দাবী উত্থাপন কৰিলে। অসম গণ পৰিষদ দলৰ উদ্যোগত অনুষ্ঠিত আলোচনা চক্ৰখনত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অধ্যাপক ডি' ছুজাই কয় যে ব্ৰহ্মপুত্ৰক প্ৰাকৃতিক অক্ষয় পুঁজি হিচাপে ঘোষণা কৰিব লাগে। নদীবান্ধৰ সৈতে ভাৰতীয় জনগণৰ ৬০ বছৰীয়া অভিজ্ঞতা আছে। তেতিয়াৰ পৰা এতিয়ালৈকে সকলো নদীবান্ধেই ৰাজনৈতিক লাভালাভত নিৰ্মিত হৈছে, কিন্তু ইয়াৰ পৰা জনগণ উপকৃত হোৱা নাই। ডি ছুজাই কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিনিধি আৰু অন্যান্য বিশিষ্ট ব্যক্তিৰ সন্মুখতে ২৩ তাৰিখৰ সভা আৰম্ভ হোৱাৰ পূৰ্বে হোৱা বাৰ্তালাপত তেওঁৰ চি পি আই দল বৃহৎ নদী বান্ধ সম্পৰ্কে বিভ্ৰান্তিত আছে (Confused) বুলি সমালোচনা কৰে। তেওঁ বৃহৎ নদীবান্ধ কোনোপধ্যেই সমৰ্থনযোগ্য বিষয় নহয় বুলি স্পষ্ট মত পোষণ কৰে। চি পি আই দলৰ অধ্যয়নপুষ্ট, নদী বিশেষজ্ঞ সৰ্বভাৰতীয় চিন্তাবিদ, ঐতিহাসিক এজনৰ এনে মতে বান্ধ বিৰোধী কৰ্মীসকলক যথেষ্ট উৎসাহিত কৰা পৰিলক্ষিত হয়। এই আলোচনাচক্ৰখনি ড° হীৰেন গোহাঁয়ে উদ্বোধন কৰে আৰু দুয়োটা দিনাই নীৰজ ৰাঘ'লিকাৰ প্ৰমুখ্যে বহু গুৰুত্বপূৰ্ণ ব্যক্তিয়ে বক্তব্য প্ৰদান কৰে। দ্বিতীয় দিনাৰ সভাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদক অখিল গগৈয়েও গুৰুত্বপূৰ্ণ বক্তব্য দাঙি ধৰি উপস্থিত শ্ৰোতাৰ মনোযোগ আকৰ্ষণ কৰে। সভাৰ শেষত অসমক বৃহৎ নদীবান্ধ নালাগে বুলি এক তাৎপৰ্যপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

আই আই এমত প্ৰাক্ বাজেট ভাষণ দিলে অখিল গগৈয়ে

# ৰাষ্ট্ৰীয় মঞ্চত উত্থাপন কৰিলে উত্তৰ-পূৰ্বাঞ্চলৰ কৃষকৰ সমস্যা

দেশৰ আটাইতকৈ অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান আহমেদাবাদস্থিত ভাৰতীয় মেনেজমেণ্ট প্ৰতিষ্ঠানৰ এক গুৰুত্বপূৰ্ণ প্ৰাক্ বাজেট আলোচনাত ভাগ ল'লে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদক অখিল গগৈয়ে। ২০১০-১১ বৰ্ষত ভাৰতৰ বাৰ্ষিক বাজেটত কৃষি বিষয়টোৱে কেনে গুৰুত্ব পোৱা উচিত আৰু কৃষিখণ্ডৰ কোন কোন বিষয়ক অধিক গুৰুত্ব দি বাজেট প্ৰস্তুত কৰিব লাগে সেই বিষয়ত আই আই এমৰ কৃষি বিভাগে অনুষ্ঠিত কৰা সৰ্বভাৰতীয় পৰ্যায়ৰ আলোচনাত অখিল গগৈয়ে কেৱল উত্তৰ-পূৰ্বাঞ্চলেই নহয়, দেশৰ ভূমিহীন, উপান্ত আৰু দৰিদ্ৰ কৃষকসকলে কেনে গুৰুত্ব পোৱা উচিত তাৰ ওপৰত বক্তব্য দাঙি ধৰি দেশৰ শিক্ষাবিদ, নীতি-নিৰ্ধাৰকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। যোৰা ১৫ জানুৱাৰীত অনুষ্ঠিত আলোচনা চক্ৰত তেওঁৰ স্বাভাৱিক বক্তৃতা শৈলীৰে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি দেশৰ নীতি-নিৰ্ধাৰকসকলৰ দৃষ্টি-ভংগী সলনি কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে স্বাধীনতাৰ পৰৱৰ্তী সময়তো ১৯৫০, ১৯৬০ৰ দশকৰ পৰা ১৯৭১ চনলৈ উত্তৰ-পূৰ্বাঞ্চল (তথা তেতিয়াৰ বৃহত্তৰ অসমে) খাদ্য শস্য উৎপাদনত আত্মনিৰ্ভৰশীল আছিল। ১৯২১ চনত অসম ভ্ৰমণৰ সময়ত মহাত্মা গান্ধীয়ে অঞ্চলটোৰ আত্মনিৰ্ভৰশীল অৰ্থনীতি দেখি দুৰ্ভিক্ষতো অসমবাসীয়ে ভোকত নমৰে বুলি উল্লেখ কৰাৰ বিষয়ে বক্তব্য দাঙি ধৰি কয় যে বৰ্তমান অঞ্চলটো কিন্তু আত্মনিৰ্ভৰশীল নহয়; তথাকথিত ভাৰতীয় সেউজ বিপ্লৱ, উত্তৰ-পূৰ্বাঞ্চলক বাদ দি দেশৰ অন্য অংশৰ কৃষকৰ বাবেই ন্যূনতম সমৰ্থনমূল্য প্ৰদান, ধনী কৃষকৰ বাবে ভৰ্তুকি আৰু চৰকাৰী সুবিধা প্ৰদান তথা ৰাষ্ট্ৰীয় নীতিসমূহ জধে মধে অসমৰ ওপৰত জাপি দিয়াৰ বাবেই অসমৰ এই দুৰৱস্থা। উত্তৰ-পূৰ্বাঞ্চলৰ কৃষকৰ ধান কিয় কেন্দ্ৰীয় চৰকাৰে নিকিনে আৰু এয়া দেখদেখ বঞ্চনা হয়নে নহয় বুলি তেওঁ প্ৰশ্ন কৰে। আমাক ঐতিহাসিক বজাৰসমূহৰ পৰা, পৰম্পৰাগত বাণিজ্যপথ আৰু ব্যৱসায়স্থলীৰ পৰা আঁতৰাই ঔপনিবেশিক আৰু উত্তৰ-উপনিবেশিক শাসকে অকলশৰীয়া কৰিছে বুলি অখিল গগৈয়ে কয়। আমাক আমাৰ এই বজাৰৰ পৰা বিচ্ছিন্ন কৰি যি বজাৰত এৰি দিয়া হৈছে সেয়া বেপাৰী ল'বিৰে ভাৰাক্ৰান্ত। তেওঁ অসমৰ চাউল চৰকাৰীভাৱে ক্ৰয় কৰা আৰু খাদ্য শস্য তথা নগদ শস্যৰ

OKDISCD

ন্যূনতম সমৰ্থনমূল্য নিৰ্ধাৰণৰ প্ৰস্তাৱ দাঙি ধৰে। তেওঁ কয় যে উত্তৰ-পূৰ্বাঞ্চল সম্পৰ্কে দেশৰ শাসক/নীতিনিৰ্ধাৰকসকলৰ জ্ঞান পৰ্যাপ্ত নোহোৱা পৰ্যন্ত, ইয়াৰ বিশেষ ৰূপটো নুবুজাকৈ কেৱল কেন্দ্ৰীয় গতানুগতিক আঁচনিৰে, অধিক ধন বিনিয়োগেৰে সমস্যাৰ সমাধান নোলায়। তেওঁ কয় যে আমি প্ৰাকৃতিকভাৱেই জৈৱিক। আমাৰ মাটিত এতিয়াও যথেষ্ট প্ৰাকৃতিক গুণ আছে, কৃষিভূমিও যথেষ্ট, পতিত মাটি উন্নয়নৰো সুবিধা আছে, অথচ আমাক বজাৰৰ স্বাৰ্থত বিদেশী পদ্ধতিৰ কৃষি জাপি দিব খোজা হৈছে। আমাৰ নিজস্ব অধিক উৎপাদনশীল, বতৰ সহনশীল বীজ আছে, তাক ৰক্ষা কৰি অধিক উন্নত কৰিবলৈ প্ৰয়োজন আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ ধান গৱেষণা কেন্দ্ৰৰ। প্ৰয়োজন ভূমি সংস্কাৰেৰে প্ৰকৃত কৃষকক মাটি তুলি দিয়া, এশ শতাংশ জলসিঞ্চনৰ ব্যৱস্থা কৰি উৎপাদনশীলতা বৃদ্ধি কৰাৰ। তেওঁ বান-খহনীয়াৰ সমাধান, কৃষকৰ বাবে ঋণ, মহকুমা পৰ্যায়ত একোটাকৈ মাটি/পানী পৰীক্ষণ কেন্দ্ৰ, যোগাযোগৰ আন্তঃগাঁথনি দাবী কৰাৰ লগতে বৃহৎ নদীবান্ধেৰে কৃষিভূমি ধ্বংস কাৰ্য বন্ধৰো আহ্বান জনায়। বজাৰত মধ্যভোগীৰ দৌৰাত্মৰ কথা উল্লেখ কৰি কয় যে এইবছৰ আদাৰ দাম অসমত সৰ্বোচ্চ ১৫ টকা অথচ দিল্লীত ৬০ টকা। আদাৰ বিভিন্ন তথা উন্নত প্ৰজাতিসমূহ উল্লেখ কৰি অনতিপলমে অসমত এটা ডিহাইড্ৰেচন কেন্দ্ৰ প্ৰতিষ্ঠাৰ দাবী জনায়। উত্তৰ-পূৰ্বাঞ্চলৰ ৭০ শতাংশতকৈ অধিক মাটি পাহাৰীয়া গতিকে উদ্যানশস্যৰ সম্ভাৱনীয়তাৰ কথা ব্যক্ত কৰি কয় যে ত্ৰিপুৰাত মাটি কঠাল, মেঘালয়ত কঠাল অঞ্চলটোৰ প্ৰয়োজনতকৈ অধিক উৎপাদন হৈ থকাৰ পাছতো বাহিৰত বজাৰ বা ফুড প্ৰচেছিং কেন্দ্ৰৰ কোনো ব্যৱস্থা নাই। সেয়েহে খাদ্য সংৰক্ষণ আৰু প্ৰচেছিং চেণ্টাৰ স্থাপনৰ দাবী জনোৱা হয়। কম দামত বিভিন্ন ফুল আৰু অৰ্কিড উৎপাদনৰ সম্ভাৱনা, কমলা, জালুক, ইলাচি, বিলাহী আদিৰ ৰমৰমীয়া উৎপাদনৰ পাছতো উপযুক্ত বজাৰৰ ব্যৱস্থা নথকাত ন্যূনতম সমৰ্থন মূল্যৰ কথা উল্লেখ কৰে গগৈয়ে। আনহাতে সাঁচি, এৰিমুগা টকৌপাত, কমলা আৰু ক্ষুদ্ৰ চাহ বাগিচাৰ অসমৰ অৰ্থনীতিত থকা ব্যাপক প্ৰভাৱৰ বিষয়ে উল্লেখ কৰি সাঁচিক উদ্যানশস্য ৰূপে ঘোষণা কৰি কৃষকৰ ববে ন্যূনতম সমৰ্থনমূল্য নিৰ্ধাৰণ কৰা; এৰি, টকৌ আৰু কমলাৰ বাবে এক অভিযান ঘোষণা কৰা আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ পাতৰ ন্যূনতম সমৰ্থনমূল্য প্ৰতি বছৰে ঘোষণা কৰিবলৈ দাবী জনায়। অসমৰ প্ৰাকৃতিক বিল, অসমৰ জীৱ-জন্তু আৰু হাঁহ পাৰৰ বাবে বিশেষ ব্যৱস্থাৰ দাবী জনোৱা হয়। আনহাতে কেন্দ্ৰীয় চৰকাৰে কেৱল বাচমতিক ৰপ্তানিৰ ব্যৱস্থা কৰি অসমৰ জহা চাউল আৰু বৰা চাউলৰ প্ৰতি বৈষম্য কৰা বুলি দাবী কৰে অসমৰ কৃষক আন্দোলনৰ কৰ্মীজনে। ভাৰতৰ সৰ্ববৃহৎ দুগ্ধ প্ৰতিষ্ঠান 'বানস ডায়েৰী'ৰ মেনেজিং ডাইৰেক্টৰ সংগ্ৰাম চৌধুৰীয়ে পৰিচালনা কৰা, ভাৰত চৰকাৰৰ বিত্ত আৰু কৃষি মন্ত্ৰালয়ৰ জ্যেষ্ঠ-বিষয়াসকল উপস্থিত থকা আলোচনা চক্ৰখনিত দেশৰ কুঁহিয়াৰ কৃষক তথা চেনিকলৰ মালিক সন্থা, তৈল শস্য উৎপাদক, আম খেতিয়ক, কপাহ, তথা কপাহ উদ্যোগ, কৃষি বেংক, কৃষি বীমা, সাৰ তথা বীজ উদ্যোগ, পাইকাৰী গ্ৰাহক সন্থা, ট্ৰেড ইউনিয়ন, কৃষি যান্ত্ৰিকীকৰণ উদ্যোগ আদিৰ প্ৰতিনিধি উপস্থিত থাকি নিজৰ নিজৰ ক্ষেত্ৰখনৰ বাবে ঋণ ৰেহাই, ভৰ্তুকি আদিৰ বাবে বক্তব্য দাঙি ধৰে। আলোচনাচক্ৰখনত নাবাৰ্ডৰ মুখ্য প্ৰবন্ধক এ লাহিড়ী, গুজৰাটৰ প্ৰাক্তন বিত্তমন্ত্ৰী সনতভাই মেহতা, ভাৰত চৰকাৰৰ ফুড প্ৰচেছিং মন্ত্ৰালয়ৰ সঞ্চালক সঞ্চয় গেহলট আদিয়ে বক্তব্য দাঙি ধৰে। আটাইসকল বক্তাই নিজ নিজ ক্ষেত্ৰত বাজেটত স্থান দিবলৈ ল'বি কৰাৰ সময়তে অসমৰ অখিল গগৈয়ে সৰ্বভাৰতীয় ভূমিহীন, দৰিদ্ৰ আৰু উপান্ত কৃষকৰ পক্ষে নীতি পৰিৱৰ্তনৰ বক্তব্য দাঙি ধৰাটো গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদকজনে কয় যে দেশৰ কৃষকৰ ৮০ শতাংশই দৰিদ্ৰ; আনহাতে অসমৰ ২৮ শতাংশ ভূমিহীন, ৩৬ শতাংশ উপান্ত আৰু ২৬ শতাংশ দৰিদ্ৰ কৃষক মিলি মুঠ ৯০ শতাশ কৃষকেই দৰিদ্ৰ। তেনেস্থলত এই সংখ্যাগৰিষ্ঠ শ্ৰেণীটোক বাদ দি কৰা কোনো কামেই দেশক আগুৱাই নিব নোৱাৰে বুলিও তেওঁ কয়। উল্লেখযোগ্য যে অন্য এজন অসম সন্তান আই আই এম আহমেদাবাদৰ সঞ্চালক সমীৰ কুমাৰ বৰুৱাই আলোচনা চক্ৰখন উদ্বোধন কৰে। তেওঁ কয় যে কৃষি বিভাগে পূৰ্বে দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ৫০ শতাংশ অৰিহণা দিছিল, বৰ্তমানৰ অৱদান কেৱল ১৭ শতাংশ। আমি সকলোৰে কেৱল পৰামৰ্শ দিও কিন্তু কাৰ্যকৰী কৰাৰ বেলিকা সদায়ে পিছপৰা বুলি উল্লেখ কৰি ৰাজনীতিকৰ ন্যস্ত স্বাৰ্থ পূৰণৰ উদ্দেশ্যে কৃষিখণ্ডক ব্যৱহাৰ কৰিবলৈ দিব নালাগে বুলি বক্তব্য দাঙি ধৰে।

*(বিভিন্ন কাকতৰ পৰা সংগৃহীত)*

## কামৰূপ জিলাত ভূমি সামন্তবাদ সম্পৰ্কীয় গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ

**ৰাণীৰ প্ৰতিবেদক** ঃ কামৰূপ জিলাৰ ৰাণী প্ৰাথমিক বিদ্যালয়ত যোৱা ২৩ জানুৱাৰীত 'কামৰূপ জিলাৰ ভূমি সামন্তবাদ আৰু ইয়াৰ প্ৰতিকাৰ' সম্পৰ্কীয় এক গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ অনুষ্ঠিত হয়। কামৰূপ জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত আৰু গড়ভাঙা পাহাৰ, বকো, ৰাণী আৰু বৰজুলি আঞ্চলিক কমিটিৰ সহযোগত অনুষ্ঠিত আলোচনা সভাখনিত সভাপতিত্ব কৰে জিলা সভাপতি কিনাৰাম ৰাভাই। সভাৰ বিষয়বস্তু উত্থাপন কৰি সম্পাদক অনিল বড়োৱে কামৰূপ জিলাখনত থকা বিভিন্ন প্ৰকাৰৰ ভূমি সামন্তবাদৰ বিষয়ে আলোচনা কৰি ইয়াৰ প্ৰতিকাৰৰ বাবে ঐক্যবদ্ধ কৃষক সংগ্ৰামৰ পোষকতা কৰে। মিৰ্জা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবীন চৌধুৰীয়ে অংশগ্ৰহণ কৰি কামাখ্যা দেবোত্তৰ, চৌধুৰী-তালুকদাৰসকলৰ ভূমি সামন্তবাদ আৰু শেহতীয়াকৈ ৰাজ্যখনৰ বাহিৰৰ ব্যৱসায়ীয়ে বিভিন্ন প্ৰকাৰে কৃষকসকলৰ পৰা মাটি কাঢ়ি লোৱাৰ কাহিনীৰ ব্যাখ্যা আগবঢ়ায়। তেওঁ কেইদিনমানৰ পূৰ্বে গুৱাহাটীৰ এজন অধিবক্তা মাটিগিৰিয়ে ৰায়তৰ ঘৰ জ্বলাই দিয়াৰ উদাহৰণ দাঙি ধৰে। আলোচনা সভাত মুখ্য বক্তা ৰূপে অংশগ্ৰহণ কৰি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক অখিল গগৈয়ে আহোম সামন্তবাদৰ পৰা কেনেকৈ কৃষকৰ উদ্বৃত্ত শ্ৰম শোষণ আৰম্ভ হ'ল তাৰ ব্যাখ্যা আগ বঢ়ায়। তাৰ পৰৱৰ্তী সময়ত বৃটিছ সাম্ৰাজ্যবাদে কেনেকৈ চাহ বাগানৰ ভূমি অধিগ্ৰহণ কৰিলে, ১৮৮৬ চনৰ ভূমি আইনৰ জৰিয়তে কেনেকৈ তেল, কয়লা, চূণশিল আদি খনিজ পদাৰ্থৰ অধিকাৰ কাঢ়ি ল'লে তাৰ বিস্তৃত ব্যাখ্যা আগবঢ়ায়। ১৯৪০-৫০ ৰ দশকত চি পি আই আৰু আৰ চি পি আইৰ নেতৃত্বত সামন্তবাদ আৰু সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ বিষয়েও উল্লেখ কৰি কয় যে ১৯৭১ চনৰ প্ৰজাস্বত্ব আইনৰ জৰিয়তে এতিয়াও অসমৰ দুখীয়া কৃষকে ভূমিৰ অধিকাৰ লাভ কৰা নাই। সেয়েহে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে এক আধুনিক ভূমি সংস্কাৰ আন্দোলন গঢ়ি তোলা বুলি উল্লেখ কৰে। তেওঁ কয় যে ২০১৫ চনৰ ভিতৰত চৰকাৰে প্ৰকৃত ভূমি সংস্কাৰ সাধন নকৰিলে কৃষক সমাজে কঠোৰ সংগ্ৰামৰ বাবে সাজু হ'ব লাগিব। সহস্ৰাধিক কৃষকৰ উপস্থিতিত অনুষ্ঠিত সভাখনিত স্থানীয় শিক্ষক ভূপেন দাসেও বক্তব্য আগবঢ়ায়। সভাত সংগ্ৰাম সমিতিৰ প্ৰচাৰ সম্পাদক কমল কুমাৰ মেধি, সাংগঠনিক সম্পাদক অচ্যুৎ শইকীয়া, ভৰেন সন্দিকৈ আদিয়ে বক্তব্য দাঙি ধৰি কামৰূপ জিলাত সামন্তবাদ বিৰোধী সংগ্ৰামখনৰ নেতৃত্ব ল'বলৈ কৃষক মুক্তি সংগ্ৰাম সমিতি সাজু বুলি উল্লেখ কৰে।

## নাজিৰাত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দুৰ্নীতি বিৰোধী সংগ্ৰাম

**নাজিৰাৰ প্ৰতিবেদক** ঃ শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ নমাটি আৰু মঠিয়াচিগা আঞ্চলিক কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে সাহসেৰে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম অব্যাহত ৰাখিছে। সভাপতি দয়াৰাম শইকীয়া আৰু সম্পাদিকা অম্বিকা শইকীয়াৰ নেতৃত্বত মঠিয়াচিগা জোকতলি সমবায় সমিতি আৰু নাজিৰা মহকুমাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ব্যাপক দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰি সৌকাজান সত্ৰ, কোঁৱৰ গাঁও আৰু মঠিয়াচিগা চাৰিআলিৰ তিনিজন সমবায় এজেণ্টৰ দোকান বন্ধ কৰিবলৈ বাধ্য কৰায়। সমিতিখনে এই দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ কাৰণেই ৰাইজে পূৰ্বতকৈ কম দামত আৰু অধিক পৰিমাণে কেৰাচিন আদি সামগ্ৰী পাবলৈ সক্ষম হৈছে।

## কাছাৰ জিলাতো কৃষকৰ সংগ্ৰাম

**শিলচৰৰ প্ৰতিবেদক** ঃ ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে কাছাৰ জিলাতো কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সংগ্ৰামে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। টিপাইমুখ বৃহৎ নদীবান্ধৰ বিৰুদ্ধে জিলাখনৰ কৃষক ৰাইজে সংগ্ৰাম অব্যাহত ৰাখিছে। কিছুদিন পূৰ্বে ইয়াৰ বিৰুদ্ধে শিলচৰত বিশাল আন্দোলন গঢ়ি তোলাৰ পাছত যোৱা ২৯ ডিচেম্বৰত টিপাইমুখৰ ১৫০০ মেগাৱাট জলবিদ্যুৎ প্ৰকল্পৰ বিৰুদ্ধে এক ঐক্যবদ্ধ আলোচনা চক্ৰত সংগ্ৰাম সমিতিয়ে অগ্ৰণী ভূমিকা পালন কৰে। সিদিনা অনুষ্ঠিত আন্তৰাষ্ট্ৰীয় আলোচনা চক্ৰখনত বাংলাদেশৰ মুচাব্বীৰ হুছেইন, মণিপুৰৰ ৰাংঘে ৰূপ্ৰাম, ৰামানন্দ তথা আৰ কে ৰঞ্জন, পুণেৰ নিৰজ ৱাঘ'লিকাৰ, অসমৰ ৰবীন্দ্ৰ নাথ, কেশৱকৃষ্ণ চত্ৰধাৰ আদিৰ লগতে সংগ্ৰাম সমিতিৰ সভাপতি মোলান লস্কৰে বক্তব্য আগবঢ়ায়। সভাত টিপাইমুখ প্ৰকল্পৰ বিৰুদ্ধে দেশে-বিদেশে সংগ্ৰাম গঢ়ি তোলাৰ সিদ্ধান্ত লোৱা হয়। উদাৰবন্দ আঞ্চলিক কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি আলাউদ্দিন লস্কৰ আৰু সম্পাদক মাণিক পালৰ নেতৃত্বত শতাধিক কৃষক কৰ্মীয়ে আলোচনা চক্ৰখনিত অংশগ্ৰহণ কৰে।

OKDISCD

# নতুন সমিতি গঠন

## *শিৱসাগৰত*

**শিৱসাগৰৰ প্ৰতিবেদক ঃ** শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ আঞ্চলিক আৰু প্ৰাথমিক শাখা সমিতি গঠনৰ কাম পূৰ্ণ গতিত চলি আছে। যোৱা দহ জানুৱাৰীত শিৱসাগৰ জিলাৰ দিকচু হাইস্কুলত অনুষ্ঠিত এক বিশাল ৰাজহুৱা সভাৰ জৰিয়তে অঞ্চলটোৰ কৃষকসকলে গঠন কৰে সংগ্ৰাম সমিতিৰ দিকচু আঞ্চলিক সমিতি। স্থানীয় কৃষক বিনন্দ মাধৱ কাকতিৰ সভাপতিত্বত অনুষ্ঠিত উক্ত কৃষক সভাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সম্পাদক অখিল গগৈ, সাংগঠনিক সম্পাদক ডিম্বেশ্বৰ গগৈ উপস্থিত থাকি অঞ্চলটোৰ কৃষকসকলক নিজ অধিকাৰ সম্পৰ্কত সচেতন কৰি তোলে। উক্ত সভাতে বিনন্দ গগৈক সভাপতি, যাদৱ চুতীয়াক কাৰ্যকৰী সভাপতি, তোযেশ্বৰ হাজৰিকা, হীৰেন গগৈ আৰু বিমান গগৈক সহকাৰী সম্পাদক হিচাপে লৈ সংগ্ৰাম সমিতিৰ ৫১ জনীয়া দিকচু আঞ্চলিক সমিতি গঠন কৰা হয়।

আনহাতে শিৱসাগৰ জিলাৰ নামতি অঞ্চলৰ বিভিন্ন ঠাইত ইতিমধ্যে সংগ্ৰাম সমিতিৰ প্ৰাথমিক শাখা সমিতি গঠিত হৈছে। তাৰে কেইখনমান হ'ল— গৰখীয়া পুখুৰী (সভাপতি-সম্পাদক ক্ৰমে বেৰ চুতীয়া আৰু উপেন চুতীয়া), নামতি পুল (সভাপতি-সম্পাদক ক্ৰমে প্ৰফুল্ল গগৈ আৰু সদা বৰা), খঁৰাগড় (সভাপতি-সম্পাদক ক্ৰমে পদ্মনাথ দুৱৰা আৰু নগেন গগৈ), দিকচু (সভাপতি-সম্পাদক ক্ৰমে দেৱেন কাকতি আৰু ৰাজেন চেতিয়া)।

## *কাৰ্বি আংলঙত*

**ডিফুৰ প্ৰতিবেদক ঃ** কাৰ্বি আংলং জিলাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেইবাখনো আঞ্চলিক আৰু প্ৰাথমিক সমিতি গঠনৰ বাতৰি আহি আছে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি মোলান লস্কৰৰ নেতৃত্বত জিলাখনৰ হাওৰাঘাট, মাঞ্জা, বকলীয়া আৰু চামেৰাংছু উন্নয়নখণ্ড এলেকাত বকলীয়া আঞ্চলিক কৃষক মুক্তি সংগ্ৰাম সমিতি, ডকমকা আঞ্চলিক সমিতি আৰু মাঞ্জা আঞ্চলিক (তদৰ্থ) সমিতি গঠন কৰা হয়। আনহাতে জিলাখনত ৫০ খনৰো অধিক প্ৰাথমিক সমিতি গঠন কৰা হয়। যোৱা ২৭ নৱেম্বৰৰ ২০০৯ তাৰিখে সহস্ৰাধিক ৰাইজে হাওৰাঘাট ঘেৰাও কৰে আৰু অনতিবিলম্বে সকলো পৰিয়ালকে জবকাৰ্ড দিবলৈ দাবী জনায়। ইয়াৰ পাছতে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ তত্ত্বাৱধানত সকলো পৰিয়ালকে জবকাৰ্ড প্ৰদান কৰা হয়। আনহাতে মাঞ্জা আদি ব্লকতো সংগ্ৰাম সমিতিয়ে জবকাৰ্ড দিবলৈ বাধ্য কৰে। জিলাখনৰ কেইবাখনো সমবায় দোকান আৰু সমবায় সমিতিৰ কাৰ্যালয় ঘেৰাও কৰি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দুৰ্নীতি বন্ধৰো দাবী জনায়। পাহাৰীয়া জিলাখনত কৃষক ৰাইজৰ মাজত ব্যাপক উৎসাহৰ সৃষ্টি হৈছে। আনহাতে দুৰ্নীতিকাৰী চক্ৰটোৱে সঘনে সংগ্ৰাম সমিতিৰ কৰ্মীক ভাবুকি দি আছে যদিও ৰাইজৰ সহযোগত সফলভাৱে ইয়াৰ মোকামিলা কৰি থকা হৈছে।

## *ঢকুৱাখনাত*

**ঢকুৱাখনাৰ প্ৰতিবেদক ঃ** সমস্যাৰে ভাৰাক্ৰান্ত, বানেগৰকা ঢকুৱাখনাতো কৃষক মুক্তি সংগ্ৰাম সমিতিৰ আঞ্চলিক গঠনে মহকুমাবাসী ৰাইজলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। বিশেষকৈ সোণাৰিচাপৰি, কেঁকুৰি আদি অঞ্চলত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সবল স্থিতিয়ে দুৰ্নীতিগ্ৰস্ত ৰাজনীতিক আৰু বিষয়াসকলৰ নিদ্ৰা হৰণ কৰিছে।

## *ডিব্ৰুগড়-তিনিচুকীয়া জিলাত*

**তিনিচুকীয়াৰ প্ৰতিবেদক ঃ** কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ঐতিহাসিক পদযাত্ৰাৰ পাছত তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ চুকে-কোণে সংগ্ৰাম সমিতিৰ সংগঠন গঢ়ি উঠিছে। ইতিমধ্যে লক্ষ্মীপথাৰ, মাঘেৰিটা, পাৱৈ, পেঙেৰীৰ ইনখেম, দুলীয়াজান, চাচনি, কাকপথাৰ, ধলা আদি আঞ্চলিক সমিতিবোৰ গঢ়ি উঠিছে। আনহাতে যোৱা ২৬ জানুৱাৰী তাৰিখে চাবুৱা আঞ্চলিক সমিতিয়ে ২০০ জনীয়া চাইকেল শোভাযাত্ৰীয়ে শ্লোগানেৰে অঞ্চলটোৰ আকাশ-বতাহ মুখৰিত কৰি পেলায়।

## *বৰপেটাত*

**বাঘমাৰাৰ প্ৰতিবেদক ঃ** বৰপেটা জিলাৰ বিভিন্ন ঠাইত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কমিটি গঠনৰ কাম চলি আছে। যোৱা ২৯ নৱেম্বৰত বাঘমাৰাৰ জয়হিন্দ প্ৰেক্ষাগৃহত

কঠালমূৰী গাঁৱৰ কৃষক মকুন্দ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত এখন ৰাজহুৱা সভাই মধু শৰণীয়াক সভাপতি, প্ৰহ্লাদ কলিতাক উপসভাপতি, ৰূপা কলিতাক সম্পাদিকা, মকুন্দ কলিতাক সহকাৰী সম্পাদক আৰু কুলদীপ দাসক সদস্য হিচাপে লৈ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ বাঘমাৰা আঞ্চলিক (তদৰ্থ) সমিতি গঠন কৰে। উক্ত সভাত সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভাপতি মোলান লস্কৰ আৰু প্ৰচাৰ সম্পাদক কমল কুমাৰ মেধিয়ে কৃষকৰ বিভিন্ন সমস্যা সমাধানৰ বিষয়ে বক্তব্য দাঙি ধৰে।

## যোৰহাটত কৃষকৰ আন্দোলন

**যোৰহাটৰ প্ৰতিবেদক ঃ** যোৰহাট জিলাৰ বিভিন্ন অঞ্চলৰ লগতে চেলেংহাট অঞ্চল, লাহিং মৌজা, নকছাৰী আদি এলেকাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সবল উপস্থিতিয়ে কৃষকসকলক উৎসাহিত কৰি তুলিছে। যোৱা ০০ তাৰিখে চেলেংহাট উন্নয়ন খণ্ড ঘেৰাও কৰি কৃষকসকলে জবকাৰ্ড কাঢ়ি আনিবলৈ সক্ষম হয়। সিদিনা ৰাষ্ট্ৰীয় তথ্যৰ অধিকাৰ বঁটা বিজয়ী অখিল গগৈক তেওঁৰ জন্মস্থানত বিপুলভাৱে সম্বৰ্দ্ধনাও জনোৱা হয়।

*প্ৰথম পৃষ্ঠাৰ পৰা*

# সফলতাৰে আগবাঢ়িছে কৃষকৰ ঐতিহাসিক পদযাত্ৰা

কৰিবলৈকে, আগতে কোনেও নকৰা, ভাবিবও নোৱাৰা, নতুন কাম কৰিবলৈকে যেন এই সংগঠনত জন্ম। কৰিব পাৰিলে ভাল আছিল, সিয়েই আটাইতকৈ দৰকাৰী কাম বুলি বহুতে ভবা এনেবোৰ কাম কৰাৰ ইতিহাসেৰে এই সংগঠনৰ ট্ৰেক ৰেকৰ্ড ভৰ্তি। ২০০৫ চনৰ ৬ মাৰ্চৰ পৰা ২১ মাৰ্চলৈ গুৱাহাটীৰ দিশপুৰৰ পৰা গোলাঘাটৰ দৈয়াং-টেঙানিলৈ ১৬ দিনীয়া পদযাত্ৰা, ২০০৫ চনৰ ২০ জুনৰ পৰা ২০ জুলাইলৈ ৰাজ্যজোৰা চাইকেল শোভাযাত্ৰা, নিজৰে কামৰ এই ৰেকৰ্ডবোৰ ভাঙি এইবোৰ ১ নৱেম্বৰ ২০০৯ ৰ পৰা আৰম্ভ কৰা হ'ল এনে এক কাৰ্যসূচী য'ত আছে কেৱল প্ৰত্যাহ্বান, য'ত আছে অসম্ভৱক সম্ভৱ কৰাৰ দুৰ্বাৰ হেঁপাহ। ৩ বা ৪ টা বছৰ একেৰাহে খোজ কাঢ়ি আহি থাকিলেহে এই লক্ষ্য পূৰণ সম্ভৱ। এবাৰ ভাবি চাওক তিনি বা চাৰিটা বছৰ একেৰাহে ঘৰৰ পৰা আঁতৰি থাকিব, নিজৰ আপোন বিচনাখনলৈ এদিনো নাযায়, আত্মীয়-স্বজনৰ লগত হাঁহি-কান্দোনৰ মাজত থাকিবলৈ নাপাব, এসাঁজো আই বা পত্নী বা ককাই-ভনীৰ হাতেৰে খাবলৈ নাপাব, অথচ আপুনি গৈয়ে থাকিব, গৈয়ে থাকিব, পিঠিত থাকিব এবোজা কাপোৰ। হয়, এনেকৈয়ে আগবাঢ়িছে আমাৰ ঐতিহাসিক পদযাত্ৰাৰ কৃষকসকল; য'ত আছে এজন ৮৯ বছৰীয়া বৃদ্ধ, আছে ৭৭ বছৰীয়া কৃষক সংগ্ৰামী, আছে ২টি ল'ৰা-ছোৱালী থকা মাতৃ, আছে ১৬-২৫ বছৰীয়া গাভৰু অথবা যুৱক।

১ নৱেম্বৰ ২০০৯ তাৰিখে অসমৰ পূব প্ৰান্তৰ শদিয়াৰ চাউলখোৱা গাঁৱৰ পৰা আৰম্ভ হ'ল এই যাত্ৰা। আলোকৰ যাত্ৰা, পৰিৱৰ্তনৰ যাত্ৰা। অসমৰ প্ৰতিখন গাঁও দেখিব লাগিব, চাব লাগিব গাঁওবোৰৰ সম্পদ, বুজিব লাগিব তেওঁলোকৰ সমস্যা, তেওঁলোকৰ মৰ্মবেদনা; বনাব লাগিব এক নতুন অসমৰ মানচিত্ৰ। সিদিনা ১নং চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত সহস্ৰাধিক ৰাইজৰ উপস্থিতিত উৎসৱমুখৰ পৰিৱেশত, খোল আৰু উৰুলিৰ মাতত, ঢোলৰ চাপৰত ৫৫ জন মানুহৰ দৃঢ় সংকল্প। আমি অসম্ভৱক সম্ভৱ কৰিম। আমাৰ উপদেষ্টা মধুৰাম গগৈয়ে উদ্বোধন কৰিলে এই পদযাত্ৰা, ইটোৰ পাছত সিটো শ্লোগানৰ মাজত। সভাপতি মোলান লস্কৰ, কাৰ্যকৰী সভাপতি পবিত্ৰব্ৰত দৈমাৰী, দুজন উপসভাপতি ধৰ্মেশ্বৰৰ শইকীয়া আৰু ৰাজু বৰাৰ উপস্থিতিত সম্পাদক অখিল গগৈৰ নেতৃত্বত আৰম্ভ হ'ল এই যাত্ৰা। ঠিৰ কৰা হ'ল, নিতৌ ২৫ ৰ পৰা ৩০ কিঃ মিঃ পথ অতিক্ৰম কৰা হ'ব। তিনিখন ৰাজহুৱা সভা, মাজে মাজে পথত লগ পোৱা মানুহৰ লগত বাৰ্তালাপ, পথাৰৰ ৰোৱনী-দাৱনী-হালোৱাৰ লগত আড্ডা— এনে আছিল পৰিকল্পনা। সন্ধিয়াৰ কোনোবা এখন গাঁৱত গৈ আশ্ৰয় লোৱা হ'ব, ঘৰে ঘৰে দুজন তিনিজনকৈ থকা হ'ব, থকাৰ সময়খিনিত গাঁওখনৰ অৰ্থনৈতিক অৱস্থাৰ এটি সমীক্ষা লোৱা হ'ব। পুৱা থকা ঘৰখনত আধাঘণ্টাৰ পৰা এঘণ্টা শ্ৰমদান কৰা হ'ব আৰু ৮ বজাত পুনৰ আৰম্ভ হ'ব যাত্ৰা। গাঁৱৰ বিশেষ সমস্যা, (যেনে খহনীয়) আদি থাকিলে সমূহীয়া পৰিদৰ্শন হ'ব আৰু গাঁওবাসীয়ে আনখন গাঁৱলৈ আগবঢ়াই দিব। প্ৰথম দিনা বহুদূৰ যোৱা নহ'ল, কাৰণ উদ্বোধনী অনুষ্ঠানটোত



OKDISCD

যথেষ্ট সময় ল'লে। সিদিনা ৰাতিটো কটোৱা হ'ল বুঢ়াবুঢ়ী দেউৰী গাঁৱত।

মূলতঃ এক আধুনিক ভূমিসংস্কাৰ আন্দোলনৰ বাবে কৃষক-শ্ৰমিক-ৰাইজক সাজু কৰি তোলাটোৱে এই পদযাত্ৰাৰ প্ৰধান উদ্দেশ্য। অসমৰ ভূমিৰ ওপৰত প্ৰকৃত কৃষকৰ, থলুৱা কৃষকৰ অধিকাৰ প্ৰতিষ্ঠা কৰিব লাগিব। সেই ভূমি বান-খহনীয়াৰ পৰা মুক্ত কৰিব লাগিব। পতিত, চৰকাৰী, গ্ৰেজিং, বনাঞ্চল, অনাজৰীপকৃত ভূমিত দীৰ্ঘদিন ধৰি বসবাস কৰি থকা কৃষকক ভূমি অধিকাৰ প্ৰদান কৰিব লাগিব। আন এটা ডাঙৰ দাবী হ'ল পথাৰত এশ শতাংশ জলসিঞ্চনৰ ব্যৱস্থা কৰা। **১৮৮৬ চনৰ অসম ভূমি আৰু ৰাজহ অধিনিয়মে** ভূগৰ্ভৰ খনিজ পদাৰ্থৰ ওপৰত অসমবাসীৰ অধিকাৰ নিঃশেষ কৰাৰ পাছত এই ঔপনিবেশিক ভূমি আইন সংশোধন ঘটাব লাগিব। বিশ্বায়নে আমাৰ পানী, বায়ু, পোহৰৰ ওপৰতো ক্ৰমাগতভাৱে দেশী-বিদেশী কোম্পানীক কৰ্তৃত্ব প্ৰদান কৰাৰ বিৰুদ্ধে, বৃহৎ নদীবান্ধ আঁচনি বন্ধৰ দাবীত, সম্পদৰ ওপৰত অসমবাসী জনতাৰ অধিকাৰ সাব্যস্তকৰণৰ বাবে জনগণক সজাগ-সচেতন কৰিব লাগিব। কেৱল এয়ে নহয়, এনৰেগা, ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু দৰিদ্ৰ শ্ৰেণীটোৰ কল্যাণৰ বাবে লোৱা সকলো আঁচনিৰ দুৰ্নীতিৰ বিৰুদ্ধে সজাগ-সচেতন কৰা, আঁচনিবোৰ সঠিক ৰূপায়নৰ বাবে জনগণক সক্ৰিয় কৰা অথবা গাঁওসভাবোৰ, গাঁৱৰ ৰাইজক শক্তিশালী কৰাৰ প্ৰবল প্ৰত্যাশাৰে কৰা হৈছে এই পদযাত্ৰা। শদিয়াত যাত্ৰা আৰম্ভ কৰাৰ লগে লগে খুলি গ'ল এনে এখন দুৱাৰ য'ত সোমাই আশ্চৰ্যান্বিত হৈ গ'ল সকলো। প্ৰতিটো পৰিয়াললৈ কমেও ১২ বিঘাকৈ মাটি প্ৰদানৰ বাবে পতিত মাটি উদ্ধাৰ কৰাৰ যি কৰ্মসূচী তুলি ধৰা হৈছে সেয়া কিমান বাস্তৱসন্মত কথা দেখিবলৈ পোৱা গ'ল। ডিবাং, লোহিত, কুণ্ডিল, জীয়া নৈৰ পাৰে পাৰে পদযাত্ৰীসকলে প্ৰত্যক্ষ কৰিলে হাজৰ হাজাৰ বিঘা এনে পতিত মাটি। ওচৰৰ ৰাইজক সোধা হ'ল, কিয় পৰি আছে এই বিশাল মাটি? বছৰৰ ৫ টা বা ১০ দিনৰ বাবে বানপানী হয়। কোনো কোনোৱে সেই বিশাল মাটিত দাগ মাৰি থৈছে। খা-খবৰ লৈ জনা গ'ল ধনী কৃষকে নিজৰ নামত কৰ্তৃত্ব ৰাখি থৈছে। টেক্টৰেৰে আঁচ দি নিজৰ নামত দখল ৰাখিছে। ১ নৱেম্বৰৰ পৰা ১৫ নৱেম্বৰলৈ শদিয়াৰ বহুবোৰ গাঁৱত ঘূৰা হ'ল, প্ৰতিটো পঞ্চায়ত প্ৰতিখন গাঁৱত পদাৰ্পণ কৰা হ'ল, সভাও পতা হ'ল ভালেসংখ্যক গাঁৱত। পাহাৰৰ কাষৰ (অৰুণাচল) মাটিবোৰত আছে সীমাবিবাদ। বহুতো এলেকা পোৱা গ'ল— মাটি অসমৰ, মাটিৰ মালিক অৰুণাচলী আৰু সেই অৰুণাচলী অনুপস্থিত মাটিগিৰিক দি থাকিব লাগে আধি। ক'ৰবাত ক'ৰবাত স্থানীয় দেউৰী কৃষকক আঁতৰাই নতুনকৈ সংস্থাপিত কৰিছে অবিবাসী মুছলমান মানুহক, স্থানীয় দেউৰীয়ে মাটি দখল কৰাৰ ভয়ত। বহু গাঁও পোৱা গ'ল খহনীয়াপীড়িত, ১ কঠাৰ পৰা ১ বিঘালৈ মাটি লৈ মানুহ বহি আছে। ৰাস্তাৰে যাওঁতে শুকাই যোৱা নদীৰ বালিৰ ওপৰতো 'নাও ভাড়া' লৈ থকা হৈছে। শদিয়াত নাও ভাড়াই সকলো মানুহক হাৰাশাস্তি কৰে, বিশেষকৈ অমৰপুৰৰ মানুহক। ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু গ্ৰামোন্নয়নৰ দুৰ্নীতিৰ ভঁৰাল এই ঠাই। কেৰাচিনৰ দাম ২৫ টকা পৰ্যন্ত লোৱা হয়, ৰাজহুৱা বিতৰণ ব্যৱস্থাত। শদিয়াৰ মানুহৰ আতিথ্য, মৰম-স্নেহ দেখি পদযাত্ৰীসকল আপ্লুত নহৈ নোৱাৰিলে। শদিয়া এনে এখন ঠাই য'ত এতিয়াও ধান খেতি ৰাসায়নিক সাৰ দি কৰা নহয়, আঠা থকা ভাত খাই খাই পদযাত্ৰীসকল আহি ছপাখোৱা ওচৰ পালেহি। পদযাত্ৰীসকলে শদিয়াত পতিত মাটি উদ্ধাৰ, ভূমি পট্টনৰ লগতে স্বাস্থ্য আৰু শিক্ষাকো বিষয় কৰি লৈছিল। কিন্তু যিটো বিষয়ে শদিয়াবাসীক অতিকৈ উৎকণ্ঠিত কৰি ৰাখিছে সেয়া হ'ল বৃহৎ নদীবান্ধ। লোহিতৰ ওপৰত ৪০০০ মেগাৱাটৰ জলবিদ্যুৎ প্ৰকল্প আৰু ডিবাঙৰ ওপৰত ৩০০০ মেগাৱাটৰ প্ৰকল্পই শদিয়াবাসীৰ টোপনি হৰিছে। পদযাত্ৰীসকলক ৰাইজে ধৰিলে— কেৱল সভা কৰিলেই নহ'ব, প্ৰতিবাদ কৰিব লাগিব, সংগ্ৰাম কৰিব লাগিব ঐক্যবদ্ধভাৱে। ঠিক হ'ল ১৬ নৱেম্বৰত ছপাখোৱাৰ মহকুমাধিপতিৰ কাৰ্যালয় ঘেৰাও কৰা হ'ব। তোলা হ'ব আটাইবোৰ প্ৰশ্ন। কথা মতে কাম। তিনি হাজাৰ কৃষকে নিজৰ খৰচত বা খোজকাঢ়ি ছপাখোৱালৈ ওলাই আহিল। মহকুমাধিপতিক জনোৱা হ'ল বিষয়বোৰ তন্নতন্নকৈ। ৰাইজৰ সন্মুখত থিয় কৰাই খাদ্য আৰু অসামৰিক যোগান বিভাগৰ আধীক্ষকৰ পৰা লোৱা হ'ল লিখিত প্ৰতিশ্ৰুতি। সামগ্ৰী ঠিকমতে পোৱাৰ,

সামগ্রী চৰকাৰী মূল্যত দিয়াৰ। বিডিঅ'য়ো লিখি দিলে জবকার্ড দিয়া হ'ব, জবকার্ডৰ ১০০ দিনৰ কাম অথবা নিবনুৱা ভাট্টা। শদিয়া এৰোতে আটাইৰে মন ভাৰাক্রান্ত, শদিয়াত বৰ মৰম পালো, সিপাৰত গৈ বা কি হয়। শদিয়াৰ পৰা পদযাত্রীৰ লগত যোগ দিলে ১১ জনে। ব্ৰহ্মপুত্ৰ পাৰ হৈ ১৭ নৱেম্বৰত ধলা সোমোৱা হ'ল। সকলোৱে আচৰিত হ'ল, একেই মৰম, একেই আদৰ। ধলাৰ নদী-কিনাৰৰ কোনো গাঁৱতে শদিয়াৰ দৰেই বিজুলি বাতি নাই, নাই ৰাস্তাঘাট। ধলা হৈ পদযাত্রীসকল সোমাল জাগুনত। ধলাৰ পৰা জাগুনৰ সোণালী জনজাতি গাঁও পর্যন্ত হাজাৰ হাজাৰ পৰিয়াল বনাঞ্চলত বসবাস কৰি আছে কিন্তু **কেন্দ্রীয় জনজাতি বন আইন**ৰ অধীনত মাটি দিয়াৰ কোনো যা-যোগাৰ নাই। পদযাত্রীসকলে সমিতি গঠন কৰি কৰি আগবাঢ়ি গৈ আছে। জাগুন এলেকাত পদযাত্রীসকলক ডাঙৰ ডাঙৰ কল আৰু গাখীৰ খাবলৈ দিলে। সকলোৱে বৰ স্ফূর্তি। জাগুন পাৰ হৈ আহি লিডু, মার্ঘেৰিটাত প্ৰত্যক্ষ কৰিলে হৃদয় বিদাৰক এক দৃশ্য। ঐতিহাসিক পাটকাই পাহাৰটো ধ্বংস কৰি দিয়া হৈছে, কয়লাৰ মুক্তখননে শেষ কৰি দিলে চুকাফাৰ স্মৃতি বিজড়িত পাটকাই। কয়লা শ্রমিকৰ দুৰ্দশা, এলেকাটোৰ প্ৰদূষণ দেখি সকলোৱে তবধ মানিলে। ১১ ডিচেম্বৰত মার্ঘেৰিটা মহকুমাধিপতিক ঘেৰাও কৰি প্ৰতিবাদ কৰা হ'ল। তিনি হাজৰোধিক মানুহ। ছপাখোৱাৰে পুনৰাবৃত্তি। সংশ্লিষ্ট বিষয়াসকলৰ লিখিত প্ৰতিশ্ৰুতি লোৱা হ'ল। তাৰ পাচত পাভে, লক্ষ্মীপথাৰ, বাঘজান হৈ পদযাত্রীসকল তিনিচুকীয়ালৈ যাত্ৰা কৰিলে। লক্ষ্মীপথাৰ বনাঞ্চলত অইলৰ ভূকম্পন জৰীপ দেখি পদযাত্রীসকল ক্ষোভিত হ'ল। কমলাৰ বাগিচাৰ মাজে মাজে কমলাৰ সোৱাদ লৈ লৈ, কমলা বাগিচাৰ দুৰৱস্থাৰ খবৰ সংগ্ৰহ কৰি আগবাঢ়িল। ক্ষুদ্ৰ চাহ খেতিৰ বাবে কমলা বাগান কাটি থকা দেখা গ'ল। কমলাৰ বেমাৰৰ কোনো প্রতিকাৰ নেদেখি এটি কেন্দ্রীয় গৱেষণা কেন্দ্ৰৰ দাবী উঠিল। ১৮ ডিচেম্বৰত তিনিচুকীয়াৰ উপায়ুক্ত ঘেৰাও হ'ল। প্ৰথমবাৰৰ বাবে ডিবাং-লোহিত জলবিদ্যুৎ প্ৰকল্পৰ প্ৰতিবাদ হ'ল। ক্ষুদ্র চাহ খেতিয়কৰ পাতত ন্যূনতম সমর্থন মূল্য নিৰ্ধাৰণ দাবী জনোৱা হ'ল। মাটিৰ পট্টাৰ কথাটো আছেই। ১৯ ডিচেম্বৰত গুইজান হৈ ব্ৰহ্মপুত্ৰ পাৰ হৈ ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ মাজে মাজে আগবাঢ়িল। ডিব্ৰু-ছৈখোৱাৰ অৰণ্য ধ্বংসৰ দৃশ্য, বহিৰাগত লোকৰ দ্বাৰা অৰণ্যৰ মাটি বেদখল আৰু বালি পৰাৰ দৃশ্য দেখি ব্যথিত-ক্ষোভিত হৈ উঠিল পদযাত্রীসকল। ৪ ঘণ্টা অৰণ্যৰ মাজেৰে খোজকাঢ়ি পালেগৈ অন্য এখন শদিয়াত, লাইকা-পমুৱা গাঁৱত। সেই দধিয়া লাইকা য'ত ৫০/৬০ বছৰ পুৰণি মিচিং জনজাতিৰ লোকসকল অৰণ্যত বাস কৰি আছে, যি ঠাই মজে মাজে ডাইনি হত্যাৰ কাৰণে খ্যাত। দধিয়া-লাইকা ব্ৰহ্মপুত্ৰৰ বালিৰে পুতি আনিছে। মানুহবোৰক তাৰ পাৰ আঁতৰাই আনিবলৈ বহুতে চেষ্টা কৰি আছে। দধিয়া-লাইকা এনে এখন ঠাই য'ত অসমৰ আটাইতকৈ সোৱাদ লগা চাউলৰ ভাত পোৱা যায়। মানুহবোৰৰ লগত বান-খহনীয়া, নদীবান্ধ, বনাঞ্চলবাসীৰ ভূমিপট্টা, চাউল-কেৰাচিনৰ দুৰ্নীতিৰ কথা পাতি পাতি আগবাঢ়িছে পদযাত্রীসকল। ২২ ডিচেম্বৰত দধিয়াৰ পৰা বালিজান ঘাট হৈ পদযাত্রীসকল আহিল চাবুৱালৈ। তাৰ পৰা টেঙাখাত, ভাদৈ পাঁচআলি, টিপাম, জয়পুৰ, খেৰমূৰীয়া, নামৰূপ, চাচনি, খোৱাং, টিংখাং, মৰাণ, বৰবৰুৱা, লেজাই-কলাখোৱা, বগীবিল, জামিৰা হৈ ৰহমৰীয়াৰ দিশে গৈ থকা হৈছে। আৱিষ্কাৰ কৰা হৈছে অনেক সমস্যা, উদ্ধাৰ হৈছে নতুন নতুন খবৰ, অহা ১ ফেব্ৰুৱাৰীত পদযাত্রীসকলে ডিব্ৰুগড় চহৰ পাব। উপায়ুক্ত, ডি আৰ ডি এৰ প্ৰকল্প সঞ্চালক আৰু খাদ্য-অসামৰিক যোগান বিভাগৰ উপসঞ্চালক লগ পাব। ক'ব ৰাইজৰ বেদনাৰ কথা, সমস্যাৰ কথা, ক'ব সমস্যা সমাধানৰ কথা। তাৰ পাছতে তেওঁলোক যাব উত্তৰ অসমৰ ধেমাজি জিলালৈ।

*প্ৰথম পৃষ্ঠাৰ পৰা*

# পথৰুঘাটৰ আহ্বান

পৰা জীৱন-নিৰ্বাহৰ ব্যয় বাঢ়িছে। দুখীয়া খেতিয়কে বজাৰৰ কাষকে চাপিব নোৱাৰে। খাদ্য শস্য আৰু খাদ্য সামগ্ৰীৰ দাম দোপত দোপে বাঢ়িছে। বহু অঞ্চলত চৰম দাৰিদ্ৰ্য দশালৈ নামি গৈছে গাঁৱৰ ৰাইজ। ল'ৰা-ছোৱালীয়ে পঢ়াশুনা কৰিব পৰা নাই। কলেজৰ দুৱাৰ গৰকা বিলাকৰো সংস্থানৰ আশা নাই। চাৰিওপিনে মদ, জুৱা, গুণ্ডামিৰ প্ৰকোপ বঢ়া দেখা গৈছে। বান আৰু গড়াখহনীয়াই অবাধে উচ্ছেদ কৰিছে হেজাৰ-বিজাৰ মানুহ।

অসমৰ বুনিয়াদী শ্ৰমজীৱী জনগণৰ যেতিয়া এনে দুৰৱস্থা, সেই সময়তে চহৰৰ একাংশ ধনিক শ্ৰেণীৰ লোকৰ হাতত জমা হৈছে প্ৰচুৰ ক'লাধন। তেওঁলোকৰ বিলাস-ব্যসনৰ চেহেৰা দেখিলে ভাবিব নোৱাৰি যে এইখন অসমতে আধাপেটি হৈ দিন কটাইছে অগণন মানুহে।

কৃষিৰ খৰচ এনেদৰে বাঢ়িছে যে খেতিবাতি বাদ দি পৈত্ৰিক মাটি বিক্ৰী কৰি ভাগ্যৰ সন্ধানত ওলাই যাব খোজে ডেকাসকলে। কিন্তু যাব ক'লৈ? পাব কি? সেয়ে পৈত্ৰিক মাটি-ভেটি যাতে হাতৰ পৰা ওলাই নাযায়, প্ৰথমতে পৰিয়ালৰ নিৰাপত্তাৰ বাবে সেইখিনি সম্পত্তি দুহাতে সাবতি ৰাখিব লাগিব। দ্বিতীয়তে কৃষকসমাজক যাতে বিভিন্ন জাতপাত, জনগোষ্ঠীগত পৰিচয়, বিভিন্ন ধৰ্মই ভাগ-ভাগ কৰি দুৰ্বল কৰি নেপেলায়, সাৱধান হ'ব লাগিব। আমাৰ ধৰ্ম থাকক, গোষ্ঠীগত পৰিচয় থাকক। কিন্তু তাত উচতনি দি চৰকাৰ আৰু আন বিভেদকামী শক্তিয়ে আমাক আচল শত্ৰুৰ প্ৰতি পিঠি দি নিজৰ মাজতে যুঁজবাগৰ কৰি দুৰ্বল কৰিবলৈ সুযোগ যেন নাপায়। শ্ৰমজীৱী কৃষক হিচাবে আমাৰ পৰিচয় সকলোতকৈ আগতে, তাৰ ভিত্তিতে আমাৰ একতাই সকলো বিভেদ জয় কৰিব লাগিব।

আজি বজাৰত যিদৰে জুই জ্বলিছে, তাৰ পৰা আমি এটা শিক্ষাই ল'ব লাগিব। সমগ্ৰ বিশ্বজুৰি সাধাৰণ মানুহৰ জীৱনলৈ ধুমুহাৰ দৰে বিপৰ্যয় আনিছে আক্ৰোহী বৃহৎ পুঁজিপতি শ্ৰেণীয়ে। পৃথিৱীৰ সকলো দেশতে ৰাইজে প্ৰকৃতিৰ যিবোৰ সম্পদ ব্যৱহাৰ কৰি জীৱন-নিৰ্বাহ কৰি আছে, সকলোবোৰ ক্ৰমে চৰকাৰৰ সহায়ত জোৰকৈ দখল কৰি মুনাফা লুটাৰ ফন্দী কৰিছে দৈত্যকায় বৃহৎ পুঁজিৰ সংস্থাবোৰে। খাল-বিল মহলদাৰৰ হাতলৈ যোৱাত ৰাইজে যেনেকৈ মাছপুঠি খাব নোৱাৰা হ'ল, সেইদৰে হাবি বন, নৈ-নদী, চৰ-চাপৰি নিজৰ প্ৰয়োজনত ব্যৱহাৰ কৰিবলৈ ৰাইজে অধিকাৰ হেৰুৱাইছে। ডাঙৰ ডাঙৰ কোম্পানীবোৰে বা হেজাৰপুৱা মাটিৰ মালিক বিদেশী পুঁজিপতি কৃষকে উৎপাদন কৰা খাদ্যশস্য, বীজ, সাৰ আদিৰ ধনে যাতে বজাৰ ছাটি পেলায়, সেইবাবে সাধাৰণ অসমীয়া তথা ভাৰতীয় কৃষকৰ বাবে কৃষিক এক অতি ব্যয়বহুল নিৰৰ্থক শ্ৰমত পৰিণত কৰা হৈছে। লাখ লাখ খেতিয়কে অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰৰ বিদৰ্ভত আত্মহত্যা কৰিছে। সেয়ে বজাৰতো দাইল, আলু, পিয়াঁজৰ ভাবিব নোৱাৰা দাম। চমুকৈ ক'বলৈ হ'লে জীয়াই থকাৰ অধিকাৰেই যেন কাঢ়ি নিব খোজা হৈছে। চৰকাৰে কৰা সহায়ৰ আঁচনিয়ে এশজনৰ ভিতৰত ৮/১০ জনকে চুব পাৰিছে।

সেয়ে পথৰুঘাটৰ সংগ্ৰামী ঐতিহ্য সুঁৱৰি, সেই নিৰীহ কিন্তু বীৰ শ্বহীদসকলৰ বাবে এটুপি চকুলো পেলাই, নতুন সংগ্ৰামৰ বাবে আমি সাজু হ'ব লাগিব। ঔপনিবেশিকতাবাদ শেষ হোৱা নাই। নতুন ছদ্মবেশ কৰি সি আকৌ আহিছে পৃথিৱীৰ দুখীয়া কৃষিজীৱী ৰাইজক ভৰিৰে গছকি পুনৰ আধামৰা গোলামত পৰিণত কৰিবলৈ। সিহঁতৰ হেঁচাত চৰকাৰে লৈছে জনসাধাৰণক বিপদত পেলোৱা নতুন নতুন সিদ্ধান্ত আৰু ব্যৱস্থা। কিন্তু দেশৰ সকলো সম্পদৰ প্ৰকৃত মালিক শ্ৰমজীৱী জনগণ। জনগণৰ উপকাৰ নোহোৱাকৈ সেই সম্পদৰ ব্যৱহাৰ হ'বলৈ দিব নোৱাৰি। ৰাইজৰ প্ৰতিনিধি হৈ যদি চৰকাৰে তেনে পদক্ষেপ লয়, তেনেহ'লে সংগ্ৰামী ৰাইজে চৰকাৰৰ পৰা সেই ক্ষমতা কাঢ়ি ল'ব লাগিব। যেনে ব্যৱস্থাৰ পৰা কৃষক ৰাইজৰ জীৱননিৰ্বাহ হয়, উন্নতি হয়, তেনে ব্যৱস্থা নিজেই এদিন কৰিব লাগিব। সংগ্ৰাম দীৰ্ঘজীৱী হওক।

*(ড° গোহাঁই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী, বিশিষ্ট চিন্তাবিদ আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উপদেষ্টা)*

মুখ্য সম্পাদকৰ কলম

## আমাৰ দায়িত্ব গধুৰ, সতীৰ্থসকল সাজু হওক

২০০৫ চনত জন্ম লাভ কৰা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে অসমৰ জনগণৰ মাজত এক উৎসাহ আৰু আশাৰ সঞ্চাৰ কৰিব পাৰিছে। ১৯৭০ ৰ দশকৰ পাছত আকৌ এবাৰ শ্ৰমিক-কৃষক আৰু তেওঁলোকৰ শুভাকাংক্ষী মধ্যবিত্ত শ্ৰেণীটোৱে প্ৰাণ পাই উঠিছে। হতাশ বাওঁপন্থী কৰ্মীসকলৰো যেন মুখলৈ পানী আহিছে। সৎ অংশটোৱে আমাৰ লগত সহযোগিতাৰ বাবে আগবাঢ়ি আহিছে। অতি বুধিয়কসকলেও যোগাযোগ এটা আৰম্ভ কৰিছে যদিও আমি চাইহে আছো ভাব। মতলববিহীন শিক্ষিত মধ্যবিত্তই আমাক সম্ভ্ৰম আৰু মৰ্যাদা প্ৰদান কৰিব ধৰিছে। ৰাষ্ট্ৰ আমাৰ বিৰুদ্ধে অধিক তৎপৰ হৈছে, ষড়যন্ত্ৰৰ জাল মেলি দিছে। দুৰ্নীতিগ্ৰস্ত শাসক দলবোৰে আমাক বাঘৰ দৰে ভয় কৰা হৈছে আৰু আগৰ দৰে পোনে পোনে আক্ৰমণৰ পথ এৰি বাহিৰত 'সিহঁতে ভালেই কৰিছে' কিন্তু ভিতৰি এসেকা দিবলৈ জোপ পাতি ৰৈছে। সংসদীয় বাওঁপন্থী দলবোৰৰ বাবে আমি মূৰৰ কামোৰণি হৈ পৰিছো; সমালোচনাও কৰিবলৈ লেঠা অথচ বদনামো উলিয়াব লাগে। এই দলবোৰৰ ভূমিকা বৰ আমোদজনক হৈছে---- তেওঁলোক আগৰ দৰে এলাহত বহি থাকিব নোৱাৰা হৈছে; অস্তিত্ব সংকটে দেখা দিছে, অনুকৰণত অনেক কাৰ্যসূচী ল'বলৈ যত্নপৰ হৈছে। দলবোৰৰ বয়োবৃদ্ধসকলৰ নাজল-নাথল অৱস্থা হৈছে। আনহাতে এই দলবোৰৰ ভিতৰৰে শাসক শ্ৰেণীৰ অধিক ওচৰৰ অংশটোৱে লুকঢাক নোহোৱাকৈ আমাক আক্ৰমণৰ বাবে আগবাঢ়ি আহিছে। তেওঁলোকে সংগ্ৰাম সমিতিৰ ৰাজ্যিক কাম-কাজবোৰ ঠিকেই আছে, অমুক এলেকাটোতহে 'নৈৰাজ্যবাদী' কাম কৰি আছে আদি কথাৰে আমাক মিছাতে কলুষিত কৰাৰ চেষ্টা কৰিছে; স্থানীয় প্ৰশাসন, ৰাজনীতিকক সন্তুষ্ট কৰাৰ বাবে প্ৰাণপণে প্ৰচেষ্টা অব্যাহত ৰাখিছে। গণ সংগঠনসমূহৰ বহুতে বাহিৰে ভাল ভাব দেখুৱাই ভিতৰি খুচখুচিয়া বদনাম কৰিব খুজিছে। মুঠতে গোটেই ৰাজনৈতিক দৃশ্য-পটবোৰ বৰ আমোদজনক হৈ উঠিছে। অনেক ট্ৰেড ইউনিয়ন আৰু কৃষক-শ্ৰমিক সংগঠনে আমালৈ সতীৰ্থসুলভ হাত আগবঢ়াই দিছে। আমি সঁচাকৈয়ে এক জটিল অৱস্থাৰ মাজেদি আগবাঢ়ি যোৱাৰ এটি সুবৰ্ণ সুযোগ লাভ কৰিছো। সম্পূৰ্ণ মানুহৰূপে বিকশিত হোৱাৰ সপোন দেখিছো আৰু সকলোকে দেখুৱাব খুজিছো।

যোৱা ৬ আৰু ৭ অক্টোবৰৰ ২০০৯ ৰ দুদিনীয়া দিছপুৰ ঘেৰাও কাৰ্যসূচীয়ে আমাক এটা অনুকূল পৰিৱেশ তৈয়াৰ কৰি দিছে। সেই সময়তে ৰাষ্ট্ৰীয় তথ্যৰ অধিকাৰ বঁটাৰ দৰে গুৰুত্বপূৰ্ণ সৰ্বভাৰতীয় স্বীকৃতিয়ে আমাক আমাৰ কথাবোৰ কোৱাৰ সুযোগ দিছে। আন্তৰাষ্ট্ৰীয়ভাৱে বিশ্ব মন্দাৱস্থা, সৰ্বভাৰতীয় পৰ্যায়ত বিশ্বায়নে অনা অৰ্থনৈতিক দৃশ্যপট আৰু ৰাজ্যখনত সশস্ত্ৰ সংগঠনসমূহৰ আপোচমূলক বিশৃংখলা তথা জনগোষ্ঠীগত সংগঠনসমূহৰ হতাশজনক ভূমিকাই সৃষ্টি কৰা পৰিৱেশৰ আমি পূৰ্ণ সুযোগ লোৱাৰ সময় সমাগত। আনহাতে বিষয়ীগতভাৱে আমিও উচ্ছেদ-বিৰোধিতা, পট্টাৰ দাবী, দুৰ্নীতিবিৰোধিতা আদি দাবীবোৰ অধিক ৰাজনৈতিকভাৱে তুলি ধৰাৰ; যেনে, ভূমিসংস্কাৰ, বিশ্বায়ন বিৰোধিতা বা ব্যৱস্থাগত পৰিৱৰ্তন; দিশে নিজকে লৈ গৈ আছো। এই ৰাজনৈতিক মতাদৰ্শগত অগ্ৰগতিয়ে আমাক এচাম সোপাটিলা, ভয়াতুৰ আৰু বিশৃংখল ধান্দাবাজী সতীৰ্থৰ পৰা আঁতৰাই আনিব আৰু আমাৰ ভিতৰৰে এচামে উৎসাহেৰে মতাদৰ্শগত উলম্ফনৰ দিশে অধিক তীব্ৰতাৰে আগবাঢ়ি যাব। মুঠতে আমি এক সন্ধিক্ষণত অৱতীৰ্ণ হৈছো। ইয়াক দৃঢ়, ব্যাপক কৰিবলৈকে আমি আৰম্ভ কৰিছো এক ঐতিহাসিক পদযাত্ৰাৰ। এই পদযাত্ৰাই আমাৰ অভিজ্ঞতাক নতুন মাত্ৰা দিছে, কৰ্মীসকলক নতুন নতুন ঠাইত অধিক পটুতাৰে একাত্ম হ'বলৈ শিক্ষা দিছে আৰু দায়িত্ব পালনৰ ঐতিহাসিক সুবিধা প্ৰদান কৰিছে। আমি অসমৰখনক ভালদৰে বুজিবলৈ সুযোগ পাইছো, জনতাৰ আকাংক্ষাক অধিক মজ্জাগত কৰিবলৈ প্ৰেৰণা পাইছো। আমাৰ শক্তিতকৈ অধিক ঠাইত সংগঠন গঠনৰ আহ্বান আহিছে। প্ৰতিজন নেতা-কৰ্মী এতিয়া সঁচাকৈয়ে ব্যস্ত হ'বলগীয়া হৈছে। ব্যক্তিগত অসুবিধা, সীমাবদ্ধতাবোৰ সমালোচনাত্মকভাৱে আঁতৰ কৰি আমি কষ্টকৰ পথেৰে আগবাঢ়িব লগা হৈছে।

নতুন নতুন নেতৃত্ব সৃষ্টি কৰাটোৱে আমাৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। নতুন নেতৃত্বক জনগণৰ মতাদৰ্শৰে সবল কৰাটো অন্য এক কাম। নতুন নেতৃত্বই গতিশীলতা প্ৰদানৰ বাবে নিজকে সাজু কৰাটো ঐতিহাসিক দায়িত্বৰূপে দেখা দিছে। মতাদৰ্শৰ ক্ষেত্ৰত আপোচবিহীন, যুঁজত ক্লান্তিবিহীন, জনতাক হৃদয়েৰে ভাল পোৱা আৰু প্ৰকৃত বিপ্লৱ প্ৰত্যাশী মৰমীয়াল, সাহসী দেশপ্ৰেমিক কৰ্মী আমাক লাগে। নতুন নতুন নেতা আমাক লাগে। আমি পৃথিৱীত সকলো মানুহকে সম্পূৰ্ণ মানুহৰূপে বিকশিত হোৱাৰ সপোন দেখিছো আৰু সকলোকে দেখুৱাব খুজিছো। সমাজৰ শেষৰজন মানুহে সমভাৱে খাবলৈ নোপোৱালৈকে আমি যুঁজিব লাগিব।

*কৃষক মুক্তি সংগ্ৰাম সমিতি, অসমৰ হৈ সভাপতি মোলান লস্কৰ, কাৰ্যকৰী সভাপতি পৱিত্ৰব্ৰত দৈমাৰী আৰু সম্পাদক অখিল গগৈৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।* মূল্য ঃ দহ টকা



OKDISCD